Content includes AI-generated material

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

FRIDAY, APRIL 18, 2025 ■ শুকুৰবাৰ, ৪ ব'হাগ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১০৯ Guwahati, Assam ।। মূল্যঃ এটকা

**মনোনয়ন দাখিলৰ পিছতে হঠাৎ মোহভংগ ইজনৰ পিছত সিজন কংগ্ৰেছ প্ৰাৰ্থীৰ**

# পঞ্চায়তে পঞ্চায়তে ভয়-ভাবুকিৰ ভয়ংকৰ খেল

● শাসকীয় দলে ভীতি প্ৰদৰ্শন কৰি প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰিবলৈ বাধ্য কৰোৱাৰ অভিযোগ, নিৰাপত্তাহীন কংগ্ৰেছী



ই-সংবাদ, ১৭ এপ্ৰিলঃ ৰাজ্যৰ প্ৰান্তে প্ৰান্তে কংগ্ৰেছৰ প্ৰাৰ্থীক ভয়-ভাবুকি প্ৰদান কৰি মনোনয়ন প্ৰত্যাহাৰৰ অভিযোগ উত্থাপন হৈছে। শোণিতপুৰ, মৰিগাঁও, নগাঁও, ডিব্ৰুগড়, মৰিগাঁও জিলাত কংগ্ৰেছ প্ৰাৰ্থীসকলক প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ সপ্তম পৃষ্ঠাত

## বদহজমী মৌ বিহুৰ কথা

■ শোণিত কুমাৰ গোস্বামী

শাণিত কলম





শেহতীয়াকৈ ইউটিউবত মুকলি হোৱা মৌ বিহু শীৰ্ষক বিহু সুৰীয়া গীতটোৱে ২ নং পৃষ্ঠাত

ভূপেন বৰাৰ অভিযোগ!

## বিজেপিৰ হৈ কাম কৰে অসম আৰক্ষীয়ে!

ই-সংবাদ, ১৭ এপ্ৰিলঃ পঞ্চায়ত নিৰ্বাচনত বিজেপি দল আৰু চৰকাৰে গণতন্ত্ৰক ভেঙুচালি শেষাংশ ৭ পৃষ্ঠাত

## প্ৰাৰ্থীক হোটেলত ৰাখি বাহিৰত পহৰা কাছাৰ কংগ্ৰেছৰ

ই-সংবাদ, ১৭ এপ্ৰিলঃ কাছাৰত পঞ্চায়ত নিৰ্বাচনৰ প্ৰাৰ্থীক হোটেলত ৪ পৃষ্ঠাত

## গুৱাহাটীত প্ৰতিবাদ সাব্যস্ত যুৱ মৰ্চাৰ

ৰাহুলক গ্ৰেপ্তাৰৰ দাবী

ই-সংবাদ, ১৭ এপ্ৰিলঃ বিগত দুটা দিন কংগ্ৰেছৰ নেতা-কৰ্মীয়ে ৰাজপথলৈ ওলাই আহি ৩ পৃষ্ঠাত চাওক



নতুন দিল্লীত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উদ্যোগত 'ৰঙালীৰ এনাজৰী'

শিল্পীক অপদস্থ, ক্ষুব্ধ ৰাজ্যৰ শিল্পী সমাজ!

## চানমাৰিৰ বিহু মঞ্চত চৰম অপমান দিগন্ত ভাৰতীক



ই-সংবাদ, ১৭ এপ্ৰিলঃ অসমৰ সংগীত জগত তথা জাতীয় জীৱনলৈ বৃহৎ অৱদান আগবঢ়োৱা কণ্ঠশিল্পী-গীতিকাৰ-সুৰকাৰ দিগন্ত ভাৰতীক ৩ পৃষ্ঠাত

## অসমত আৰম্ভ বিহাৰৰ 'জংগল ৰাজ'!

দমনৰ ৰাজনীতিৰে বিজেপিয়ে শাসন চলাই নিয়াৰ অভিযোগ গৌৰৱৰ

ই-সংবাদ, ১৭ এপ্ৰিলঃ অসমৰ সাম্প্ৰতিক শাসন ব্যৱস্থাক বিহাৰৰ কুখ্যাত 'জংগল ৰাজ' যুগৰ সৈতে তুলনা কৰি ৰাজ্য চৰকাৰৰ বিৰুদ্ধে সৰৱ হৈ পৰিল যোৰহাট সমষ্টিৰ সাংসদ গৌৰৱ গগৈ। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰক লক্ষ্য কৰি গগৈয়ে ৪নং পৃষ্ঠাত চাওক

## 'অবাধ্য' হাভাৰ্ডক ৰঙা চকু ট্ৰাম্পৰ

ৱাশ্বিংটন, ১৭ এপ্ৰিলঃ ক্ষমতালৈ প্ৰত্যাৱৰ্তন কৰিয়েই মুকলি শক্তি প্ৰদৰ্শনত নামি পৰা ৮ পৃষ্ঠাত



ডিফুত ফটো তোলাত ব্যস্ত মুখ্যমন্ত্ৰী, ফটোঃ ই-সংবাদ, ডিফু

## ৱাকফ শুনানি, নিয়ম সলনি কৰি বিপাঙত কেন্দ্ৰ

নতুন দিল্লী, ১৭ এপ্ৰিলঃ বিতৰ্কিত নতুন ৱাকফ আইনৰ ওপৰত স্থগিতাদেশ জাৰি নকৰিলেও দ্বিতীয় দিনৰ শুনানিত এই আইনখনৰ দুটা গুৰুত্বপূৰ্ণ ধাৰা সন্দৰ্ভত এক বৃহৎ সিদ্ধান্ত গ্ৰহণ কৰিছে দেশৰ উচ্চতম ন্যায়ালয়ে। বৃহস্পতিবাৰে শেষাংশ ২ পৃষ্ঠাত

## সংঘাত দূৰ কৰাৰ চেষ্টা অসম-মিজোৰামৰ

আইজল, ১৭ এপ্ৰিলঃ অসম-মিজোৰাম সীমা বিবাদ সমাধানৰ বাবে পুনৰ আলোচনাত ৮ নং পৃষ্ঠাত

নিৰ্বাচনৰ পূৰ্বে পুনৰ বিভেদ বিৰোধী ঐক্যত

## অসন্তুষ্টি প্ৰকাশ কৰি ভূপেনলৈ পত্ৰ অখিল গগৈৰ

ই-সংবাদ, ১৭ এপ্ৰিলঃ আজি আছিল পঞ্চায়ত নিৰ্বাচনৰ মনোনয়ন প্ৰত্যাহাৰৰ অন্তিমটো দিন। ইতিমধ্যে ৪ পৃষ্ঠাত চাওক

শিৱসাগৰত প্ৰাৰ্থিত্ব প্ৰদানক লৈ কংগ্ৰেছৰ ওপৰত নাৰাজ ৰাইজৰ দল

## ১ অক্টোবৰৰ পৰা দৰমহা বাঢ়িব অংগনবাড়ী-সহায়িকাৰ

ডিফু ভ্ৰমণকালত ঘোষণা মুখ্যমন্ত্ৰী হিমন্ত বিশ্বৰ

ই-সংবাদ, ডিফু, ১৭ এপ্ৰিলঃ দুদিনীয়া ভ্ৰমণসূচীৰে আজি পুৱা হেলিকপ্টাৰেৰে ডিফুৰ তাৰালাংছ'ত উপস্থিত হয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা। মুখ্যমন্ত্ৰী শৰ্মা তাৰালাংছ'ত ৫ পৃষ্ঠাত চাওক

## পুনৰ অসম আৰক্ষীৰ জালত ৫ বাংলাদেশী

ই-সংবাদ, ১৭ এপ্ৰিলঃ ভাৰত-বাংলাদেশ সীমান্তত সক্ৰিয় হৈ আছে ভাৰতৰ নিৰাপত্তাৰক্ষী। ৫ নং পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বদহজমী মৌ বিহুৰ কথা

সামাজিক মাধ্যমত যথেষ্ট বিতৰ্কৰ সৃষ্টি কৰিছে। অশ্লীল বুলি খ্যাতি অৰ্জা এই গীতটোক লৈ ইণ্টাৰনেটত সক্ৰিয় অসমীয়া সমাজে কেতবৰো ইংৰাজী উপমা যেনে Erotic, Vulgur আদি ব্যৱহাৰ কৰি গীতটো বৰ্জন তথা আইনী ব্যৱস্থা লোৱাৰ হুংকাৰ দিছে।

সামাজিক মাধ্যম সক্ৰিয় হৈ উঠাৰ দিনধৰি মানুহৰ মতামত প্ৰক্ৰিয়া ক্ষীপ্ৰ হৈছে, ঠিক তেনেদৰে যিকোনো বিষয়তে মাত মতাৰ প্ৰৱণতা বা সূচলতা বৃদ্ধি পাইছে। ইয়াৰ ফলত অৱশ্যে বিষয়বোৰৰ একাধিক দিশত সমালোচনা-আলোচনা হোৱাৰ লগতে বিষয়টোত আক্ৰমণ-প্ৰত্যাক্ৰমণও সক্ৰিয় হৈছে। উপায় নাই, কিয়নো হাতে হাতে থকা প্ৰযুক্তিগত সাধনবোৰে (মোবাইলফোন আৰু ইণ্টাৰনেট) কেতবোৰ জনপ্ৰিয় সামাজিক মাধ্যমলৈ দিয়া প্ৰৱেশে জনতাক (শিক্ষিত-অশিক্ষিত) জনমতৰ অংশীদাৰ কৰি লৈছে। গতিকে এতিয়া ডিজিটেল বিশ্বৰ কোনো কথা বা বিষয় সাৰি নাযায়।

গতিকে সৃজনী ভাস্ব মহন্ত আৰু নিৰঞ্জন গোস্বামীৰ পৰিকল্পনাৰে ঠন ধৰি উঠা এটি গীতি কাহিনীয়ে অসমীয়া আবেগপ্ৰৱণ ৰাইজক জোকাৰি গৈছে। এগৰাকী দেহপোজীৱিনীৰ বা এগৰাকী নাৰীৰ মনটোৰে কি বিচাৰে সেয়া মৌ বিহুক শীৰ্ষক গীতটোত কাহিনীৰ আঁকাৰত দেখুওৱা হৈছে। এগৰাকী নাৰীয়ে একাধিক পুৰুষক নিজৰ মায়াজালাত বন্দী কৰি তোলাৰ কাহিনী সংগীত ভিদিঅ'টোত স্পষ্ট হৈছে। কোনো ধৰণৰ অশ্লীল দৃশ্য সংযোজন নকৰাকৈ কেতবোক সাংকেতিক দৃশ্যৰ মাধ্যমত কোনো শৰীৰৰ আলিংগন নোহোৱাকৈ বিষয়টো উপস্থাপন কৰোতে গীতৰ স্ৰষ্টা বা পৰিচালক সফল হৈছে।

অৱশ্যে একাংশ অসমীয়া ৰাইজে কথাটো মানি ল'ব বিচৰা নাই। এগৰাকী নাৰীয়ে কিয় অনেক পুৰুষৰ কথা চিন্তা কৰিব মানে বহুগামিতাৰ পোষকতা কৰিব? মৌৰ ব্যৱহাৰ কৰি সাংকেতিক দৃশ্য কিয় দিব আদি-ইত্যাদি কথা আলোচনা কৰিছে। এটি সুন্দৰ গীত বা ছবি মৌ বিহু এতিয়া একাংশ অসমীয়াৰ হজম নোহোৱা খাদ্য হৈ পৰিছে।

অসমীয়া সমাজ যথেষ্ট ৰক্ষণশীল। নতুন কিবা এটা গ্ৰহণ কৰিবলগীয়া হোৱা কথাটো সহজে হজম নহয়। অতীজতে, ৰক্ষণশীল পৰিয়ালৰ আনন্দৰাম ঢেঁকীয়াল ফুকনে ইংৰাজী শিক্ষা গ্ৰহণ কৰি অহাৰ পাছত যেনেকৈ শুচি হৈ ঘৰ সোমাব লগীয়া হৈছিল ঠিক তেনেকৈ অসমীয়া সমাজে লুকাই-চুৰকৈ হৈ থকা কেতবোৰ কথা প্ৰতিষ্ঠিত শিল্পীয়ে দৃশ্যৰ মাধ্যমত কৰি দিলে জাঙুৰ খাই পৰে। পুৰুষে সুৰাপান কৰি কৰা উৎপাত গ্ৰহণযোগ্য আৰু নাৰীয়ে কৰা তেনে কামৰ গ্ৰহণযোগ্যতা নোহোৱাৰ যি সূত্ৰ সেয়া সামাজিক মাধ্যমত অসমীয়া ৰাইজে কেতবোৰ বিষয়ত হুমনিয়াহ কাঢ়ি হ'লেও কৰে।

অৱশ্যে এই ক্ষেত্ৰত অসমীয়া ৰাইজ বহুধা বিভক্ত। গীতিশিল্পী জুবিন গাৰ্গে ধেমালিতে মঞ্চত তপিনা ডাঙৰ ছোৱালীৰ কথা উল্লেখ কৰিলে দৰ্শক ৰাইজে সেই কথাত ৰস পায় কিন্তু এগৰাকী নাৰীৰ শ্লীলতা হানি বিষয়টোত নিমাত হৈ ৰয়। সমাজৰ আবেগক সন্মান জনাই দৃশ্য-শ্ৰাব্য মাধ্যমত তথাকথিত ভদ্ৰলোকৰ ভাও দিব জনা লোক অসমীয়া সমাজত বেছি আদৰণীয় বুলি পূৰ্বৰে পৰা চলি আহিছে।

বৰ্তমান অ'টিটি মাধ্যমতেই হওক বা ৰীলৰ মাধ্যমতেই হওক, দৰ্শকে নিতৌ অন্য ভাষাত অনেক যৌনগন্ধী দৃশ্য উপভোগ কৰি মোবাইলত সোমাই থাকে, কিন্তু অসমীয়া ছবিত তেনে দৃশ্য দেখিলে জাঙুৰ খাই উঠে। কিয়নো অসমীয়া আবেগিক সেয়েহে নিজৰ ঘৰৰ ছোৱালীয়ে তেনে কাম কৰিব নালাগে বুলি নিজকে পতিয়ন নিয়ে। অসমৰ বাপতি সাহোন বিহু মূলত যৌৱনৰ উৎসৱ তথাপি এই কথাটোৰ তথ্যমূলক আলোচনা কৰিলে বৃহত্তৰ অসমীয়া জনগোটে কথাটো হজম কৰিব নোৱাৰে।

সৃজনী ভাস্ব মহন্ত আৰু নিৰঞ্জন গোস্বামীৰ পৰিকল্পনাত সৃষ্টি হোৱা মৌ বিহু শীৰ্ষক গীতটোৱে ৰাইজক জোকাৰি যোৱা কথাটোৱে মূলত গীতটোৰ আঁৰৰ মানুহখিনিৰ সফলতা নিদৰ্শন কৰিছে। কিয়নো সৃষ্টিশীল কৰ্মই যেতিয়া মানুহক ভাৱিবলৈ, চৰ্চা কৰিবলৈ, বিতৰ্ক কৰিবলৈ সমল দিয়ে তেতিয়া সেয়া সামগ্ৰিক দৃষ্টিত সফল প্ৰয়াস বুলি বিবেচিত হয়। এতিয়ালৈ পৃথিৱীত সৃষ্টি হোৱা অনেক সৃষ্টিৰ এতিয়াও অৱতাৰণা হৈ থকা কথাটোৱে তাৰেই প্ৰমাণ দিয়ে।

ডিজিটেল বিশ্বৰ উত্তৰণৰ সমান্তৰালকৈ বা মৌলিক সৃষ্টিৰ আধাৰ দৃশ্য-শ্ৰাব্য মাধ্যম চিনেমা-গীতৰ উত্তৰণ হৈছে যদিও এইবোৰ বুজি পোৱা বা তেনে কলাৰ গঠনমূলক সমালোচনা কৰিব পৰাকৈ অসমীয়া দৰ্শক যেন এতিয়াও পাছপৰি আছে। একাংশ দৰ্শকে পুৰুষতান্ত্ৰিক মানসিকতাৰ পৰিচয় দি সকলোতে যৌনগোন্ধ বিচাৰি সমাজত তালিবানী শাসন ব্যৱস্থা এটা বৰ্তাই ৰখাৰ উদ্দেশ্য সমালোচনাত মুখৰ হোৱা পৰিলক্ষিত হয়। ইয়াৰ সলনি পৰিৱেশন কলাক যদিহে শিল্পৰ মানৰে পৰ্যালোচনা কৰিবলৈ শিকিলেহেঁতেন তেন্তে উক্ত মৌ বিহুত অনেক উপাদান দেখিলেহেঁতেন।

পিছে, যুগৰ পৰিৱৰ্তনৰ লগে লগে সাধাৰণতে চুপ হৈ থকা অসমীয়া জাতি এতিয়া সদায় সক্ৰিয়। কথা-আড্ডাপ্ৰিয় জনতা বিষয়বোৰক লৈ উদ্বিগ্ন। এয়া জাতিটোৰ বাবে শুভলক্ষণ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৱাকফ শুনানি, নিয়ম সলনি কৰি বিপাঙত

দিনৰ ২ বজাৰ পৰা অনুষ্ঠিত হোৱা শুনানিত উচ্চতম ন্যায়ালয়ে ৱাকফ-বাই-ইউজাৰ সম্পত্তিৰ চৰিত্ৰ সলনি আৰু অমুছলমান সদস্যক ৱাকফ ব'ৰ্ডত নিযুক্তি দিয়াত সাময়িকভাৱে নিষেধাজ্ঞা আৰোপ কৰে। এই আদেশ পৰৱৰ্তী শুনানি পৰ্যন্ত প্ৰযোজ্য হৈ থাকিব। একে সময়তে বিচাৰপীঠে আগন্তুক সাত দিনৰ ভিতৰত শপতনামা দাখিল কৰি বিবৃতি দাখিল কৰিবলৈও কেন্দ্ৰক নিৰ্দেশ দিয়ে। মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্নাৰ নেতৃত্বত তিনিজনীয়া বিচাৰপীঠে কয় যে ব্যৱহাৰকাৰীয়ে ৱাকফ বা ৱাকফ-বাই-ইউজাৰ হিচাপে ঘোষণা বা পঞ্জীয়ন কৰা সম্পত্তিৰ চৰিত্ৰ কোনো কাৰণতে সলনি কৰিব নোৱাৰিব। ইয়াৰ লগতে কোনো অমুছলমানক ৰাজ্যিক ৱাকফ ব'ৰ্ড বা কেন্দ্ৰীয় ৱাকফ পৰিষদৰ সদস্য হিচাপে নিযুক্তি দিয়া নহ'ব। ৫ মে'ত পৰৱৰ্তী শুনানি পৰ্যন্ত এই নিষেধাজ্ঞা কাৰ্যকৰী হৈ থাকিব। শুনানিৰ সময়ত ন্যায়াধীশসকলে স্পষ্টভাৱে কয় যে অন্য ধৰ্মৰ সদস্যসকল হিন্দু মন্দিৰ বা আন ধৰ্মীয় ব'ৰ্ডৰ সদস্য নহয়। যেনে, তিৰুপতি ব'ৰ্ডত কোনো অমুছলমান সদস্য নাই। সেই উদাহৰণ দি ন্যায়াধীশ কুমাৰে কেন্দ্ৰৰ ছলিচিটৰ জেনেৰেল তুষাৰ মেহতাক প্ৰশ্ন কৰে, "তেন্তে মুছলমানসকলকো হিন্দু ট্ৰাষ্টত সদস্যপদ দিয়া হ'বনে?" আদালতৰ এনে প্ৰশ্নৰ বাবে কিছু অপ্ৰস্তুত হৈ থকা কেন্দ্ৰই নিজৰ স্থিতি প্ৰকাশ কৰিবলৈ সাত দিনৰ সময় বিচাৰে। এই গোচৰত উত্থাপিত মূল আপত্তিটো ৱাকফ সংশোধনী আইনক কেন্দ্ৰ কৰিয়েই আবদ্ধ। ১৯৪০ চনৰ পৰা চলি অহা 'এনকাম্বাৰড ৱাকফ' সম্পত্তিটোৱে সংশোধনীৰ পিছত পূৰ্বৰ বৈধতা ঘূৰাই পাব নেকি সেই প্ৰশ্নক লৈ উদ্বেগ প্ৰকাশ কৰিছে আদালতে। লগতে ন্যায়াধীশসকলে ৱাকফ ব'ৰ্ডত অমুছলমান সদস্য নিযুক্তি দিয়াৰ সম্ভাৱনাক লৈ তীব্ৰ আপত্তি প্ৰকাশ কৰে। ইতিমধ্যে নতুন ৱাকফ আইনৰ বিৰোধিতা কৰি উচ্চতম ন্যায়ালয়ত কেইবাটাও গোচৰ ৰুজু হৈছে। ইছলামিক সংগঠনৰ পৰা আৰম্ভ কৰি চৰকাৰলৈকে বিভিন্ন ৰাজনৈতিক দলে এই আইনক সংখ্যালঘু বিৰোধী আখ্যা দি আদালতৰ কাষ চাপিছে। দেশৰ বিভিন্ন ৰাজ্যত আন্দোলন আৰু প্ৰতিবাদ বিয়পি পৰিছে। আজিৰ শুনানিত উচ্চতম ন্যায়ালয়ে আপাততঃ যথাৰ্থ অৱস্থা অটুট ৰাখিবলৈ বাৰ্তা প্ৰদান কৰে।কেন্দ্ৰৰ সঁহাৰিৰ ভিত্তিত পৰৱৰ্তী শুনানিত আদালতে নতুন সিদ্ধান্ত ল'ব পাৰে। কিন্তু ৱাকফ সংশোধনী আইনৰ বিৰোধী পক্ষই এতিয়ালৈকে আদালতৰ পৰা সম্পূৰ্ণৰূপে স্থগিতাদেশ নাপালে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

# চানমাৰিৰ বিহু মঞ্চত চৰম অপমান

মঞ্চলৈ মাতি নি বিহু সমিতিয়ে চূড়ান্ত অপমান কৰাৰ অভিযোগ উত্থাপন হৈছে। গুৱাহাটীৰ আগশাৰীৰ বিহু সমিতি চানমাৰিৰ পূব গুৱাহাটী বিহু সন্মিলনে দিগন্ত ভাৰতীক অপমান কৰাৰ অভিযোগ উঠিছে। একাংশ উগ্ৰ আৰু মাতাল বিষয়ববীয়াই এনে কাণ্ড সংঘটিত কৰাৰ অভিযোগ উঠাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। চানমাৰিৰ পূব গুৱাহাটী বিহু সন্মিলনৰ মঞ্চৰ পৰা জ্যেষ্ঠ শিল্পী দিগন্ত ভাৰতীক মঞ্চৰ পৰা জোৰ-জবৰদস্তি নমাই দিয়াৰ অভিযোগ উত্থাপন হৈছে। ধুতি নিপিন্ধাকৈ মঞ্চত উঠাত সুৰসক্ত অৱস্থাত বিহু পৰিচালনা সমিতিৰ তথাকথিত বিষয়ববীয়াই এই কাণ্ড সংঘটিত কৰাৰ অভিযোগ উত্থাপন হৈছে। হাতৰ পৰা মাইক্ৰ'ফোন কাঢ়ি নি মঞ্চৰ পৰা জোৰকৈ নমাই দিয়ে ভাৰতীক। অভব্য আচৰণ কৰি নমাই দিয়াত অপমান বোধ কৰি সমিতিৰ বিষয়ববীয়াৰ এনে আচৰণৰ বিৰোধ কৰিছিল যদিও ওলোটাই ধমক দিছিল একাংশ বিষয়ববীয়াই। জানিব পৰা মতে, কালি চানমাৰিৰ পূব গুৱাহাটী বিহু সন্মিলনৰ অনুষ্ঠান পৰিৱেশনৰ বাবে আমন্ত্ৰণ জনাইছিল শিল্পী ভাস্বতী ভাৰতীক। ভাস্বতী ভাৰতী হৈছে দিগন্ত ভাৰতীৰ পত্নী। পত্নী ভাস্বতী ভাৰতীৰ অনুষ্ঠান চাবলৈ গৈ দৰ্শকৰ আসনত বহি আছিল দিগন্ত ভাৰতী। দৰ্শকৰ আসনত বহি থকা দিগন্ত ভাৰতীক দেখিছিল সমিতিৰ একাংশ বিষয়ববীয়াই। একাংশ বিষয়ববীয়াই কণ্ঠশিল্পী ভাৰতীক জোৰ কৰি মঞ্চত গীত গাবলৈ আমন্ত্ৰণ জনায়। বহুবাৰ কাকুতি-মিনতি জোৰকৈ মঞ্চলৈ মাতি নিয়ে দিগন্ত ভাৰতীক। মঞ্চত দিগন্ত ভাৰতীক চিনাকি কৰি দি সমিতিৰ বিষয়ববীয়াই সম্বৰ্ধনা জনায়। সমিতিৰ অনুৰোধত মঞ্চত এটি গীত গায় ভাৰতীয়ে। গীত গাই শেষ হোৱাৰ সময়তে চৰম দুৰ্ভাগ্যজনক পৰিস্থিতিৰ সন্মুখীন হয় ভাৰতী। সীমান্ত ঠাকুৰীয়া নামৰ এজন বিষয়ববীয়াই হাতৰ পৰা মাইক্ৰ'ফোন কাঢ়ি নি দিগন্ত ভাৰতীক চৰম অপমান কৰে। সীমান্ত ঠাকুৰীয়া নামৰ লোকজনে ভাৰতীয়ে জিনছ পেণ্ট পিন্ধা কথাটোত আপত্তি কৰি ধুতি নিপিন্ধাৰ বাবে মঞ্চৰ পৰা জোৰকৈ নমাই দিয়ে। ফলত দিগন্ত ভাৰতী আৰু পত্নী ভাস্বতী ভাৰতীয়ে তীব্ৰ বিৰোধ কৰে। কিন্তু সমিতিৰ সকলো বিষয়ববীয়াই দুয়োগৰাকী স্বনামধন্য শিল্পীৰ কথা শুনিবলৈ ইচ্ছা নকৰিলে। অভিযোগ মতে, পূব গুৱাহাটী বিহু সন্মিলনৰ সমিতিৰ বিষয়ববীয়া সীমান্ত ঠাকুৰীয়া সুৰাসক্ত অৱস্থাত আছিল। ঘটনাক লৈ নিশাই চানমাৰিত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। দিগন্ত ভাৰতী আৰু ভাস্বতী ভাৰতীৰ সৈতে এনে আচৰণ কৰাত আধাতে সংগীতানুষ্ঠান বন্ধ কৰি দিয়া হয়। তাৰ পিছতে কণ্ঠশিল্পী দিগন্ত ভাৰতীয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। দিগন্ত ভাৰতীয়ে কয় যে প্ৰথম কথা হৈছে যে মই গীত গাবলৈ যোৱা নাছিলো। তেওঁলোকৰ অনুৰোধতহে গীত গাবলৈ মঞ্চত উঠিছিলো। তালিবানৰ দৰে কিয় মোক মঞ্চৰ পৰা নমাই দিয়া হ'ল। ভদ্ৰভাৱে যদি কথাখিনি ক'লে হয় মই মানি ল'লো হয়। মোৰ পত্নীয়ে গীত গাই থাকোতে মাইকটো বন্ধ কৰি দিছে। সমিতিৰ বিষয়ববীয়াৰ মুখৰ পৰা মদৰ গোন্ধ ওলোৱাৰ অভিযোগ উত্থাপন কৰি তেওঁ আৰু কয় যে তেওঁলোকৰ মুখৰ পৰা মদৰ গোন্ধ ওলাই আছিল। সন্দেহ হৈছে যে সমিতি দুটা ভাগত বিভক্ত হৈছে। পূৰ্বেও চানমাৰি বিহু মঞ্চত শিল্পীক অপমান কৰা হৈছে। মোৰ এটাই কথা যিসকলে মোক অপমান কৰিছে তেওঁলোকে সংবাদ মাধ্যমৰ যোগেদি ক্ষমা খোজক আৰু পত্নীক দিবলগীয়া টকাখিনি সন্মানসহকাৰে দিয়ক। অসমত মোৰ এইটোৱেই প্ৰথম এনে ঘটনা। যদিয়ে ক্ষমা নোখোজে তেন্তে অনাগত দিনত কোনো শিল্পীয়ে চানমাৰি বিহু মঞ্চত গীত পৰিৱেশন নকৰে বুলি মোক বহুজনে অৱগত কৰিছে। ইপিনে বিশিষ্ট কণ্ঠশিল্পী জে পি দাসে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। দাসে কয় যে শিল্পীক অপমান কৰিছে। আমি সিদ্ধান্ত লৈছো যে আমি শিল্পী সুৰক্ষা সমিতি গঠন কৰিব লাগিব। এতিয়া শিল্পীক সুৰক্ষাৰ দৰকাৰ হৈছে। শিল্পীক মঞ্চৰ পৰা নমাই দিয়া হৈছে। লগতে আৱেগিক হৈ জে পি দাসে কয় যে আজি চানমাৰিত থাকি মোৰ লাজ লাগিছে। চানমাৰি বিহু সমিতিয়ে এনেকুৱা কাম কৰাত মই নিজকে শিল্পী বুলি ক'বলৈ লাজ পাইছো। মই এই এলেকাত থকা ৬০ বছৰমান হ'ল। এই কাণ্ড কৰি দিগন্ত ভাৰতীক লাজ দিছেই, চানমাৰিকো বেছি অপমান কৰিছে। এই অপমান মই সহ্য নকৰো। ইপিনে বহু সমিতিয়ে সংবাদমেল সম্বোধন কৰি কোনো কৰাণত ক্ষমা নোখোজাৰ কথা প্ৰকাশ কৰিছে। লগতে সমিতিয়ে কয় যে চুক্তি অনুসৰি জাতীয় সাজপাৰ পিন্ধি অনুষ্ঠান পৰিৱেশ কৰিব লাগিব বুলি উল্লেখ আছে। লগতে সমিতিয়ে কয় যে আমি দিগন্ত ভাৰতীক অমন্ত্ৰণ জনোৱা নাছিলো। মঞ্চলৈ মাতি নিয়া নাছিলো। কিন্তু যেতিয়া দিগন্ত ভাৰতীয়ে জাতীয় সাজপাৰ অবিহনে গীত পৰিৱেশন কৰিছিল তেতিয়া অনুষ্ঠান চাই থকা বহু শিল্পীয়ে অভিযোগ দিয়ে। তেতিয়া বিষয়ববীয়াই মঞ্চলৈ গৈ দিগন্ত ভাৰতীক গীত পৰিৱেশন নকৰিবলৈ কয়। কিন্তু দিগন্ত ভাৰতীয়ে গেৰগেৰাই উঠি মই কিয় নাগাম বুলি কয়। উপায় নোহোৱা হৈ মাইক্ৰ'ফোনটো লৈ আমি কৈছিলো যে আপুনি মঞ্চৰ পৰা তললৈ নামি আহক। যিহেতু আপুনি জিনছ পেণ্ট পৰিধান কৰি আহিছে। ক্ষমা খোজাৰ প্ৰশ্নই নাহে, কাৰণ আমি ভুলেই কৰা নাই। কাৰো ঘৰত গৈ মাননি প্ৰদানৰ নিয়ম আমাৰ সন্মিলনৰ নাই, সময়ত চুক্তিপত্ৰ শিল্পীসকলে লৈ আহি আমাৰ পৰা চেক লৈ যোৱাৰ নিয়ম আছে। লগতে সুৰাপানৰ অভিযোগ পূব গুৱাহাটী বিহু সন্মিলনীয়ে মানি নলয় বুলি দাবী কৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# গুৱাহাটীত প্ৰতিবাদ সাব্যস্ত যুৱ মৰ্চাৰ

তেওঁলোকৰ নেতাক ভুৱা গোচৰ লগাই হাৰাশাস্তি কৰাৰ অভিযোগ উত্থাপন কৰিছে। দেশৰ বিভিন্ন প্ৰান্তত কংগ্ৰেছ দলে প্ৰতিবাদ সাব্যস্ত কৰি ৰাজনৈতিক আখেজৰ বাবে ৰাহুল গান্ধী আৰু ছোনিয়া গান্ধীক হাৰাশাস্তি কৰাৰ অভিযোগ আনিছে। নেচনেল হেৰাল্ডৰ সা-সম্পত্তি গান্ধী পৰিয়ালে হস্তগত কৰাৰ অভিযোগত এইবাৰ ৰাজপথত নামিছে বিজেপি। গান্ধী পৰিয়ালৰ সপক্ষে কংগ্ৰেছ আৰু আজি বিপক্ষে ৰাজপথলৈ ওলাই আহিছে বিজেপিৰ নেতা-কৰ্মী। আজি ছোনিয়া গান্ধী, ৰাহুল গান্ধীক গ্ৰেপ্তাৰৰ দাবীত বিজেপিয়ে দেশজুৰি প্ৰতিবাদ সাব্যস্ত কৰে। আজি শাসকীয় বিজেপিয়ে নেচনেল হেৰাল্ড গোচৰত ৰাহুল গান্ধী, ছোনিয়া গান্ধীক গ্ৰেপ্তাৰৰ দাবী জনাই গুৱাহাটীতো প্ৰতিবাদ সাব্যস্ত কৰে। কংগ্ৰেছৰ শীৰ্ষ নেতৃত্ব গান্ধী পৰিয়ালক প্ৰৱৰ্তন সঞ্চালকালয় চমুকৈ ইডি লগাই হাৰাশাস্তি কৰাৰ অভিযোগত কংগ্ৰেছে দেশজুৰি প্ৰতিবাদ অব্যাহত ৰখাৰ সময়তে আজি বিজেপিৰ ভাতৃ সংগঠন যুৱ মৰ্চাই গুৱাহাটীত কংগ্ৰেছ দল আৰু নেতাৰ বিৰুদ্ধে শ্ল'গান দি প্ৰতিবাদ সাব্যস্ত কৰে। নেচনেল হেৰাল্ড সংবাদ গোষ্ঠীৰ সৈতে সম্পৰ্কিত বিত্তীয় লেনদেন সম্পৰ্কীয় অভিযোগক লৈ বিজেপি তৎপৰ হৈ থকাৰ সময়তে আজি প্ৰতিবাদ সাব্যস্ত কৰি নেচনেল হেৰাল্ড গোচৰক লৈ ৰাহুল গান্ধী আৰু ছোনিয়া গান্ধীক গ্ৰেপ্তাৰৰ দাবী জনায়। হেঙেৰাবাৰীত যুৱ মৰ্চাৰ নেতা-কৰ্মীয়ে হাতে হাতে প্লেকাৰ্ড, বেনাৰ লৈ উত্তাল প্ৰতিবাদ সাব্যস্ত কৰিছে। প্ৰতিবাদ সাব্যস্ত কৰি শীঘ্ৰে কংগ্ৰেছ নেতা ৰাহুল গান্ধী আৰু ছোনিয়া গান্ধীক গ্ৰেপ্তাৰ কৰাৰ দাবী জনাইছে। এই প্ৰতিবাদত যুৱ মৰ্চাৰ সভাপতি ৰাকেশ দাসৰ লগতে কেইবাগৰাকী আগশাৰীৰ নেতা উপস্থিত থাকে। ৰাকেশ দায়ে কয় যে কোটি কোটি টকাৰ নেচনেল হেৰাল্ড কেলেংকাৰিত অভিযুক্ত ছোনিয়া গান্ধী আৰু ৰাহুল গান্ধীৰ গোচৰত ক্ষিপ্ৰ তদন্ত কৰক। গান্ধী পৰিয়ালক বচাবলৈ ইডিৰ বিৰুদ্ধে মিছা অপবাদত লিপ্ত হোৱাৰ অভিযোগ আনি দাসে কয় যে সাংবিধানিক সন্থাৰ মৰ্যাদা হানি কৰাৰ অপচেষ্টা কৰা হৈছে। আনহাতে, ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই কয় যে ভাৰতীয় জনতা যুৱ মৰ্চাই কংগ্ৰেছৰ আন্দোলনৰ যি প্ৰহসন আৰু ৰাইজক বিভ্ৰান্ত কৰাৰ যি অপচেষ্টা তাৰ বিৰুদ্ধে শুদ্ধ তথ্যৰে ৰাইজক কংগ্ৰেছৰ দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ স্বৰূপটো উদঙাই দিয়াৰ বাবে আজি বৃহৎ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ভাৰতীয় জনতা যুৱ মৰ্চাৰ উদ্যোগত আয়োজিত এই কাৰ্যসূচীত ৰাইজৰ উপস্থিতি আৰু যুৱ মৰ্চাৰ কাৰ্যকৰ্তাসকলৰ অংশগ্ৰহণে গান্ধী পৰিয়ালৰ লগতে কংগ্ৰেছ দলৰ ভ্ৰষ্টাচাৰী স্বৰূপ উদঙাই দিছে। ছোনিয়া গান্ধী আৰু ৰাহুল গান্ধীক ক্ষিপ্ৰ তদন্তৰে অতি সোনকালে গ্ৰেপ্তাৰ কৰিবলৈ যুৱ মৰ্চাই দাবী জনাইছে। অনাগত দিনতো বিজেপিৰ ভাতৃ সংগঠনটোৱে প্ৰতিবাদ কৰাৰ হুংকাৰ দিয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অসন্তুষ্টি প্ৰকাশ কৰি ভূপেনলৈ পত্ৰ অখিল

বিহুৰ উছাহৰ মাজতে ৰাজ্যত ক্ৰমাৎ তীব্ৰতৰ হৈছে নিৰ্বাচনকেন্দ্ৰিক বৰদৈচিলা। কিন্তু নিৰ্বাচনৰ এই ধামখুমীয়াৰ মাজত আকৌ এবাৰ সংবাদ শিৰোনাম হৈ পৰিছে বিৰোধীৰ থৰক-বৰক ঐক্য মঞ্চ। শিৱসাগৰৰ বিধায়ক তথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে দ্বিতীয় ব'হাগৰ দিনটোত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰালৈ এখন পত্ৰ লিখি শিৱসাগৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত জিলা পৰিষদৰ আসনৰ বাবে কংগ্ৰেছে যি ধৰণে প্ৰাৰ্থী ঘোষণা কৰিছে সেয়া অনৈতিক আৰু অবিবেচক বুলি অভিযোগ উত্থাপন কৰাৰ পিছতে পুনৰ স্পষ্ট হৈ পৰিছে বিৰোধী ঐক্যৰ কন্দল। পত্ৰখনত অখিল গগৈয়ে কয় যে শিৱসাগৰ এল এ চিৰ অধীনত থকা ৬ খন জিলা পৰিষদৰ আসনৰ ভিতৰত ৰাইজৰ দলে ৪ খন আসনত প্ৰাৰ্থী প্ৰক্ষেপ কৰিব বিচাৰিছে আৰু বাকী ২ খন আসন কংগ্ৰেছৰ হাতত এৰি দিবলৈ ইচ্ছুক। শিৱসাগৰত তেওঁলোকৰ দলে বিধায়ক নিৰ্বাচিত হোৱা বাবে তেওঁলোকৰ সংগঠন আৰু সাধাৰণ মানুহৰ মাজত প্ৰভাৱ কংগ্ৰেছতকৈ বহু বেছি। কিন্তু কংগ্ৰেছে ছখন আসনতে প্ৰাৰ্থী প্ৰক্ষেপ কৰিছে। ৰংপুৰৰ আসন সন্দৰ্ভত অখিলে তেওঁৰ পত্ৰত কংগ্ৰেছক পোনপটীয়াকৈ সমালোচনা কৰে। তেওঁ লিখিছে, "কংগ্ৰেছে ৰংপুৰ জিলা পৰিষদৰ আসনত সংখ্যালঘু মহিলা প্ৰাৰ্থীক মনোনীত কৰিছে যদিও সেই আসনত সংখ্যালঘু ভোট মাত্ৰ ২০ শতাংশ। ইয়াৰ ফলত সংখ্যালঘু ভোটৰ মাজত স্পষ্ট বিভাজন হ'ব আৰু বিজেপি-অগপ মিত্ৰতাই ইয়াৰ সুবিধা ল'ব।" তেওঁ আৰু লিখিছে যে কংগ্ৰেছৰ তৃণমূল পৰ্যায়ৰ নেতা-কৰ্মীসকলে শাসকীয় দলৰ সৈতে এনে আসন চুক্তিৰ পক্ষত আছে যদিও একাংশ শীৰ্ষ কংগ্ৰেছ নেতাৰ হস্তক্ষেপৰ বাবে মিত্ৰতাৰ পথ বন্ধ হৈ আছে। অখিল গগৈয়ে ভূপেন বৰাক এই পৰিস্থিতিত ব্যক্তিগতভাৱে হস্তক্ষেপ কৰিবলৈ আহ্বান জনায়। এই পত্ৰত তেওঁ অসম বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়া আৰু যোৰহাটৰ সাংসদ গৌৰৱ গগৈকো হস্তক্ষেপ কৰিবলৈ আহ্বান জনায়। লক্ষণীয়ভাৱে অখিল গগৈয়ে দাবী কৰিছে যে ইয়াৰ পূৰ্বে কংগ্ৰেছৰ সংবাদ মাধ্যমৰ মুৰব্বী বেদব্ৰত বৰাৰ সৈতেও বিষয়টো আলোচনা কৰা হৈছিল আৰু তেওঁৰ সঁহাৰিও ইতিবাচক আছিল। কিন্তু ইয়াৰ পিছতো কংগ্ৰেছে কোনো প্ৰকৃত ব্যৱস্থা গ্ৰহণ কৰা নাই বুলি অভিযোগ উত্থাপন হৈছে। চিঠিখনৰ শেষত গগৈয়ে স্পষ্টকৈ উল্লেখ কৰে, "আমি আশাবাদী ১৭ এপ্ৰিলৰ ভিতৰত বিষয়টো সমাধান হ'ব আৰু প্ৰাৰ্থিত্ব প্ৰত্যাহাৰৰ জৰিয়তে আপোচ সম্ভৱ হ'ব।" অখিলে মিত্ৰতাৰ কথা কয় যদিও কংগ্ৰেছে গুৰুত্ব দিয়া দেখা নাযায়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অসমত আৰম্ভ বিহাৰৰ 'জংগল ৰাজ'!

কয় যে ৰাজ্যত এতিয়া ভয় আৰু দমনৰ পৰিৱেশৰ সৃষ্টি হৈছে। তেওঁ অভিযোগ কৰে যে আৰক্ষীক ৰাজনৈতিক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰি বিৰোধীৰ কণ্ঠ ৰোধ কৰি সাধাৰণ মানুহক হাৰাশাস্তি কৰা হৈছে। গৌৰৱ গগৈয়ে দাবী কৰে, "পঞ্চায়ত নিৰ্বাচনৰ সময়ত বিৰোধীক লক্ষ্য কৰি যিদৰে আৰক্ষীক ব্যৱহাৰ কৰা হৈছে, সেয়া সঁচাকৈয়ে ভয়ংকৰ। অসমৰ স্থানীয় পৰ্যায়ৰ নিৰ্বাচনত এনেধৰণৰ প্ৰকাশ্য ক্ষমতাৰ অপব্যৱহাৰ আগতে কেতিয়াও দেখা পোৱা নাই। বৰ্তমানৰ ৰাজ্য প্ৰশাসন বিহাৰৰ পুৰণি দিনৰ 'জংগল ৰাজ'ৰ দৰেই হৈ পৰিছে। ভুৱা এনকাউণ্টাৰৰ পৰা আৰম্ভ কৰি ভুৱা গোচৰত বন্দী কৰালৈকে- এই চৰকাৰে গণতান্ত্ৰিক শালীনতাৰ সকলো সীমা অতিক্ৰম কৰিছে।" তেওঁৰ অভিযোগ যে এই দমনৰ কৌশল সমাজৰ প্ৰতিটো স্তৰতে বিয়পি পৰিছে। "সাংবাদিক, বিশ্ববিদ্যালয়ৰ নেতা, অধিবক্তা- চৰকাৰে কাকো ৰেহাই দিয়া নাই। চৰকাৰৰ বিৰুদ্ধে মাত মাতিলে যিকোনো ব্যক্তিৰ বিৰুদ্ধে মিছা অভিযোগ উত্থাপন কৰা হৈছে। কিন্তু মানুহ নিমাত নহয়। এই নৱবৰ্ষৰ দিনটোত আমি ভয়ৰ ৰাজনীতিৰ বিৰুদ্ধে মাত মাতিম। আমি এই ভয়ৰ পৰিৱেশক বিদায় দিয়াৰ সংকল্প লৈছো।" -গৌৰৱ গগৈয়ে কয়। একে সময়তে পবিত্ৰ মাৰ্ঘেৰিটাৰ উন্নয়নৰ দাবীক ভুৱা আখ্যা দিয়ে গৌৰৱ গগৈয়ে। তেওঁ কয়, "ৰাজ্যসভাৰ সাংসদসকলৰ কোনো নিৰ্দিষ্ট সমষ্টি নাই। গতিকে এতিয়া প্ৰচাৰত ডাঙৰ ডাঙৰ প্ৰতিশ্ৰুতি দিয়াটো সহজ। কিন্তু উন্নয়ন কেৱল শব্দৰে নহয়, ইয়াৰ বাবে দায়িত্বৰ প্ৰয়োজন। আৰু এই চৰকাৰে সেই দায়িত্ব লোৱাত সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে।" গগৈয়ে নগৰ অঞ্চলৰ অপব্যৱস্থাপনাৰ বাবেও চৰকাৰক সমালোচনা কৰে। তেওঁ কয়, "এই চৰকাৰখনে ফ্লাই অভাৰ নিৰ্মাণৰ ওপৰত জোৰ দিছে। যদিহে সুযোগ দিয়া হয় তেন্তে এখন ফ্লাই অভাৰৰ ওপৰত আন এখন নিৰ্মাণ কৰিব। কিন্তু পৌৰসভাৰ দুৰ্বল অৱস্থা, আৱৰ্জনা ব্যৱস্থাপনাৰ বিশৃংখলতা আৰু নাগৰিক সেৱাৰ দুৰ্বল অৱস্থাৰ প্ৰতি কোনেও গুৰুত্ব দিয়া নাই। প্ৰশাসনিক বিফলতা আজি চৰম পৰ্যায়ত উপনীত হৈছে।" গণতন্ত্ৰ আৰু জনমতক সন্মান জনোৱা দায়িত্বশীল শাসন ব্যৱস্থা পুনৰুদ্ধাৰৰ আহ্বান জনাই গগৈয়ে কয়, "অসমৰ জনসাধাৰণ মূৰ্খ নহয়। তেওঁলোকে এতিয়া সকলো বুজি পাইছে। আৰু এই বোধগম্যতাৰ প্ৰতিফলন বেলট বাকচত দেখা যাব। পঞ্চায়ত নিৰ্বাচন গণ জাগৰণৰ প্ৰতিফলন হ'ব।"

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰাৰ্থীক হোটেলত ৰাখি বাহিৰত পহৰা

বন্দী কৰি ৰাখিবলগীয়া হোৱাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। কাছাৰ জিলাত ভয়-ভাবুকি দি প্ৰাৰ্থীক মনোনয়ন প্ৰত্যাহাৰ কৰিবলৈ হেঁচা দিয়াৰ অভিযোগত কংগ্ৰেছে হোটেলত প্ৰাৰ্থীক লুকুৱাই ৰাখিবলৈ বাধ্য হৈছে। কাছাৰৰ ৰাজনীতিত প্ৰথমবাৰ পঞ্চায়ত নিৰ্বাচনত নোহোৱা-নোপোজা ঘটনা সংঘটিত হৈছে। বিজেপিৰ হাতত প্ৰাৰ্থী বিক্ৰী হোৱাৰ ভয়ত কাছাৰ জিলা কংগ্ৰেছে হোটেলত লুকুৱাই ৰাখিছে বিভিন্ন জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়ত সদস্যৰ প্ৰাৰ্থীসকলক। শিলচৰসহ জিলাখনৰ বিভিন্ন হোটেলত দলীয় প্ৰাৰ্থীসকলক লুকুৱাই ৰাখি বাহিৰত পহৰা দি আছে কাছাৰ জিলা কংগ্ৰেছৰ নেতা-কৰ্মীসকলে। শিলচৰ চহৰৰ মাজমজিয়াত দেখা গৈছে এই দৃশ্য। হোটেলৰ ভিতৰত প্ৰাৰ্থীসকলক বন্দী কৰি ৰাখি বাহিৰত জিলা কংগ্ৰেছৰ কৰ্মীসকলে পহৰা দিছে। মনোনয়ন-পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিনটোত বিজেপি নেতাই যাতে কোনোপধ্যে কংগ্ৰেছ প্ৰাৰ্থীসকলক সাক্ষাৎ কৰিব নোৱাৰে। বিজেপিয়ে কংগ্ৰেছ প্ৰাৰ্থীসকলক ভয়-ভাবুকি দি মনোনয়ন-পত্ৰ প্ৰত্যাহাৰ কৰিবলৈ বাধ্য কৰিব। সেই আশংকাত প্ৰাৰ্থীসকলক হোটেলত বন্দী কৰি ৰাখিছে কংগ্ৰেছে। কংগ্ৰেছে লুকুৱাই ৰখা এই প্ৰাৰ্থীসকলৰ মাজত কেইবাজনো মহিলা প্ৰাৰ্থীও আছে বুলি জানিব পৰা গৈছে। ঘটনা সন্দৰ্ভত কাছাৰ জিলা কংগ্ৰেছৰ সভাপতি অভিজিৎ পালে কয় যে কংগ্ৰেছ প্ৰাৰ্থীসকলৰ মনোনয়ন-পত্ৰ পুনৰীক্ষণৰ পিছৰে পৰা বিজেপিয়ে প্ৰাৰ্থীসকলক ভয়-ভাবুকিসহ বিভিন্ন প্ৰলোভন দি মনোনয়ন-পত্ৰ প্ৰত্যাহাৰৰ বাবে হেঁচা প্ৰয়োগ কৰিছে। বিশেষকৈ কাছাৰৰ হিন্দু অধ্যুষিত জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়ত সদস্য আসনত প্ৰতিদ্বন্দ্বিতা কৰা কংগ্ৰেছ প্ৰাৰ্থীসকলক লক্ষ্য কৰি লৈছে বিজেপিয়ে। কংগ্ৰেছ প্ৰাৰ্থীসকলক বিভিন্ন প্ৰলোভন, ভয়-ভাবুকি দেখুৱাই মনোনয়ন-পত্ৰ প্ৰত্যাহাৰ কৰোৱাই বিনা প্ৰতিদ্বন্দ্বিতাৰে আসন দখল কৰিব বিচাৰিছে বিজেপিয়ে। সেয়ে কাছাৰ জিলাৰ কংগ্ৰেছ প্ৰাৰ্থীসকলক বিভিন্ন স্থানৰ হোটেলত লুকুৱাই ৰখা হৈছে বুলি নিজ মুখে স্বীকাৰ কৰে সভাপতি অভিজিৎ পালে। মনোনয়ন-পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিনালৈকে কংগ্ৰেছ প্ৰাৰ্থীসকলক হোটেলত ৰখা হ'ব বুলি উল্লেখ কৰিছে অভিজিৎ পালে। এই ৰাজনীতিত কংগ্ৰেছ সফল হবনে ?

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ১ অক্টোবৰৰ পৰা দৰমহা বাঢ়িব

থকা বন বিভাগৰ কাজিৰ ৰংহাংপী সোঁৱৰণী অতিথিশালালৈ যায় আৰু তাত ২০২১ চনৰ ৪ ছেপ্টেম্বৰত কেন্দ্ৰ-ৰাজ্যৰ সৈতে চুক্তি স্বাক্ষৰ কৰা বিদ্ৰোহী সংগঠন ৬ টাৰ নেতৃত্বৰ লগত আলোচনাত মিলিত হয়। এই আলোচনাত চুক্তি ৰূপায়ণৰ বিষয়ে আলোচনা হোৱাৰ লগতে সংবিধানৰ ১২৫ সংখ্যক সংশোধনীৰ লগতে সংগঠনটোৰ নেতা-কেডাৰৰ বিৰুদ্ধে থকা গোচৰসমূহ প্ৰত্যাহাৰৰ ক্ষেত্ৰতো আলোচনা অনুষ্ঠিত হয়। ৬ টা বিদ্ৰোহী সংগঠনৰ নেতৃবৰ্গই এই আলোচনা ফলপ্ৰসূ হোৱা বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰাৰ লগতে পৰিষদৰ আসন ৪৪ লৈ বৃদ্ধি পালে তেওঁলোকক ৰাজনৈতিক সংস্থাপনৰ ক্ষেত্ৰতো মুখ্যমন্ত্ৰীয়ে আশ্বাস প্ৰদান কৰা বুলি জানিবলৈ দিয়ে। ইয়াৰ পিছতেই ভৈয়ামৰ কাৰ্বি সংগঠনৰ সৈতে আলোচনাত মিলিত হয় মুখ্যমন্ত্ৰী। মূলতঃ দুটা মূল দাবীৰ ওপৰত ভৈয়াম কাৰ্বি সংগঠনসমূহৰ সৈতে আলোচনাত বহে মুখ্যমন্ত্ৰীগৰাকী। মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁলোকৰ মূল দাবী জনজাতীয় মৰ্যাদা প্ৰদান কৰা আৰু এখন ভৈয়াম কাৰ্বি উন্নয়ন পৰিষদ গঠনৰ ক্ষেত্ৰত ইতিবাচক মত প্ৰকাশ কৰা বুলি নেতৃবৰ্গই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত বিদ্ৰোহী সংগঠনসমূহৰ চুক্তিক কেন্দ্ৰ কৰি তেওঁলোকৰ দাবীসমূহ শীঘ্ৰে সম্পূৰ্ণ কৰা হ'ব বুলি প্ৰকাশ কৰাৰ লগতে গোচৰসমূহ প্ৰত্যাহাৰৰ প্ৰক্ৰিয়াও শীঘ্ৰে আৰম্ভ হ'ব বুলি কয়। ভৈয়ামৰ কাৰ্বিসকলৰ জনজাতিকৰণৰ দাবী আৰু উন্নয়ন পৰিষদ গঠনৰ বিষয়ে মুখ্যমন্ত্ৰীগৰাকীয়ে এই বিষয়ে শীঘ্ৰে সিদ্ধান্ত গ্ৰহণ কৰা হ'ব বুলি উল্লেখ কৰি এই বিষয়কেইটা বিদ্ৰোহী চুক্তিত অন্তৰ্ভুক্ত থকাৰ বাবে বিশেষ অসুবিধা নহয় বুলিও মন্তব্য কৰে। আনহাতে, অসমীয়া ভাষাক চৰকাৰী ভাষাৰূপে কাৰ্যালয়ত ব্যৱহাৰ কৰা সন্দৰ্ভত জিলাজুৰি হোৱা প্ৰতিবাদৰ বিষয়টো সন্দৰ্ভত কয় যে কাৰ্বি সাহিত্য সভা, স্বায়ত্তশাসিত পৰিষদ আদিৰ সৈতে আলোচনা কৰি বিষয়টো মীমাংসা কৰা হ'ব। আনহাতে, কাৰ্বি আংলং জিলাত বিভিন্ন দল-সংগঠনে সৈনিক স্কুল স্থাপন কৰা আম্বানিৰ কমপ্ৰেছড বায়'গেছ প্ৰকল্প আৰু আন উন্নয়নমূলক আঁচনিৰ বিৰুদ্ধে হোৱা প্ৰতিবাদ সম্পৰ্কে মুখ্যমন্ত্ৰীয়ে কয় যে সৈনিক স্কুল হ'লে দেশৰ মানচিত্ৰত কাৰ্বি আংলঙে আৰু ভালকৈ স্থান পাব। ৰিলায়েঞ্চৰ বায়'গেছ প্ৰকল্প হ'লে কাৰ্বি আংলঙৰ মানুহে নেপিয়াৰ ঘাঁহ ৰোপণ কৰি দুপইচা পাব। কাৰ্বি আংলঙত উদ্যোগ হ'লে ইয়াৰ মানুহ ধনী হ'ব, গতিকে ইয়াৰ মানুহে ইয়াক আদৰি ল'বহে লাগে। ইয়াৰ বিৰোধিতা কৰিলে মোৰ কৰিবলগীয়া একো নাই। কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদক অসম চৰকাৰৰ জৰিয়তে প্ৰদান কৰিবলগীয়া সকলো ক্ষমতা মই ইতিমধ্যে প্ৰদান কৰিছো। ইয়াৰ বাহিৰে মই কৰিবলগীয়া আন একো নাই। পঞ্চায়ত নিৰ্বাচনত কংগ্ৰেছ দলে বিজেপিয়ে আৰক্ষী আৰু প্ৰশাসনক ভয়-ভাবুকি প্ৰদানৰ বাবে ব্যৱহাৰ কৰাৰ অভিযোগ সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে জিলা পৰিষদ, পঞ্চায়তৰ কেইবাশ আসন আছে। সকলোতে যদি এনে হ'লেহেঁতেন অসমৰ সকলো প্ৰান্তৰে পৰা এনে বাতৰি প্ৰকাশ পালেহেঁতেন। প্ৰদ্যুৎ বৰদলৈ আৰু ভুপেন বৰাইহে কৈ আছে। নিৰ্বাচনত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীসকলে এনে অভিযোগ অনা নাই। স্বায়ত্তশাসিত ৰাজ্য দাবী বিষয়টো সন্দৰ্ভত পৰিষদক বৰ্তমান সৰ্বোচ্চ ক্ষমতা অৰ্পণ কৰা বুলি মুখ্যমন্ত্ৰী শৰ্মাই কয়। কাৰ্বি আংলঙৰ পিজিআৰ-ভিজিআৰ বিবদমান ভূমি সম্পৰ্কে মুখ্যমন্ত্ৰীগৰাকীয়ে এয়া উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ বুলি উল্লেখ কৰি এই ভূমিত মই এটা সুন্দৰ বিমান বন্দৰ নিৰ্মাণৰ প্ৰস্তাৱ দিছো। তাত বসবাস কৰা লোকসকলক মাটিৰ ক্ষতিপূৰণ দিয়াৰ লগতে সংস্থাপনো দিয়াৰ পোষকতা কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। ইপিনে, অসমৰ সকলো প্ৰান্ততে সকলো জাতি-জনগোষ্ঠী মিলা-প্ৰীতিৰে থকাটো বিচাৰো বুলি উল্লেখ কৰি কাজিয়া কৰি নহয় সকলো জাতিয়ে মিলিজুলি থাকিব লাগিব বুলি কয়। কাৰ্বি আংলঙলৈ নতুনকৈ বাহিৰৰ মানুহ আহিব নালাগে বুলি উল্লেখ কৰি যুগ যুগ ধৰি বসবাস কৰি অহা জাতি-জনগোষ্ঠীৰ লোকসকল সম্প্ৰীতিৰে বাস কৰিব লাগে বুলি পৰামৰ্শ দিয়ে। ইয়াৰ পিছতেই মুখ্যমন্ত্ৰীগৰাকীয়ে ডিফু চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত হোৱা জিলাখনৰ অংগনবাড়ী আৰু সহায়িকাসকলৰ বাবে পৰিষদে প্ৰদান কৰা বিভিন্ন অনুদান প্ৰদানৰ এখন সভাত অংশ গ্ৰহণ কৰে। বিশাল সভাখনত অংশ গ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে অহা ১ অক্টোবৰৰ পৰা অংগনবাড়ী আৰু সহায়িকাসকলৰ দৰমহা বৃদ্ধি কৰা হ'ব বুলি ঘোষণা কৰে। এতিয়াবে পৰা আৰু আন্দোলন কৰিব নালাগে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে অসমীয়া আপ্তবাক্য 'যি মূলা বাঢ়ে তাৰ দুপাততে চিন' আপ্তবাক্য শাৰী আওৱাই কয় যে অংগনবাড়ী শিক্ষক আৰু সহায়িকাসকলে ল'ৰা-ছোৱালীক শিক্ষাৰ প্ৰতি আগ্ৰহী কৰি তুলিব লাগিব। কাৰ্বি আংলঙৰ শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট কৰিবলগীয়া আছে বুলি উল্লেখ কৰি অহা ডিচেম্বৰ মাহৰ ভিতৰত জিলাখনত কৃষি মহাবিদ্যালয়, পশু মহাবিদ্যালয়, অভিযান্ত্ৰিক মহাবিদ্যালয় আৰম্ভ হ'ব বুলিও ঘোষণা কৰে। সভাতেই মুখ্যমন্ত্ৰীগৰাকীয়ে কাৰ্বি আংলং জিলাত যিমান উন্নয়নমূলক আঁচনি ৰূপায়ণ হৈছে তেনে আঁচনি অসমৰ কোনো এখন জিলাতেই হোৱা নাই বুলি দাবী কৰে। উক্ত সভাতেই লাখপতি মহিলা আঁচনিৰ আনুষ্ঠানিক উদ্বোধন কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। এই আঁচনি পঞ্চায়ত নিৰ্বাচনৰ পিছত অসমৰ সকলো জিলাতে আৰম্ভ হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়। আনহাতে, মেট্ৰিক পৰীক্ষাৰ্থীসকলক প্ৰয়োজনীয় সামগ্ৰী ক্ৰয় কৰাৰ বাবে এটা বছৰৰ বাবে ৩০০ টকাকৈ আৰু স্নাতক ছাত্ৰ-ছাত্ৰীক ২৫০০ টকাকৈ প্ৰদান কৰাৰ কথাও মুখ্যমন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে। ইয়াৰ পিছতেই মুখ্যমন্ত্ৰীগৰাকীয়ে ঐতিহ্যমণ্ডিত ডিফু ক্লাবত উপস্থিত হৈ সুধাকণ্ঠ ডঃ ভুপেন হাজৰিকাৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন কৰাৰ লগতে এটা সমূহীয়া ভৱনো উদ্বোধন কৰে। ভুপেন হাজৰিকা সোঁৱৰণী এটা প্ৰেক্ষাগৃহ নিৰ্মাণৰ বাবে ১ কোটি টকা প্ৰদান কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে ডিফু ক্লাবত ঘোষণা কৰে। সন্ধিয়া ৫ বজাত মুখ্যমন্ত্ৰীগৰাকীয়ে জিলাখনৰ সাংসদ, বিধায়ক, মুখ্য কাৰ্যবাহী সদস্য, কাৰ্যবাহী সদস্য, দুয়োখন জিলাৰ বিজেপি সভাপতি আৰু দলীয় নেতা-কৰ্মীৰ সৈতে এখন বৈঠকতো অংশ গ্ৰহণ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পুনৰ অসম আৰক্ষীৰ জালত ৫

বাংলাদেশত গণ অভ্যুত্থানৰ পিছতে শ-শ বাংলাদেশীয়ে ভাৰতত প্ৰৱেশৰ চেষ্টা কৰাৰ ফলত ভাৰতৰ নিৰাপত্তাৰক্ষী সষ্টম হৈ আছে। প্ৰতিনিদি বাংলাদেশী নাগৰিক জালত পৰাৰ পিছতে পুনৰ অসম আৰক্ষীৰ জালত পৰিছে বাংলাদেশী নাগৰিক। আজি বাংলাদেশৰ পৰা অবৈধভাৱে ভাৰতত অনুপ্ৰৱেশ কৰিবলৈ চেষ্টা কৰা পাঁচ বাংলাদেশীক ধৰিবলৈ সক্ষম হৈছে অসম আৰক্ষীয়ে।শ্ৰীভূমি আৰক্ষীয়ে বাংলাদেশ সীমান্তত অসমত প্ৰৱেশৰ চেষ্টা কৰাৰ সময়তে আটক কৰে। বাংলাদেশী কেইজন হৈছে আব্দুল্লা, আনছাৰুল্লা, ৰোছিদ আহমদ, মোঃ কালিম মুল্লা আৰু হেপ্পী শ্বেখ। আটাইকেইজন সন্দেহযুক্ত বাংলাদেশীক আটক কৰি সোধা-পোছা কৰা হয়। আটক কৰাৰ পিছত উভতাই বাংলাদেশলৈ প্ৰেৰণ কৰা হয়। ইয়াৰ কিছুদিন পূৰ্বে ৫ বাংলাদেশীক অনুৰূপ ধৰণে আটক কৰি বাংলাদেশলৈ ওভতাই পঠিয়ায় আৰক্ষীয়ে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

শুৱালকুছিত বিজেপিৰ নেতা-কৰ্মীৰ কৰ্ম-কাণ্ডত হতভম্ভ গণতন্ত্ৰপ্ৰেমী

# বিৰোধীক ভয়-ভাবুকিৰে প্ৰাৰ্থিত্ব প্ৰত্যাহাৰৰ হেঁচা বিজেপিৰ

**ই-সংবাদ, শুৱালকুছি, ১৭ এপ্ৰিলঃ** সমাগত পঞ্চায়ত নিৰ্বাচন। পঞ্চায়ত নিৰ্বাচনৰ বাবে এতিয়া তুংগত উঠিছে প্ৰস্তুতি। ২ আৰু ৭ মে'ত অনুষ্ঠিত হ'ব পঞ্চায়ত নিৰ্বাচন। পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ মনোনয়ন প্ৰত্যাহাৰৰ আজি অন্তিম দিন। অন্তিম দিনটোৰ পূৰ্বে শাসকীয় দল বিজেপিৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে তৃণমূল কংগ্ৰেছৰ মনোনীত পঞ্চায়ত প্ৰাৰ্থী মৌচুমী দাসে। শাসকীয় শেষাংশ ৯ পৃষ্ঠাত



সীমান্তত পহৰা দিবলৈ সাজু সীমান্ত সুৰক্ষা বাহিনীৰ বিশেষ বাহিনী কে-৯, ফটোঃ ছ'চিয়েল মিডিয়া

# অজাপ নেতা প্ৰয়াত টংকেশ্বৰ কোঁৱৰলৈ শেষ শ্ৰদ্ধাঞ্জলি

**ই-সংবাদ, মথুৰাপুৰ, ১৭ এপ্ৰিলঃ** বুধবাৰে চৰাইদেউ জিলাৰ টেঙাপুখুৰী ধোদৰ আলিত সংঘটিত হোৱা এক পথ দুৰ্ঘটনাত মৃত্যু বৰণ কৰা টংকেশ্বৰ কোঁৱৰ চৰাইদেউ জিলাৰ এজন সমাজকৰ্মী তথা অসম চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী হিৰণ্য কোঁৱৰৰ ভাতৃ, শেষাংশ ৯ পৃষ্ঠাত

# আৰক্ষী বিষয়াৰ প্ৰেম প্ৰতাৰণাত যুৱকৰ আত্মহত্যা

**ই-সংবাদ, গোলকগঞ্জ, ১৭ এপ্ৰিলঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ এগৰাকী উপ-পৰিদৰ্শকৰ প্ৰেম প্ৰৱঞ্চনাৰ বলি হৈ কালডোৱা প্ৰথম খণ্ড গাঁৱৰ যুৱক এজনে যোৱানিশা চিপ লৈ আত্মহত্যা কৰা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ ১০ পৃষ্ঠাত

# বঙালমৰাত ভয়ংকৰ কাণ্ড! ধৰ্ষণ কৰি পথৰ কাষত পেলাই থৈ গ'ল যুৱতীক

**ই-সংবাদ, ১৭ এপ্ৰিলঃ** লখিমপুৰ জিলাৰ বঙালমৰা অঞ্চলত সংঘটিত এক নৃশংস ঘটনাত এজনী কিশোৰীক ধৰ্ষণ কৰি গম্ভীৰভাৱে আহত অৱস্থাত ৰাস্তাৰ কাষত পেলাই থোৱা হৈছে। স্থানীয় লোকে আহত কিশোৰীক উদ্ধাৰ কৰি লখিমপুৰ মেডিকেল শেষাংশ ১০ পৃষ্ঠাত

# চামগুৰি-পুৰণিগুদামত ভূ-মাফিয়াৰ দপদপনি

## নীৰৱ বন বিভাগ

**ই-সংবাদ, পুৰণিগুদাম, ১৭ এপ্ৰিলঃ** ৰাজ্যৰ ভিন্ন স্থানৰ লগতে নগাঁও জিলাৰ চামগুৰি ৰাজহ চক্ৰৰ অন্তৰ্গত বিভিন্ন অঞ্চলত চলিছে ডাম্পাৰৰ অবাধ দৌৰাত্ম্য। কেইজনমান ভূ-মাফিয়াৰ সহযোগত চামগুৰিৰ বিভিন্ন স্থানৰ লগতে তেলীয়াগাঁও, আমনি, পুৰণিগুদাম, ভৰাগুৰি, কুৰুৱাজান, হাতীৰগাঁও আদি অঞ্চলৰ পথাৰসমূহত দিনে-নিশাই শেষাংশ ১০ পৃষ্ঠাত

# চাইবাৰ অপৰাধীক ধৰিবলৈ মৰিগাঁৱত মুম্বাই আৰক্ষী

**ই-সংবাদ, লাহৰীঘাট, ১৭ এপ্ৰিলঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত চাইবাৰ অপৰাধীৰ বিৰুদ্ধে আৰক্ষীয়ে অভিযান চলাই পুনৰ পাঁচটাকৈ চাইবাৰ অপৰাধীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। লাহৰীঘাটৰ বিভিন্ন স্থানত যোৱানিশা লাহৰীঘাট শেষাংশ ১০ পৃষ্ঠাত

টুলুঙা অজুহাতেৰে নিৰ্বাচনী দায়িত্বৰ পৰা পলায়নৰ চেষ্টা একাংশ কৰ্মচাৰীৰ

# নিৰ্বাচনী দায়িত্বত গাফিলতি, ৬ গৰাকী কৰ্মচাৰীলৈ কৈফিয়ৎ তলব

**ই-সংবাদ, সৰুপথাৰ, ১৭ এপ্ৰিলঃ** আগন্তুক পঞ্চায়ত নিৰ্বাচন সম্পৰ্কীয় দায়িত্বৰ ক্ষেত্ৰত অৱহেলা কৰিব বিচৰাসকলৰ প্ৰতি গোলাঘাট জিলা নিৰ্বাচনী বিষয়া যথেষ্ট দৃঢ় হোৱা পৰিলক্ষিত হৈছে। জিলা নিৰ্বাচনী বিষয়াৰ তৰফৰ পৰা আজি জাৰি কৰা এক প্ৰেছ বিজ্ঞপ্তিত উল্লেখ থকা মতে, আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ দায়িত্ব পালনৰ বাবে নিয়োজিত একাংশ কৰ্মচাৰীয়ে দায়িত্বৰ পৰা ৰেহাই পাবলৈ আবেদন কৰিছে। তাৰে কিছুসংখ্যক আবেদন যুক্তিসংগত যদিও কিছুসংখ্যকে টুলুঙা আৰু বিচাৰৰ ১০ পৃষ্ঠাত

# নলবাৰীত যুৱ মৰ্চাৰ ৰাহুল গান্ধীৰ প্ৰতিকৃতি দাহ

**ই-সংবাদ ব্যুৰ', নলবাৰী, ১৭ এপ্ৰিলঃ** ৰাজ্যৰ প্ৰান্তে প্ৰান্তে আজি শাসকীয় বিজেপিৰ ভাতৃ সংগঠন যুৱ-মৰ্চাই প্ৰতিবাদ সাব্যস্ত কৰে। ছোনিয়া গান্ধী আৰু ৰাহুল গান্ধীক গ্ৰেপ্তাৰৰ দাবীত গুৱাহাটী মহানগৰীৰ লগতে ভাৰতীয় জনতা যুৱ শেষাংশ ৯ পৃষ্ঠাত

# খেনোক দেখি ৰন্ধা-বঢ়া, খেনোক দেখি দুৱাৰ মৰা নীতি!

## নিৰ্বাচন আয়োগৰ দায়িত্বপ্ৰাপ্ত বিষয়াৰ বিৰুদ্ধে পক্ষপাতিত্বৰ গুৰুতৰ অভিযোগ

**ই-সংবাদ, মৰিগাঁও, ১৭ এপ্ৰিলঃ** ৰাজ্যৰ নিৰ্বাচন আয়োগে অনুষ্ঠিত কৰা পঞ্চায়ত নিৰ্বাচনৰ দায়িত্বত থকা একাংশ বিষয়া-কৰ্মচাৰীয়ে পক্ষপাতিত্বমূলক আচৰণ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। মৰিগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰঙাবাৰী গাঁও পঞ্চায়তৰ ৪ নং ৱাৰ্ডৰ নিৰ্দলীয় প্ৰাৰ্থী বুধেশ্বৰ বৰাই সংবাদ মাধ্যমৰ আগত এই অভিযোগ উত্থাপন কৰাৰ পিছতেই চৌদিশে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। নিৰ্দলীয় প্ৰাৰ্থী বৰাই অভিযোগ কৰি কয়, "মই নিৰ্বাচন আয়োগৰ বিধি অনুসৰি মনোনয়ন-পত্ৰ দাখিল কৰিছোঁ। সকলো তথ্য শুদ্ধ থকাৰ পিছত সমবায় লিমিটেডৰ সুলভ মূল্যৰ এজেন্টৰ অনুজ্ঞাপত্ৰখন মোৰ নামত থকাৰ বাবেই মোৰ মনোনয়ন- শেষাংশ ৯ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পঞ্চায়তে পঞ্চায়তে ভয়-ভাবুকিৰ ভয়ংকৰ

কৰিবলৈ ভাবুকি দিয়াৰ অভিযোগ উঠিছে। ইতিমধ্যে কাছাৰ জিলা, ধুবুৰী জিলা, মৰিগাঁও জিলাত জিলা আৰু আঞ্চলিক পঞ্চায়তৰ ২৩৪ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰা বুলি জানিব পৰা গৈছে। ৱাৰ্ড সদস্যসহ মুঠ ৫০০ প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰিছে বুলি জানিব পৰা গৈছে। কাছাৰ জিলাত সৰ্বাধিক মনোনয়ন-পত্ৰ প্ৰত্যাহাৰ কৰা হৈছে। ধুবুৰী জিলা আৰু মৰিগাঁও জিলাত দ্বিতীয় সৰ্বাধিক মনোনয়ন প্ৰত্যাহাৰ কৰা হৈছে। কিন্তু নিশা পৰ্যন্ত ৰাজ্যিক নিৰ্বাচন আয়োগে বিবৃতি জাৰি কৰা নাই। শোণিতপুৰ জিলাৰ নদুৱাৰ সমষ্টিত কংগ্ৰেছ জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়তসহ সকলো প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰিছে। প্ৰাণৰ মমতাত পদ্ম হাজৰিকা আৰু হাজৰিকাৰ ঘনিষ্ঠ বাহিনীৰ আতংকত কংগ্ৰেছৰ সকলো প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে। মনোনয়ন সংগ্ৰহ কৰা দিনটোৰ পৰাই বিজেপিৰ গুণ্ডাবাহিনীয়ে কংগ্ৰেছৰ প্ৰাৰ্থীসকলক ভয়-ভাবুকি প্ৰদানৰ অভিযোগ উত্থাপন হৈ আহিছিল। আজি মনোনয়ন প্ৰত্যাহাৰৰ শেষ দিনটোত সকলো প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে। নদুৱাৰ বিধানসভা সমষ্টিত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত নহ'ব। বিজেপিৰ গুণ্ডা বাহিনীৰ ভাবুকি আৰু আৰক্ষীয়ে নিৰাপত্তা প্ৰদানৰ ব্যৰ্থ হোৱাত কংগ্ৰেছৰ সকলো প্ৰাৰ্থীয়ে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰাৰ সিদ্ধান্ত লৈছে। প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰা এজন প্ৰাৰ্থীয়ে সংবাদ মাধ্যমৰ মুখামুখি হৈ কয় যে আমাৰ নিৰাপত্তা নাই। আৰক্ষী-প্ৰশাসনক ইমান কোৱাৰ পিছতো আজিৰ দিনটোলৈকে নিৰাপত্তা পোৱা নাই। নিৰাপত্তাহীনতাত ভুগি অৱশেষত মনোনয়ন প্ৰত্যাহাৰ কৰিছে। নিতৌ ভাবুকি লাভ কৰি অহাত চতিয়া, ন-দুৱাৰ ব্লক আৰু ১৯ টা মণ্ডলে বহি আলোচনাৰ অন্তত এই সিদ্ধান্ত লৈছো। আমি ৰাজহুৱা সিদ্ধান্ত লৈছো। এয়া দুখৰ বিষয়। ন-দুৱাৰৰ দুটা পৰিষদ। মোৰাদল জেডপিচিত মনোনয়ন বৈধ কৰিছিল, আৰু নাগশংকৰ জেডপিচিত মনোনয়ন বাতিল কৰিছিল। ৮ টা আঞ্চলিকৰ সদস্য আছিল। তাৰ ৪ টা বৈধ হৈছিল আৰু চাৰিটা বাতিল হৈছিল। গাঁও পঞ্চায়তৰ ৮০ টা ৱাৰ্ডৰ ভিতৰত ৩০ টাতহে কংগ্ৰেছে ৩০ টাত মনোনয়ন দিব পাৰিছিল। ৩০ খন মনোনয়নৰ ভিতৰত ১০ খনহে বৈধ কৰিছিল। সকলো কথা মানুহৰ অৱগত। জিলা প্ৰশাসনক মনোনয়ন দাখিল কৰিবলৈ নতুন তাৰিখ দিবলৈ দাবী জনাইছিলো। কিন্তু প্ৰশাসনে গুৰুত্ব নিদিলে। জামগুৰি জিলা পৰিষদৰ সদস্যগৰাকী দেৱাশিস শইকীয়াৰ বাহিৰে সকলোৱে মনোনয়ন প্ৰত্যাহাৰ কৰিছে। কিন্তু জামগুৰি জিলা পৰিষদৰ সদস্যগৰাকীক হাইজেক কৰাৰ সন্দেহ কৰা হৈছে। আনহাতে, এজন স্থানীয় কংগ্ৰেছ নেতাই কয় যে আমি প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰিছো। বিজেপিৰ গুণ্ডাবাহিনীয়ে বিভিন্ন ধৰণে ভয়-ভাবুকি দি আহিছে। মনোনয়ন প্ৰত্যাহাৰ কৰাৰ ভাবুকি দি অহাৰ লগতে প্ৰশাসনে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। নিৰপেক্ষ নিৰ্বাচন নহ'ব বুলি জানি এই সিদ্ধান্ত লোৱা হৈছে। জামগুৰি জিলা পৰিষদৰ সদস্যজনক তিনি দিন ধৰি যোগাযোগ কৰিব পৰা নাই। ইপিনে ডিব্ৰুগড় জিলাতো একেই ভয়-ভাবুকি প্ৰদানৰ অভিযোগ আনিছে কংগ্ৰেছে। লাহোৱাল-চাবুৱা সমষ্টিৰ কংগ্ৰেছৰ তত্ত্বাৱধায়ক প্ৰাঞ্জল ঘাটোৱাৰে ডিব্ৰুগড়ত কংগ্ৰেছ প্ৰাৰ্থীক ভয়-ভাবুকিৰে মনোনয়ন প্ৰত্যাহাৰত হেঁচা প্ৰয়োগ কৰাৰ অভিযোগ আনে। কংগ্ৰেছৰ প্ৰাৰ্থীক আঁচনি আৰু ধনৰ প্ৰলোভন দি মনোনয়ন প্ৰত্যাহাৰ কৰিবলৈ হেঁচা দিয়াৰ অভিযোগ আনে প্ৰাঞ্জল ঘাটোৱাৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজেপিৰ হৈ কাম কৰে অসম আৰক্ষীয়ে!

কৰাৰ যি নজিৰবিহীন দৃষ্টান্ত দেখুৱাবলৈ গৈ আছে তাৰ বিৰুদ্ধে আজি অসম প্ৰদেশ কংগ্ৰেছে তীব্ৰ প্ৰতিবাদ কৰি আৰক্ষী সঞ্চালকপ্ৰধানক সাক্ষাৎ কৰিবলৈ পদযাত্ৰা কৰে। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন কুমাৰ বৰা আৰু নগাঁও লোকসভা সমষ্টিৰ সাংসদ প্ৰদ্যুৎ বৰদলৈৰ নেতৃত্বত আজি ৰাজীৱ ভৱনৰ পৰা খোজকাঢ়ি আৰক্ষী সঞ্চালকপ্ৰধানৰ কাৰ্যালয়লৈ যাত্ৰা আৰম্ভ কৰে। আৰক্ষী সঞ্চালকপ্ৰধানৰ কাৰ্যালয়ৰ সন্মুখত বেৰিকেড দি সঁজাতী দলটোক বাধা দিয়াৰ চেষ্টা কৰিছিল যদিও আৰক্ষীৰ বাধা ওফৰাই সভাপতি ভূপেন কুমাৰ বৰা, সাংসদ প্ৰদ্যুৎ বৰদলৈ, কংগ্ৰেছৰ জ্যেষ্ঠ নেত্ৰী বালিকা লাহন পেগু, দীপ বায়ন, ৰাতুল কলিতা, বেদব্ৰত বৰা, ৰফিকুল ইছলাম, ইমদাদ হুছেইনে আৰক্ষীৰ বেষ্টনী ভাঙি আৰক্ষী সঞ্চালকপ্ৰধানৰ কাৰ্যালয়ৰ দিশে ধাৱমান হয়। কৰ্তব্যৰত আৰক্ষীয়ে আৰক্ষী সঞ্চালকপ্ৰধানৰ লগত সাংসদ প্ৰদ্যুৎ বৰদলৈক টেলিফোনত বাৰ্তালাপ কৰাৰ পিছত এটি সঁজাতী দল আৰক্ষী সঞ্চালকপ্ৰধানৰ কাৰ্যালয়লৈ গৈ আৰক্ষী মহাপৰিদৰ্শক (কেমিউনিকেচন)ৰ লগত এক বৈঠকত মিলিত হয় আৰু আৰক্ষীয়ে পঞ্চায়ত নিৰ্বাচনত অংশগ্ৰহণ কৰা কংগ্ৰেছৰ প্ৰতিনিধিসকলক কেনেধৰণে অত্যাচাৰ কৰিছে সেই বিষয়ে বিতংভাৱে সভাপতি বৰা আৰু সাংসদ বৰদলৈয়ে ব্যাখ্যা আগবঢ়ায়। নগাঁৱৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে নগাঁও আৰু মৰিগাঁও জিলাত কংগ্ৰেছৰ পঞ্চায়ত প্ৰাৰ্থীসকলক আৰক্ষীয়ে বলপূৰ্বক উঠাই আনি প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰাৰ হেঁচা প্ৰয়োগ কৰাৰ তথ্য দাখিল কৰে। কামপুৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া সুৰজিৎ দত্তই আনকি মাৰণাস্ত্ৰ প্ৰদৰ্শন কৰি কংগ্ৰেছৰ দলৰ প্ৰাৰ্থীক ভাবুকি প্ৰদান কৰে। অকল নগাঁও, মৰিগাঁৱতেই নহয়, শোণিতপুৰ, দৰং, বিশ্বনাথ চাৰিআলি, নলবাৰী, বৰাক উপত্যকাত কংগ্ৰেছ প্ৰাৰ্থীৰ ওপৰত আৰক্ষীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰিবলৈ হেঁচা প্ৰয়োগ কৰাৰ তথ্য আৰক্ষী বিষয়াগৰাকীৰ ওচৰত দাখিল কৰা হয়। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই স্পষ্টভাৱে কয় যে কংগ্ৰেছ দলে এতিয়া আৰক্ষীৰ লগত নিৰ্বাচন খেলিবলগীয়া হৈছে। গণতন্ত্ৰৰ বাবে ইয়াতকৈ দুৰ্ভাগ্যজনক কথা একো নাই বুলি উল্লেখ কৰি বৰাই কয় যে শাসক যন্ত্ৰৰ হাতত লাঠী, বন্দুক আৰু অশোক স্তম্ভ আছে। কংগ্ৰেছে এতিয়া দেশৰ সংবিধান, ইস্তাহাৰ আৰু আদৰ্শ লৈ বিজেপিৰ হৈ নিৰ্বাচন খেলা আৰক্ষীৰ বিৰুদ্ধে যুঁজিবলগীয়া হৈছে। দেশৰ গণতান্ত্ৰিক ব্যৱস্থাৰ বাবে এয়া চৰম ভাবুকি বুলি উল্লেখ কৰি বৰাই প্ৰয়োজন হ'লে গুলী খাবলৈ সাজু বুলিও উল্লেখ কৰে। ইয়াৰ পূৰ্বে ৰাজীৱ ভৱনত দুয়োজন নেতাই এক সংবাদমেল সম্বোধন কৰি আৰক্ষীয়ে কেনেধৰণে কংগ্ৰেছ প্ৰাৰ্থীসকলক আতিশয্য চলাইছে তাৰ তথ্য দাঙি ধৰি আৰক্ষী সঞ্চালকপ্ৰধানৰ নিষ্ক্ৰিয়তাক সমালোচনা কৰে। আৰক্ষী সঞ্চালকপ্ৰধানজনে অভিযোগ গ্ৰহণ কৰি ব্যৱস্থা লোৱা হ'ব বুলি প্ৰতিশ্ৰুতি দিয়াৰ পিছতো কোনোধৰণৰ সঁহাৰি নিদিয়াৰ বাবে আজি সভাপতি ভূপেন কুমাৰ বৰা আৰু সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে আৰক্ষী সঞ্চালকপ্ৰধানৰ কাৰ্যালয়লৈ যাত্ৰা আৰম্ভ কৰে। আৰক্ষী বিষয়া অখিলেশ কুমাৰ সিঙে কংগ্ৰেছ দলে দাখিল কৰা অভিযোগ সন্দৰ্ভত আৰক্ষীয়ে সঠিক তদন্ত কৰাৰ লগতে এই সন্দৰ্ভত এটা বিবৃতি প্ৰকাশ কৰিব বুলিও জানিবলৈ দিয়ে। আৰক্ষীৰ লগত চলা প্ৰচণ্ড ঠেলা-হেঁচাৰ পিছত অসম প্ৰদেশ কংগ্ৰেছৰ ৮ জন প্ৰতিনিধি ক্ৰমে সভাপতি ভূপেন কুমাৰ বৰা, সাংসদ প্ৰদ্যুৎ বৰদলৈ, উপ-সভানেত্ৰী বালিকা লাহন পেগু, সেৱা দলৰ অধ্যক্ষ দীপ বায়ন, জ্যেষ্ঠ মুখপাত্ৰ ইমদাদ হুছেইন, মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰা আৰু সামাজিক মাধ্যম বিভাগৰ অধ্যক্ষ ৰাতুল কলিতাই আৰক্ষী বিষয়াক সাক্ষাৎ কৰি কংগ্ৰেছ দলৰ প্ৰাৰ্থীসকলৰ সুৰক্ষাৰ দাবীত আৰক্ষীক সক্ৰিয় ভূমিকা পালন কৰিবলৈ আহ্বান জনায়।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘অবাধ্য’ হাভাৰ্ডক ৰঙা চকু ট্ৰাম্পৰ

মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ এইবাৰ টাৰ্গেটিত আমেৰিকাৰ আটাইতকৈ পুৰণি আৰু বিশ্বৰ ভিতৰতে খ্যাতিসম্পন্ন শিক্ষা প্ৰতিষ্ঠান হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়। নিৰ্দেশ মানি নচলাৰ বাবে হাৰ্ভাৰ্ডত বিদেশী ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি বন্ধ কৰাৰ ভাবুকি প্ৰদান কৰিছে ট্ৰাম্প প্ৰশাসনে। এফালে বিশ্ববিদ্যালয়ৰ অনুদান স্থগিত ৰখা আৰু আনফালে কৰ ৰেহাই বাতিলৰ ভাবুকিৰে এতিয়া তীব্ৰ হেঁচাৰ সন্মুখীন হ'বলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে বিশ্বব্যাপী সংযুক্ত এই শিক্ষানুষ্ঠানখন। শেহতীয়াকৈ হাৰ্ভাৰ্ডে নিজৰ কেম্পাছত ইহুদী বিৰোধিতা ৰোধ কৰিবলৈ নিযুক্তি, নামভৰ্তি আৰু পাঠদানৰ পদ্ধতিত পৰিৱৰ্তন কৰিবলৈ দাবী জনাইছে হোৱাইট হাউছে। কিন্তু প্ৰশাসনৰ এই দাবী মানি ল'বলৈ অনিচ্ছুক বিশ্ববিদ্যালয়খন। গৃহ নিৰাপত্তা সচিব ক্ৰীষ্টি নামেৰে এখন পত্ৰ প্ৰেৰণ কৰি কয় যে হাৰ্ভাৰ্ডে বিদেশী ছাত্ৰ-ছাত্ৰীৰ “অবৈধ আৰু হিংসাত্মক” কাৰ্যকলাপ নথিভুক্ত নকৰালৈকে বিদেশী ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ অধিকাৰ কাঢ়ি লোৱা হ'ব। ইয়াৰ পিছতে হাৰ্ভাৰ্ডৰ অধ্যক্ষ এলান গেৰ্বাৰে স্পষ্ট কৰি দিয়ে যে বিশ্ববিদ্যালয়খনে কোনো কাৰণতে নিজৰ স্বাধীনতা বা সাংবিধানিকভাৱে স্বীকৃতিপ্ৰাপ্ত অধিকাৰ এৰি নিদিয়ে। তেওঁৰ মতে এই প্ৰশাসনৰ হস্তক্ষেপ আচলতে হাৰ্ভাৰ্ডৰ মত প্ৰকাশৰ স্বাধীনতাৰ ওপৰত দমন জাপি দিয়াৰ প্ৰয়াস। ইতিমধ্যে বিশ্ববিদ্যালয়খনে ইহুদী বিৰোধিতাৰ বিৰুদ্ধে যুঁজিবলৈ কেইবাটাও পদক্ষেপ গ্ৰহণ কৰাৰ পিছতো বহুতে এই নবীকৃত হেঁচাৰ আঁৰত আন উদ্দেশ্য দেখিছে। ইফালে, ৰাষ্ট্ৰপতি ট্ৰাম্পে ব্যক্তিগতভাৱে ছ'চিয়েল মিডিয়াত তীব্ৰ সমালোচনা কৰি লিখিছে যে হাৰ্ভাৰ্ডে আজি “ঘৃণা আৰু মূৰ্খামিৰ শিক্ষা দিয়ে” আৰু ফেডাৰেল পুঁজি কৰ্তন কৰা উচিত। ইয়াৰ উপৰি ২.২ বিলিয়ন ডলাৰৰ অনুদানো আপাততঃ স্থগিত ৰখা হৈছে। সূত্ৰৰ মতে, আভ্যন্তৰীণ ৰাজহ সেৱাই ইতিমধ্যে কৰ ৰেহাইৰ সুবিধা কাঢ়ি লোৱাৰ কাম আৰম্ভ কৰিছে। উল্লেখ্য যে বৰ্তমান হাৰ্ভাৰ্ডত বিদেশী ছাত্ৰ-ছাত্ৰীৰ সংখ্যা মুঠ নামভৰ্তিৰ ২৭ শতাংশতকৈও অধিক। সেই কাৰণেই যদি সেইবোৰ নিষিদ্ধ কৰা হয়, তেন্তে ই কেৱল শিক্ষা খণ্ডতে নহয়, বিত্তীয় গাঁথনিতো ডাঙৰ আঘাতৰ সৃষ্টি কৰিব পাৰে। অৱশ্যে হাৰ্ভাৰ্ডে তেওঁলোকৰ স্থিতি সলনি নহ'ব বুলি উল্লেখ কৰিছে। মন কৰিবলগীয়া যে ইয়াৰ পূৰ্বেও কলম্বিয়া বিশ্ববিদ্যালয়েও একেধৰণৰ হেঁচাত নিজৰ স্থানৰ পৰা পিছুৱাই গৈছিল। ৪০ কোটি ডলাৰৰ অনুদান বিচ্ছিন্ন হোৱাৰ পিছত বিশ্ববিদ্যালয়খনে একাধিক পদক্ষেপ ল'বলৈ বাধ্য হয়। কিন্তু হাৰ্ভাৰ্ডে এতিয়াৰ বাবে সেই পথত আগবঢ়া নাই। মধ্যপ্ৰাচ্য অধ্যয়ন কেন্দ্ৰৰ দায়িত্বত থকা কেইবাজনো লোকক অপসাৰণ কৰা হৈছে যদিও তেওঁলোকে স্পষ্ট কৰি দিছে যে ৱাশ্বিংটনৰ দাবী অনুসৰি নীতিগত পৰিৱৰ্তন তেওঁলোকে গ্ৰহণ নকৰে। চৰকাৰক সমালোচনা কৰা, অনুদান ৰখা, ছাত্ৰ-ছাত্ৰীৰ অধিকাৰত বাধা আৰোপ কৰা- এই কৌশলে ভৱিষ্যতৰ বাবে এক বিপজ্জনক নজিৰ সৃষ্টি কৰিছে। এনে পৰিপ্ৰেক্ষিতত এই মুহূৰ্তত উত্থাপিত হোৱা একমাত্ৰ প্ৰশ্নটো হ'ল- ট্ৰাম্পৰ ওচৰত শেষ পৰ্যায়ত নতি স্বীকাৰ কৰিব নেকি হাভাৰ্ডে? নে স্বাধীনতা লাভৰ ওপৰত জোৰ দিয়াটোৱেই যে প্ৰকৃত শিক্ষাৰ ভেটি বুলি আকৌ এবাৰ প্ৰমাণ কৰিব? বিশ্বৰ সুধী সমাজে চিন্তা ব্যক্ত কৰি বিশ্ববিদ্যালয়ক আক্ৰমণ নকৰিব বুলি কয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সংঘাত দূৰ কৰাৰ চেষ্টা অসম-মিজোৰামৰ

মিলিত হ'ব দুই ৰাজ্য। ২৫ এপ্ৰিলত গুৱাহাটীত অনুষ্ঠিত হ'ব ৰাজ্য দুখনৰ মাজৰ চৰকাৰী পৰ্যায়ৰ বৈঠক। শুকুৰবাৰে মিজোৰাম চৰকাৰে এই আলোচনাত অংশগ্ৰহণৰ চূড়ান্ত অনুমতি প্ৰদান কৰে। ৰাজ্যৰ গৃহ বিভাগে কয় যে অসম চৰকাৰৰ শান্তিপূৰ্ণ আৰু স্থায়ী সমাধানৰ প্ৰস্তাৱৰ পৰিপ্ৰেক্ষিতত মিজোৰামে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰাজ্যৰ গৃহ সচিব ভানলালমাওৱ নেতৃত্বত মিজোৰামৰ পৰা অহা ২৪ এপ্ৰিলত গুৱাহাটীত উপস্থিত হ'ব সাতজনীয়া প্ৰতিনিধি দল। গৃহ বিভাগৰ এজন বিষয়াই কয় যে, "এই বৈঠকত এতিয়াও সমাধান নোহোৱা সকলো সমস্যা সমাধানৰ চেষ্টা কৰা হ'ব। ভৱিষ্যতে ৰাজ্য চৰকাৰ দুয়োখনে কেনেদৰে সিদ্ধান্ত ল'ব তাৰ ৰূপৰেখাও চূড়ান্ত কৰাটো প্ৰয়োজন।" উল্লেখ্য যে, যোৱা ৯ আগষ্টত আইজলত অনুষ্ঠিত হৈছিল শেষ মন্ত্ৰীসভাৰ বৈঠক। সেই বৈঠকত মিজোৰামক প্ৰতিনিধিত্ব কৰিছিল ৰাজ্যৰ গৃহমন্ত্ৰী কে ছাপডাঙা আৰু অসমৰ হৈ সীমান্ত সুৰক্ষা আৰু উন্নয়ন মন্ত্ৰী অতুল বৰা উপস্থিত আছিল। বৈঠকৰ শেষত যৌথ বিবৃতিত সকলো পুৰণি চুক্তি পুনৰ দৃঢ়তাৰে কোৱা হয় আৰু নিয়মীয়া আলোচনা অব্যাহত ৰখাৰ প্ৰতিশ্ৰুতি দিয়া হয়। প্ৰণিধানযোগ্য যে, ২০২১ চনৰ ২৬ জুলাইত সংঘটিত হোৱা এক মৰ্মান্তিক গুলীচালনাৰ ঘটনাত ৫জন অসম আৰক্ষী জোৱান নিহত হৈছিল। সেই ঘটনাৰ পিছত ৰাজ্য দুখনৰ মাজত উত্তেজনা তুংগত উঠিলেও দুয়োখন ৰাজ্যই পৰিস্থিতি শান্ত কৰি আলোচনাৰ জৰিয়তে সমাধানৰ দিশত আগবাঢ়িবলৈ চেষ্টা কৰিছে। যদিও চলিত বৰ্ষৰ ৩১ মাৰ্চৰ ভিতৰত আন এখন মন্ত্ৰীসভাৰ বৈঠক অনুষ্ঠিত হোৱাৰ কথা আছিল, তথাপিও সেয়া নহ'ল। অৱশ্যে ২৫ এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া বৈঠকক লৈ দুয়োপক্ষই আশাবাদী। প্ৰশাসনিক মহলৰ মতে এই বৈঠকে কেৱল বিবাদ সমাধানত সহায় কৰাই নহয়, দুয়োখন ৰাজ্যৰ মাজত পাৰস্পৰিক সমন্বয়ও শক্তিশালী কৰিব। ইতিমধ্যে মুখ্যমন্ত্ৰী পৰ্যায়ত কেইবালানি আলোচনা সম্পন্ন হৈছে।

# পহিলা ব'হাগত মুকালমুৱাৰ নাৰায়ণপুৰত বিশেষ কাৰ্যসূচী

**ই-সংবাদ, ১৭ এপ্ৰিলঃ** পহিলা বহাগৰ দিনটোত মুকালমুৱাৰ নাৰায়ণপুৰত বিশেষ কাৰ্যসূচী ৰূপায়ন কৰা হয়। পণ্ডিত মহেশ্বৰ ডেকা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা উপলক্ষে শিক্ষক, শিক্ষাবিদ, বুদ্ধিজীৱী আৰু যুৱশক্তি এক হৈ বিহুৱান প্ৰদানৰ বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। মুক্তাৰ আলী, শ্বেখ আৰ্জুল হুছেইন আৰু আতোৱাৰ ৰহমানৰ আহ্বান ক্ৰমে মহাবিদ্যালয়ৰ নামত নিৰ্ধাৰিত ভূমি সংলগ্ন আতোৱাৰ ৰহমানৰ আগচোতালত অনুষ্ঠিত হয় এই ব্যতিক্ৰমী অনুষ্ঠান। বুদ্ধিজীৱী তথা সাহিত্যিক দ্বীজেন কলিতা, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক আলহাজ আয়ুব আলী, বৰক্ষেত্ৰী কনিষ্ঠ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা মনোৱাৰ হুছেইন, নলবাৰী জিলা আদালতৰ অধিবক্তা তাইজুদ্দিন আলী, ডাঃ আৰ্জুল হুছেইনকে আদি কৰি বিভিন্ন প্ৰতিষ্ঠানৰ পৰা অহা শিক্ষক, বিশিষ্ট চিন্তাবিদ আৰু যুৱকসকলৰ উপস্থিতিত গাম্ভীৰ্যপূৰ্ণ সভা




অনুষ্ঠিত হয়। প্ৰাথমিক পৰ্যায়ত মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰাৰ বাবে প্ৰয়োজনীয় সকলো দিশৰ বিষয়ে খৰচী মাৰি আলোচনা কৰা হয় আৰু ইয়াৰ এক গঠনমূলক আঁচনি প্ৰস্তুত কৰি উপস্থাপন কৰা হয়। প্ৰাথমিক পৰ্যায়ত প্ৰায় তিনি কোটি টকা ব্যয় সাপেক্ষ পণ্ডিত মহেশ্বৰ ডেকা মহাবিদ্যালয়ৰ আবণ্টিত ভূমি আৰু গৃহৰ নক্সা সম্বলিত এক পূৰ্ণাংগ খতিয়ান সভাত উত্থাপন কৰি ইয়াৰ প্ৰতিষ্ঠাৰ পূৰ্ণ পৰ্যায়ৰ প্ৰস্তুতিৰ বিষয়ে অৱগত কৰোৱা হয়। এক উন্নত, আধুনিক আৰু প্ৰগতিশীল শিক্ষানুষ্ঠানৰ প্ৰতিষ্ঠাৰ প্ৰচেষ্টাৰ বাবে উদ্যোক্তাসকললৈ সকলো অভ্যাগতই একেমুখে উৎসা আৰু আশীৰ্বাদ দিয়ে। ব্যক্তিগত মহাবিদ্যালয়খনত অতি কম খৰছত, উন্নত পৰিৱেশত গুণগত শিক্ষা প্ৰদান কৰা হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# অজাপ নেতা প্ৰয়াত টংকেশ্বৰ কোঁৱৰক

অসম জাতীয় পৰিষদ, চৰাইদেউ জিলা সমিতিৰ সভাপতি আছিল। তেওঁৰ মৃত্যুত সমগ্ৰ চৰাইদেউ জিলাতে শোকৰ ছাঁ পৰিছে। আজি এঙেৰাৰ বাসগৃহত তেওঁৰ নশ্বৰ দেহত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে। ইয়াৰ পিছতেই সোণাৰিত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। অসম ফুটবল সন্থাৰ প্ৰাক্তন গৱৰ্ণিং বডীৰ সদস্য এজন সমাজ সংস্কাৰক, সংগঠক, ক্ৰীড়া সংগঠক, অসম আন্দোলনৰ ছাত্ৰ সন্থাৰ সক্ৰিয় কৰ্মী, ১৯৯৬ চনৰ পৰা ২০০১ চনলৈকে সোণাৰি পৌৰসভাৰ ৱাৰ্ড আয়ুক্ত, প্ৰাক্তন অগপৰ প্ৰাক্তন সক্ৰিয় কৰ্মী, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত তথা অসম জাতীয় পৰিষদৰ চৰাইদেউ জিলাৰ সভাপতি টংকেশ্বৰ কোঁৱৰক নিজ জন্মস্থান চৰাইদেউৰ এঙেৰাত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। ইফালে সোণাৰিত অসম জাতীয় পৰিষদ, জিলা ক্ৰীড়া সন্থাৰ কাৰ্যালয়তো শ্ৰদ্ধাঞ্জলি জনায় আৰু ইয়াৰ পিছতেই সোণাৰি ভগৱতী প্ৰসাদ বৰুৱা সোঁৱৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত বিয়লি অন্তিম শ্ৰদ্ধাঞ্জলি জনায় বিভিন্ন দল-সংগঠন আৰু ৰাজনৈতিক-অৰাজনৈতিক দল-সংগঠন তথা চৰাইদেউবাসী ৰাইজে। এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত উপস্থিত থাকে প্ৰাক্তন সাংসদ তপন কুমাৰ গগৈ।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বিৰোধীক ভয়-ভাবুকিৰে প্ৰাৰ্থীত্ব

বিজেপিৰ বিৰুদ্ধে আন দলৰ প্ৰাৰ্থীক ভয়-ভাবুকি প্ৰদানৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে মধ্য শুৱালকুছি গাঁও পঞ্চায়তত। পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিনটোৰ পূৰ্বে শাসকীয় দল বিজেপিৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে তৃণমূল কংগ্ৰেছৰ মনোনীত পঞ্চায়ত প্ৰাৰ্থী মৌচুমী দাসে। শাসকীয় পক্ষৰ একাংশ পালিনেতাই ভয়-ভাবুকি আৰু প্ৰলোভনেৰে পঞ্চায়তৰ প্ৰাৰ্থিত্ব উঠাই লোৱাৰ বাবে মৌচুমী দাসক হেঁচা প্ৰদান কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে তৃণমূল কংগ্ৰেছৰ পঞ্চায়তৰ মনোনীত প্ৰাৰ্থীগৰাকীয়ে । উল্লেখ্য, শুৱালকুছি জিলা পৰিষদৰ অন্তৰ্গত মধ্য শুৱালকুছি গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্যাৰ (কাউন্সিলাৰ) পদত দুগৰাকীকৈ মহিলা প্ৰাৰ্থীয়ে প্ৰাৰ্থিত্ব আগবঢ়াইছে। ইয়াৰে এগৰাকী বিজেপি দলৰ প্ৰাৰ্থী আনগৰাকী প্ৰাৰ্থী হৈছে তৃণমূল কংগ্ৰেছ দলৰ মৌচুমী দাস। তৃণমূল কংগ্ৰেছৰ পঞ্চায়ত নিৰ্বাচনৰ প্ৰাৰ্থীগৰাকীৰ নিজ বাসগৃহত আহি বিভিন্ন প্ৰলোভন দিয়াৰ লগতে প্ৰাৰ্থিত্ব প্ৰত্যাহাৰৰ কৰি শাসকীয় পক্ষৰ প্ৰাৰ্থীগৰাকীক সমৰ্থন দিবলৈ হেঁচা দিয়াৰ অভিযোগ উত্থাপন কৰিছে মৌচুমী দাসে। আনকি তেওঁলৈ সমৰ্থন জনোৱা সমৰ্থকসকলৰ অৰুণোদয় আঁচনি, সকলো চৰকাৰী আঁচনিৰ লগতে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ হিতাধিকাৰী নাম কৰ্তন কৰা হ'ব বুলি ভাবুকি দিয়াৰ অভিযোগ প্ৰাৰ্থীগৰাকীৰ। মৌচুমী দাসে প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰিলেই বিজেপি প্ৰাৰ্থীগৰাকী বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজয়ী হোৱাটো নিশ্চিত হ'ব। যাৰ বাবে মৌচুমী দাসক এনেদৰে হেঁচা প্ৰয়োগ কৰাৰ অভিযোগ উত্থাপন হৈছে বিজেপি দলৰ নেতা-পালিনেতাৰ বিৰুদ্ধে। আনহাতে, গণতন্ত্ৰত সকলোৰে সমান অধিকাৰ থকা বুলি কৈ এই ভয়-ভাবুকি তথা প্ৰলোভনৰ ৰাজনীতিক কোনো ধৰণৰ গুৰুত্ব প্ৰদান নকৰি বৰঞ্চ ৰাইজৰ হৈ সেৱা কৰি যাব বুলি মন্তব্য কৰে তৃণমূল কংগ্ৰেছৰ পঞ্চায়ত প্ৰাৰ্থীগৰাকীয়ে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# খেনোক দেখি ৰন্ধা-বঢ়া, খেনোক দেখি

পত্ৰখন নিৰ্বাচন বিষয়াগৰাকীয়ে বাতিল কৰে। কিন্তু মোৰ দৰে সমবায় লিমিটেডৰ সুলভ মূল্যৰ এজেণ্টৰ অনুজ্ঞাপত্ৰ থকাৰ পিছতো আন কেইবাজনো প্ৰাৰ্থীৰ মনোনয়ন-পত্ৰ বাতিল কৰা হোৱা নাই। নিৰ্বাচন আয়োগৰ বিধি যিহেতু প্ৰতিজন প্ৰাৰ্থীৰ ক্ষেত্ৰত একেই, সেয়ে এজনৰ প্ৰাৰ্থী বাতিল কৰি আনসকল প্ৰাৰ্থীৰ মনোনয়ন-পত্ৰ কিয় বাতিল কৰা নহ'ল এই সন্দৰ্ভত মই অভিযোগ দাখিল কৰিবলৈ আজি চাৰি দিন ধৰি জিলা আয়ুক্ত কাৰ্যালয়লৈ বাটকুৰি বাই হাবাথুৰি খোৱাৰ পিছতো অভিযোগ দাখিল কৰিবলৈ সক্ষম হোৱা নাই"। এয়া নিশ্চয় মৰিগাঁও জিলাৰ নিৰ্বাচনী বিষয়াসকলৰ পক্ষপাতিত্বমূলক আচৰণ বুলি ক্ষোভ প্ৰকাশ কৰি লগতে কয়, "মোৰ হাতত থকা তথ্য অনুসৰি দন্দুৱা গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদৰ প্ৰাৰ্থী দীপ কুমাৰ ডেকা মোৰ দৰে সমবায় লিমিটেডৰ সুলভ মূল্যৰ এজেণ্ট। দীপ কুমাৰ ডেকাৰ সুলভ মূল্যৰ এজেণ্টৰ অনুজ্ঞাপত্ৰৰ নম্বৰ হৈছে এল/০৮ আই ডি নম্বৰ হৈছে ১৩০৪০০১০০৮৩৫। এনে ধৰণৰ আৰু কেইবাজনো প্ৰাৰ্থীয়ে মনোনয়ন-পত্ৰ দাখিল কৰিছে। সমগ্ৰ তথ্য লৈ নিৰ্বাচনৰ দায়িত্বত থকা বিষয়াগৰাকীক অভিযোগ দাখিল কৰিবলৈ যাওঁতে তেওঁ অভিযোগ-পত্ৰখন গ্ৰহণ নকৰি উচ্চ পৰ্যায়ৰ বিষয়াৰ লগত কথা পাতিব লাগিব বুলি অৱগত কৰে। তাৰ পিছত নিৰ্বাচনৰ দায়িত্বত থকা অতিৰিক্ত আয়ুক্ত সংগীতা বৰঠাকুৰৰ ওচৰলৈ যাওঁ যদিও অতিৰিক্ত আয়ুক্তগৰাকীয়ে জিলা আয়ুক্তৰ ওচৰলৈ পঠায়। জিলা আয়ুক্তক লগ পাবলৈ আজি চাৰি দিন ধৰি বাটকুৰি বাই থকাৰ পিছত কালি আয়ুক্ত কাৰ্যালয়ত জিলা আয়ুক্তৰ পি এ হাতত অভিযোগ-পত্ৰখন জমা দিওঁ যদিও তেওঁ আমাৰ অভিযোগ-পত্ৰখনৰ ৰিচিভ কপিত স্বাক্ষৰ কৰাত অপাৰগতা প্ৰকাশ কৰে"। ইফালে সংবাদ মাধ্যমৰ পৰা ঘটনা সন্দৰ্ভত নিৰ্বাচনৰ দায়িত্বত থকা অতিৰিক্ত আয়ুক্ত সংগীতা বৰঠাকুৰৰ লগত যোগাযোগ কৰাত তেওঁ কয়, নিৰ্বাচনৰ নীতি-নিৰ্দেশনাসমূহ মই সম্পূৰ্ণকৈ অধ্যয়ন কৰা নাই। সেয়ে তেওঁ যোগান বিভাগ আৰু নিৰ্বাচনৰ দায়িত্বত থকা অতিৰিক্ত আয়ুক্ত সুলক্ষণা বৰপাত্ৰগোহাঁইৰ লগত যোগাযোগ কৰিবলৈ কয়। ইফালে অতিৰিক্ত আয়ুক্ত সুলক্ষণা বৰপাত্ৰগোহাঁয়ে কয় সুলভ মূল্যৰ এজেণ্টসকলে যিহেতু চৰকাৰৰ পৰা কমিছন লাভ কৰে সেয়ে তেওঁলোকে পঞ্চায়ত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব নোৱাৰে। তথাপি বিশদভাৱে জানিবলৈ অতিৰিক্ত আয়ুক্ত সংগীতা বৰঠাকুৰৰ লগত যোগাযোগ কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। এতিয়া মূল বিষয়টো হৈছে নিৰ্বাচনৰ দায়িত্বত থকা বিষয়াসকলে যদি ইজনে আনজনলৈ বিষয়বোৰ ঠেলাঠেলি তথা গা এৰা দিবলৈ চেষ্টা কৰে তেতিয়াহ'লে সৰ্বসাধাৰণ লোকৰ অভিযোগবোৰ কোন বিষয়াই গুৰুত্বসহকাৰে গ্ৰহণ কৰিব বা ৰাইজক কোনে ন্যায় প্ৰদান কৰিব সেইটো বৰ্তমান সময়ত এক ডাঙৰ প্ৰশ্ন হিচাপে দেখা দিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# নলবাৰীত যুৱ মৰ্চাৰ ৰাহুল গান্ধীৰ

মৰ্চাৰ নলবাৰী জিলা সমিতিয়ে প্ৰতিবাদী সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে ৰাহুল গান্ধীৰ প্ৰতিকৃতিও দাহ কৰে। এই কাৰ্যসূচীত নলবাৰী যুৱ মৰ্চাৰ শতাধিক সদস্যই অংশগ্ৰহণ কৰে। বিজেপি যুৱ মৰ্চাই কয় যে আইনী যুদ্ধৰে নিজৰ নিৰ্দোষিতা প্ৰমাণ কৰিব নোৱাৰিব বুলি জানি কংগ্ৰেছ দলে ৰাজপথত শক্তি প্ৰদৰ্শন কৰি দলীয় নেতাৰ নিৰ্দোষিতা প্ৰতিপন্ন কৰাৰ চেষ্টা কৰিছে। লগতে একপ্ৰকাৰ ক'লা দাগ লুকুৱাবৰ অপচেষ্টা চলিছে। এটা ৰাজহুৱা কোম্পানীৰ সম্পত্তি এইদৰে ছল কৰি ব্যক্তিগত কোম্পানীয়ে অধিগ্ৰহণ কৰাটো নীতি-বহিৰ্ভূত আৰু আইন বিৰুদ্ধ বুলি উল্লেখ কৰে নলবাৰী ভাৰতীয় জনতা যুৱ মৰ্চাৰ সভাপতি মৃগাংক দাসে। জিলা যুৱ মৰ্চাৰ উপ-সভাপতি জিন্টু শৰ্মায়ো ৰাহুল গান্ধী-ছোনিয়া গান্ধীক গ্ৰেপ্তাৰৰ দাবীত তোলে। বিজেপি যুৱ মৰ্চাৰ প্ৰতিবাদকাৰীসকলে নলবাৰী জিলা বিজেপি কাৰ্যালয়ৰ পৰা সমদল কৰি আহি নলবাৰী সদৰ থানা চ'কত কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ প্ৰতিকৃতি দাহ কৰে। উল্লেখ্য যে কংগ্ৰেছৰ দ্বাৰা সংঘটিত অন্যতম বৃহৎ দুৰ্নীতিৰ অধ্যায় নেচনেল হেৰাল্ড কেলেংকাৰী বুলি অভিযোগ উত্থাপিত হৈ আহিছে। সাম্প্ৰতিক বজাৰ মূল্যত প্ৰায় ৫০০০ কোটিৰ স্থাৱৰ-অস্থাৱৰ সম্পত্তি ছোনিয়া গান্ধী-ৰাহুল গান্ধীয়ে আত্মসাৎ কৰা বুলিও অভিযোগ আছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# চাইবাৰ অপৰাধীক ধৰিবলৈ মৰিগাঁৱত

আৰু মৰিগাঁৱৰ লগতে মুম্বাই আৰক্ষীৰ এটি দলে যুটীয়াভাৱে অভিযান চলাই গ্ৰেপ্তাৰ কৰে ৫ টাকৈ দুৰ্ধৰ্ষ চাইবাৰ অপৰাধীক। ধৃত চাইবাৰ অপৰাধী কেইটা ক্ৰমে ইলিয়াছ আহমেদ, আজাহাৰুল ইছলাম, মহিবুৰ ৰহমান, মহি উদ্দিন আহমেদ আৰু আব্দুল মালেক বুলি জানিব পৰা গৈছে। উল্লেখ্য যে দীৰ্ঘদিন ধৰি দুৰ্ধৰ্ষ চাইবাৰ অপৰাধী কেইটাই বিভিন্ন ঋণ প্ৰতিষ্ঠানৰ লগতে বিভিন্ন ব্যক্তিৰ নামত ভুৱা তথ্যৰে প্ৰৱঞ্চনাৰে কোটি টকা সৰকাই আহিছে। অধিক তথ্যৰ বাবে ধৃত চাইবাৰ অপৰাধী কেইটাক আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# আৰক্ষী বিষয়াৰ প্ৰেম প্ৰতাৰণাত যুৱকৰ

সৃষ্টি কৰিছে। জানিব পৰা মতে, কালডোবা প্ৰথম খণ্ড গাঁৱৰ মনোৰঞ্জন দাসৰ পুত্ৰ দেৱানন্দ দাস আগমনি থানাত কৰ্মৰত হৈ আছিল। পিছত তেওঁ উপ-পৰিদৰ্শক জোনালী দেৱীৰ প্ৰেমত পৰে। এটা বছৰৰ পৰা তেওঁলোকৰ মাজত সম্পৰ্ক যথেষ্ট গভীৰ হৈ পৰে। থানাৰ ভিতৰতে দৃষ্টিকটুকৈ সকলো সময়ত থকা সত্বেও থানাখনৰ ভাৰপ্ৰাপ্ত বিষয়া ৰহস্যজনকভাৱে নীৰৱ হৈ বহি থাকে। দুয়ো মুকলিমূৰীয়াকৈ থানাৰ ভিতৰত সময় পাৰ কৰি আহিছিল। কিন্তু হঠাতে এমাহ পূৰ্বে উপ-পৰিদৰ্শক জোনালী দেৱী গোপনে ঘৰলৈ গৈ বিবাহপাশত আবদ্ধ হয়। বিয়াৰ পিছতে সম্পৰ্ক কিছু তিক্ততাপূৰ্ণ হয় যদিও কিছুদিন পিছত পুনৰ সম্পৰ্ক গঢ়ি উঠে দুয়োজনৰ মাজত। কালি নিশা ব্যক্তিগত কথাক লৈ থানাৰ ভিতৰতে দুয়োৰে মাজত কাজিয়া সংঘটিত হয়। দেৱানন্দ দাসক শাৰীৰিকভাৱে আক্ৰমণ কৰে বিষয়া জোনালী দেৱীয়ে। সেই সময়ত থানাত উপস্থিত থকা বেটেলিয়ন জোৱান শ্যামল চন্দ্ৰ দাস আৰু ৰেডিঅ' বিভাগৰ হাবিলদাৰ আছিফ ৰহমানে দেৱানন্দক চৰ শোধাই খেদি পঠায়। থানাৰ ভিতৰতে অপমানিত হৈ ঘৰলৈ গৈ তেওঁ বন্ধু-বান্ধৱ নিকট আত্মীয়ক জোনালী আৰু তেওঁৰ কিছু আপত্তিজনক ফটো-ভিডিঅ'ৰ লগতে টোকা লিখি ঘৰৰ ভিতৰত চিপ লয়। পুৱা ঘৰৰ লোকে প্ৰত্যক্ষ কৰি হুৱাদুৱা লাগে। দুপৰীয়া দণ্ডাধীশৰ উপস্থিতিত মৃতদেহ নমাই মৰণোত্তৰ পৰীক্ষাৰ বাবে ধুবুৰী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। এই সন্দৰ্ভত পৰিয়ালৰ লোকে আগমনি থানাত এজাহাৰ দাখিল কৰে। ধুবুৰী জিলা উপ-আৰক্ষী অধীক্ষক দীপজ্যোতি তালুকদাৰ আগমনি থানাত উপস্থিত হৈ ঘটনাৰ বুজ লয়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# নিৰ্বাচনী দায়িত্বত গাফিলতি, ৬

অনুপযোগী অজুহাত দেখুৱাই জিলা নিৰ্বাচনী বিষয়ালৈ আবেদন দাখিল কৰিছে। তেনে প্ৰত্যেকখন আবেদনেই চালিজাৰি চাই অনাহকভাৱে কৰা আবেদনৰ বাবে জিলা নিৰ্বাচনী বিষয়াৰ ফালৰ পৰা বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও উল্লেখ কৰিছে। ১০ এপ্ৰিলত নিৰ্বাচনৰ প্ৰশিক্ষণ কাৰ্যসূচীত অনুমতিবিহীন অনুপস্থিতিৰ বাবে ৬ কৰ্মচাৰীলৈ জিলা নিৰ্বাচনী বিষয়াৰ ফালৰ পৰা কৈফিয়ৎ তলবৰ জাননী প্ৰেৰণ কৰা হৈছে। উক্ত কৰ্মচাৰীসকলে উপযুক্ত কাৰণ প্ৰদৰ্শন কৰিব নোৱাৰিলে তেওঁলোকৰ বিৰুদ্ধে অনুশাসনমূলক ব্যৱস্থা লোৱা হ'ব বুলি বিজ্ঞপ্তিটোত স্পষ্ট কৰি দিয়া হৈছে। লগতে আগন্তুক নিৰ্বাচনৰ প্ৰতিটো বিভাগৰ সৈতে জড়িত কৰ্মচাৰীসকলক নিষ্ঠাৰে দায়িত্ব পালন কৰিবলৈ জিলা নিৰ্বাচনী বিষয়াৰ তৰফৰ পৰা প্ৰেছ বিজ্ঞপ্তিখনৰ যোগেদি অনুৰোধ জনোৱা হৈছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বঙালমৰাত ভয়ংকৰ কাণ্ড! ধৰ্ষণ কৰি

কলেজ আৰু হাস্পতাললৈ (LMCH) লৈ যায়। স্থানীয় ৰাইজে হাবিজুল নামৰ এজন ব্যক্তিক এই ঘটনাৰ মূল অভিযুক্ত হিচাপে চিহ্নিত কৰি আৰক্ষীত অভিযোগ দাখিল কৰিছে। আৰক্ষীয়ে ইতিমধ্যে তদন্ত আৰম্ভ কৰিছে আৰু অভিযুক্তজনৰ সন্ধানত তৎপৰ হৈ আছে। আৰক্ষীয়ে আশ্বাস দিছে যে দোষীক কঠোৰ শাস্তি দিয়া হ'ব আৰু তদন্তৰ অগ্ৰগতি অনুসৰি অধিক তথ্য আগবঢ়োৱা হ'ব। এই ঘটনাই স্থানীয় ৰাইজৰ মাজত গভীৰ ক্ষোভ আৰু উদ্বেগৰ সৃষ্টি কৰিছে। সামাজিক মাধ্যমত এই ঘটনাৰ তীব্ৰ নিন্দা প্ৰকাশ পাইছে আৰু দোষীক কঠোৰ শাস্তিৰ দাবী উত্থাপন কৰিছে। এনে জঘন্য কাণ্ডৰ দোষীয়ে কি শাস্তি পায় তাৰ প্ৰতি দৃষ্টি ৰাখিব সকলোৱে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# চামগুৰি-পুৰণিগুদামত ভূ-মাফিয়াৰ

বৃদ্ধি হৈছে ভূ-মাফিয়াৰ দপদপনি। বিশেষকৈ চামগুৰি, তেলীয়াগাঁও, আমনি, ভেলেউগুৰি, শিঙিয়া, ভৰাগুৰি, কুকুৰাজান, হাতীৰগাঁও, পুৰণিগুদাম আদি অঞ্চলসমূহৰ পথাৰত ভূ-মাফিয়াই কৃষিজীৱী লোকৰ পথাৰৰ ভূমি কৃষকৰ অনুমতিবিহীনভাৱে নিশা চোৰাংকৈ খান্দি নিয়াৰ এক গুৰুতৰ অভিযোগ উঠিছে। প্ৰতিনিশাই প্ৰায় ৪০-৫০ খন ডাম্পাৰেৰে কৃষি উপযোগী মাটিসমূহ খান্দি ডাম্পাৰেৰে ৰূপহীহাট অঞ্চলৰ ইটা-ভাতাসমূহলৈ প্ৰেৰণ কৰি আহিছে বুলি গুৰুতৰ অভিযোগ উঠিছে। নিশা হ'লেই ডাম্পাৰৰ দৌৰাত্ম্যত এক আতংকময় পৰিৱেশ সৃষ্টি হোৱাৰ লগতে ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথত চলা অঘোষিত প্ৰতিযোগিতাত কেইবাটাও দুৰ্ঘটনাও সংঘটিত হৈছে যদিও জিলাখনৰ আৰক্ষী-প্ৰশাসন অথবা বন বিভাগে নিৰ্লিপ্ত ভূমিকা পালন কৰি অহা পৰিলক্ষিত হৈছে। ভূ-মাফিয়াৰ দলটোৱে বন বিভাগক মেনেজ কৰি দিনে-নিশাই ৰূপহীহাট অঞ্চলৰ ইটা-ভাতাসমূহলৈ ডাম্পাৰত মাটি কঢ়িয়াই আহিছে বুলি অভিযোগ উঠিছে। যাৰ ফলত চৰকাৰে হেৰুৱাব লগা হৈছে দৈনিক লাখ লাখ টকাৰ ৰাজহ। উল্লেখ্য যে উক্ত ভূ-মাফিয়াৰ দলটোত অসম বেটেলিয়নৰ জোৱান, গৃহৰক্ষী বাহিনীৰ জোৱান, প্ৰাক্তন সেনা জোৱান আৰু শাসকীয় দলৰ দুজনমান নেতা-কৰ্মীও জড়িত আছে বুলি গুৰুতৰ অভিযোগ উঠিছে। আনহাতে, ইটা-ভাতাসমূহলৈ মাটি কঢ়িওৱা ডাম্পাৰ আৰু স্থানীয়ভাৱে চলাই থকা ট্ৰেক্টৰৰ ড্ৰাইভাৰসকলে নামানে কোনো ধৰণৰ যান-বাহন আইন।তদুপৰি একাংশ ডাম্পাৰ আৰু ট্ৰেক্টৰৰ কোনো বৈধ নথি-পত্ৰ নাই, লগতে একাংশ ডাম্পাৰ আৰু ট্ৰেক্টৰ চালকৰ বৈধ অনুজ্ঞাপত্ৰ নথকাৰ অভিযোগ উত্থাপন হৈছে। একাংশ উদণ্ড ডাম্পাৰ চালকে সঘনাই দুৰ্ঘটনা সংঘটিত কৰি আহিছে বুলি অভিযোগ উঠিছে। দিনে-নিশাই অঞ্চলসমূহৰ পথাৰৰ পৰা ইটা-ভাতালৈ মাটি কঢ়িওৱা ডাম্পাৰসমূহৰ দৌৰাত্ম্যই গ্ৰামাঞ্চলৰ ৰাইজৰ নিদ্ৰাহৰণ কৰাৰ লগতে পথসমূহ জহি-খহি যোৱা বুলি অভিযোগ উঠিছে। দিনে-নিশাই উক্ত পথসমূহেদি মাটি কঢ়িওৱা ডাম্পাৰসমূহ চলাচল কৰাত এজাক বৰষুণ অহাৰ পিছত উক্ত পথসমূহ বোকা হৈ পৰে। ফলত উক্ত পথসমূহ যাতায়াতৰ অনুপযোগী হৈ পৰে বুলি অভিযোগ উঠিছে। স্থানীয় ৰাইজে নগাঁও জিলা পৰিবহণ বিভাগক পৰিবহণ আইন নমনা ডাম্পাৰ আৰু ট্ৰেক্টৰ চালকসকলক নাকী লগোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনোৱাৰ লগতে লাখ লাখ টকা ৰাজহ ফাঁকি দি অবৈধভাৱে ভূ-মাফিয়া দলটোৱে ইটা-ভাতাসমূহলৈ মাটি সৰবৰাহ কৰা কাৰ্য বন্ধ কৰিবলৈ জিলা বন বিভাগক স্থানীয় সচেতন মহলে দাবী জনাইছে। এইক্ষেত্ৰত বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী আৰু চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মাক ভূ-মাফিয়াৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় সচেতন মহলে আহ্বান জনাইছে।

## সাংসদ ৰকিবুল হুছেইনৰ মন্তব্যক লৈ ধুবুৰীত প্ৰতিক্ৰিয়া

# 'আমি নহয়, আপুনিহে মিৰ্জাফৰ'

**ই-সংবাদ, কলগাছিয়া, ১৭ এপ্ৰিলঃ** ধুবুৰী লোকসভা সমষ্টিৰ সাংসদ ৰকিবুল হুছেইনে বিজেপি কৰা সংখ্যালঘুসকলক মিৰ্জাফৰ বুলি মন্তব্য কৰাৰ বিৰুদ্ধে জাঙুৰ খাই উঠিছে সংখ্যালঘুভোটাৰসকল। এইক্ষেত্ৰত ৮ নং কলগাছিয়া জিলা পৰিষদৰ বিজেপি দলৰ মনোনীত প্ৰাৰ্থী ফাহমিদা খানে সাংসদগৰাকীৰ এনেধৰণৰ মন্তব্যৰ বিৰুদ্ধে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে সাংসদ ডাঙৰীয়া আমি মিৰ্জাফৰ নহয়। আপুনিহে মিৰ্জাফৰ। কাৰণ আপুনি কংগ্ৰেছৰ পৰা কেইবাবাৰো কেবিনেট মন্ত্ৰী হৈছিল। কংগ্ৰেছৰ ডাঙৰ মন্ত্ৰী হৈও আপুনি সংখ্যালঘুৰ হৈ একো কাম কৰা নাই। ৰাইজে আশা কৰি আপোনাক ধুবুৰীৰ পৰা দহ লাখ ভোটত সাংসদ বনাইছে। দিল্লীত সংখ্যালঘুৰ হকে এটা শব্দও উচ্চাৰণ নকৰিলে। গতিকে চিন্তা কৰি কথা ক'ব মিৰ্জাফৰ আপুনিহে। আপুনি সংখ্যালঘুৰ মাটিৰ পট্টা দিয়া নাই। ডি ভোটাৰৰ সমস্যা সমাধান নকৰিলে। সংখ্যালঘুৰ পক্ষে মাত মাতিবলৈ আপোনাৰ অসুবিধা হয়। সাংসদ ডাঙৰীয়া, ধুবুৰীৰ ৰাইজে আপোনাক ভোট দি এপাচি মাটিহে খাইছে। সেই কথাটো ৰাইজে এতিয়া বুজি পাইছে। নিজ সমষ্টি চামগুৰিৰ পৰা আপুনি পছুখেদা খাইছে। এতিয়া ধুবুৰীৰ পৰাও পছুখেদা খোৱাৰ সময় আহি পৰিছে। আপুনি ধুবুৰীৰ টকাৰে লখিমপুৰত কাম কৰি আছে। বান আহিলে পলাই থাকে। গতিকে মিৰ্জাফৰ আমি নহয় আপুনিহে। সমাগত পঞ্চায়ত নিৰ্বাচনত ধুবুৰীৰ ৰাইজে আপোনাক উচিত শিক্ষা দিব। গতিকে আপুনি চাই থাকক মিৰ্জাফৰ আমিনে আপুনি, ৰাইজে বিচাৰ কৰিব।

## দায়িত্ববাহী বিষয়াক প্ৰতিটো বিষয় সূক্ষ্মভাৱে পৰ্যবেক্ষণৰ নিৰ্দেশ

# সম জিলাতো কৰা হ'ব ভোটগণনা, স্থাপন হ'ব ষ্ট্ৰং ৰুম

**ই-সংবাদ, লাহৰীঘাট, ১৭ এপ্ৰিলঃ** মৰিগাঁও জিলাত সমাগত পঞ্চায়ত নিৰ্বাচন সুচাৰুৰূপে সম্পন্ন কৰা সন্দৰ্ভত আজি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত তথা জিলা নিৰ্বাচন বিষয়া দেৱাশিস শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকত মৰিগাঁৱৰ নিৰ্বাচনী পৰ্যবেক্ষক উদয়াদিত্য গগৈ, লাহৰীঘাট সম জিলাৰ পৰ্যবেক্ষক সুষমা হাজৰিকা আৰু জাগীৰোড সম জিলাৰ পৰ্যবেক্ষক সুস্বপ্না কাকতিয়ে বিভিন্ন কোষৰ মুৰব্বীসকলৰ পৰা নিৰ্বাচনী কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। সভাত জিলা আয়ুক্তগৰাকীয়ে সমগ্ৰ নিৰ্বাচনী প্ৰক্ৰিয়াটো যাতে সুচাৰুৰূপে আৰু ত্ৰুটিমুক্তভাৱে সম্পন্ন হয় তাৰ বাবে দায়িত্ববাহী প্ৰতিগৰাকী বিষয়াক প্ৰতিটো বিষয় অতি সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰিববলৈ নিৰ্দেশ দিয়ে। তেওঁ ভোটগ্ৰহণৰ কামত নিয়োজিত বিষয়া-কৰ্মচাৰীসকলে যাতে ভোটগ্ৰহণৰ সময়ত কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন নহয় সেয়া সুনিশ্চিত কৰাৰ বাবে যৎপৰোনাস্তি প্ৰয়াস চলাবলৈ নিৰ্দেশ দিয়ে। তেওঁ সম জিলা আয়ুক্তসকলৰ পৰা নিৰ্বাচনী প্ৰস্তুতি আৰু বিশেষভাৱে নিৰ্বাচনী কাম-কাজত ব্যৱহাৰ হ'বলগীয়া বাহনসমূহৰ পাৰ্কিং, পৰিবহণ আদিৰ সঠিক পৰিকল্পনা, সম জিলা দুখনত ষ্ট্ৰং ৰুম, ভোটগণনা কেন্দ্ৰ স্থাপন আদিৰ বিস্তৃতভাৱে বুজ লয়। সভাত মৰিগাঁও জিলাৰ আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাসে কয় যে যিহেতু মৰিগাঁও, লাহৰীঘাট আৰু জাগীৰোডৰ তিনিটা স্থানত ষ্ট্ৰং ৰুম থাকিব আৰু ভোটগণনা কেন্দ্ৰও তিনিওটা স্থানত থাকিব, সেয়েহে নিৰাপত্তা ব্যৱস্থাৰ ক্ষেত্ৰত প্ৰথম পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হৈ যোৱা জিলাৰ পৰা আৰক্ষীৰ লোক মোতায়েন কৰিব লাগিব। তেওঁ বিধি অনুযায়ী ফ্লায়িং স্কোৱাড, এছ এছ টি আদিত আৰক্ষীৰ লোক নিয়োগ কৰাৰ লগতে প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত আৰক্ষীৰ লোক নিয়োগ কৰা হ'ব বুলি কয়। সভাত সম জিলা আয়ুক্তদ্বয় প্ৰাঞ্জল বৰুৱা আৰু হৃদয় কুমাৰ দাসে নিজ নিজ জিলাৰ কাম-কাজৰ খতিয়ান দাঙি ধৰে। সভাত জিলা উন্নয়ন আয়ুক্ত অৰ্পা বাগলাৰী, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অনন্ত কুমাৰ গগৈ, অতিৰিক্ত জিলা আয়ুক্ত অনুসূয়া শৰ্মা, সংগীতা বৰঠাকুৰ, সুলক্ষণা বৰপাত্ৰগোহাঁই আৰু নিতিশা বৰাই নিজ নিজ কোষৰ কাম-কাজৰ বিতং বৰ্ণনা কৰে। সভাত চক্ৰ বিষয়াসকল, সহকাৰী আয়ুক্তসকল আৰু বিভিন্ন কোষৰ সংশ্লিষ্ট বিষয়াসকল উপস্থিত আছিল। ইফালে আজি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত সমাগত পঞ্চায়ত নিৰ্বাচনৰ বাবে বেলত বাকচৰ ৰেণ্ডমাইজেশ্যন সফলতাৰে সম্পন্ন হয়। এই প্ৰক্ৰিয়াত জিলা আয়ুক্ত, তিনিওগৰাকী পৰ্যবেক্ষক আৰু অতিৰিক্ত জিলা আয়ুক্ত উপস্থিত আছিল। উল্লেখ্য যে এতিয়াৰে পৰা যিকোনো নিৰ্বাচনী ৰেলী, প্ৰচাৰ সভা আদি অনুষ্ঠিত কৰাৰ বাবে লাহৰীঘাট সম জিলা আৰু জাগীৰোড সম জিলাৰ অধীনৰ এলেকাসমূহৰ প্ৰাৰ্থীয়ে সংশ্লিষ্ট সম জিলাৰ কাৰ্যালয়ত অনুমতিৰ আবেদন কৰিলেই হ'ব। উল্লেখ্য যে মৰিগাঁও জিলাত ১২ খন জিলা পৰিষদ, ৫ খন আঞ্চলিক পঞ্চায়ত আৰু ৮৪ খন গাঁও পঞ্চায়তৰ অন্তৰ্গত ৮৪০ টা ৱাৰ্ডৰ সদস্য পদৰ বাবে ৯৭২ টা ভোটগ্ৰহণ কেন্দ্ৰত ৭ মে'ত পুৱা ৭.৩০ বজাৰ পৰা বিয়লি ৪.৩০ বজালৈকে দ্বিতীয় পৰ্যায়ত পঞ্চায়ত নিৰ্বাচনৰ ভোটগ্ৰহণ সম্পন্ন হ'ব। পঞ্চায়ত নিৰ্বাচনত মৰিগাঁও জিলাৰ ৫ খন আঞ্চলিক পঞ্চায়তত ৮৪ গৰাকী ছেক্টৰ বিষয়া, ১২ গৰাকী জ'নেল বিষয়া নিয়োগ কৰাৰ লগতে ১১৬৬ গৰাকী প্ৰিজাইডিং বিষয়া আৰু ১১৬৬ গৰাকীকৈ প'লিং বিষয়া নিয়োগ কৰা হৈছে। পঞ্চায়ত নিৰ্বাচনত গাঁও পঞ্চায়তৰ সদস্যৰ বাবে ব্যয়ৰ সীমা ২৫ হাজাৰ টকা, আঞ্চলিক পঞ্চায়ত সদস্যৰ বাবে ২,৫০,০০০ টকা আৰু জিলা পৰিষদৰ বাবে ১০,০০,০০০ টকা ধাৰ্য কৰা হৈছে। পঞ্চায়ত নিৰ্বাচনত ভোটদানৰ বাবে যোগ্য ভোটাৰৰ তালিকা https://ermssec.assam.gov.in/download-pdf-electoral-roll ত ৰাইজৰ বাবে উপলব্ধ হ'ব।

# স্বামীৰ ভোট যদি টিহু সমষ্টিত পত্নীৰ ভোট নলবাৰী সমষ্টিত

## ভোটাৰ তালিকাত বিসংগতি

**ই-সংবাদ ব্যুৰ', নলবাৰী, ১৭ এপ্ৰিলঃ** সমষ্টি পুনৰ নিৰ্ধাৰণ পিছত ৰাজ্যখনৰ বিভিন্ন জিলাৰ লগতে নলবাৰীতো বহু ভোটাৰৰ গাঁও পঞ্চায়তৰ আগৰ ঠিকনা হেৰুৱাটো নিশ্চিত হৈ পৰিছে। ইয়াৰ লগে লগে ভোট কেন্দ্ৰত বহু ভোটাৰৰ ভোটাধিকাৰ সাব্যস্ত কৰাতো অসুবিধাই দেখা দিয়াৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে নলবাৰীৰ এখন গাঁও এতিয়া চৰ্চালৈ আহিছে। বিভিন্ন সমস্যাৰে ভাৰাক্ৰান্ত এই গাঁওখন। পিছে এই গাঁওখনৰ ৰাইজে পঞ্চায়ত নিৰ্বাচনত এইবাৰ ভোট বৰ্জন কৰাৰ হুংকাৰ দিছে। জিলাখনৰ ঢেকীয়াবাৰী নামৰ গাঁওখনত আছে অনেক সমস্যা। কিন্তু সমাগত পঞ্চায়ত নিৰ্বাচন যদিও গাঁওখনৰ চাৰিটা পৰিয়ালৰ মাজত এতিয়া হাহাকাৰময় পৰিৱেশৰ সৃষ্টি হৈছে। কিয়নো গাঁওখনৰ চাৰিটা পৰিয়ালৰ পত্নী আৰু স্বামীৰ নাম দুটা পৃথক পৃথক সমষ্টিৰ ভোটাৰ তালিকাত সন্নিৰিষ্ট হৈছে। স্থানীয় লোকৰ অভিযোগ অনুসৰি গাঁওখনৰ ৰিজুমণি বৰ্মন নামৰ মহিলাগৰাকী নলবাৰী সমষ্টিৰ আৰু স্বামী দীনেশ বৰ্মনৰ নাম অন্তৰ্ভুক্ত হৈছে টিহু সমষ্টিত। একেদৰে মিতালী বৰ্মন নলবাৰী সমষ্টিৰ স্বামী অতুল বৰ্মন টিহু সমষ্টিৰ। আনহাতে বৰ্ণালী বৰ্মন নলবাৰী সমষ্টিৰ স্বামী বীৰেন বৰ্মন টিহু সমষ্টিৰ। তদুপৰি আৰতি বৰ্মন নলবাৰী সমষ্টিৰ আৰু স্বামী অক্ষয় বৰ্মন টিহু সমষ্টিৰ। সম্প্ৰতি এতিয়া গাঁওখনত পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে দেখা দিয়া এনে বিসংগতিৰ বাবে বহু লোক এতিয়া চৰকাৰী আঁচনিৰ পৰা বঞ্চিত হোৱাৰ অভিযোগ উঠিছে। ইয়াকে লৈ যেন ঢেকীয়াবাৰীৰ এতিয়া এই পৰিয়ালসমূহৰ মাজত অসুবিধাৰ সৃষ্টি হৈছে। আনহাতে মুকালমুৱাৰ পৰা ভুটান সংযোগী ঢেকীয়াবাৰী সংলগ্ন পথটোক লৈ ক্ষুব্ধ ইয়াৰ ৰাইজ। ইপিনে ইয়াৰ একাংশ লোকে অৰুণোদয়, কৃষক সাহায্য, চৰকাৰী আবাসৰ পৰা বঞ্চিত হোৱাৰ অভিযোগ উত্থাপন হৈছে। সেয়ে এতিয়া ঢেকীয়াবাৰীৰ একাংশ লোকে পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে তেওঁলোকৰ দাবী পূৰণ নহ'লে ভোট বৰ্জনৰ হুংকাৰ প্ৰদান কৰিছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# দুধনৈৰ মাটিয়া কাৰিপাৰাত দুটাকৈ ফৈদৰ সংঘৰ্ষত মহিলাসহ ৭ জন গুৰুতৰভাৱে আহত

**ই-সংবাদ, ধূপধৰা, ১৭ এপ্ৰিলঃ** গোৱালপাৰা জিলাৰ দুধনৈৰ সমীপৰ মাটিয়া কাৰিপাৰাত আজি এক সাধাৰণ কাজিয়াৰ পৰা ভয়ংকৰ আক্ৰমণৰ ঘটনা সংঘটিত হয়। এই আক্ৰমণত এটা ফৈদৰ লোকে কেইবাজনো লোকক আক্ৰমণ কৰাৰ ফলত মহিলাসহ ৭ গৰাকী লোক গুৰুতৰভাৱে আহত হয়। জানিব পৰা মতে প্ৰথমে দুটি শিশুৰ মাজত কাজিয়াৰ সৃষ্টি হয় আৰু এই কাজিয়াৰ পৰাই পিছলৈ ভয়ংকৰ আক্ৰমণৰ সূত্ৰপাত হয়। অভিযোগ মতে এটা ফৈদৰ কেইবাগৰাকী লোকৰ দলবদ্ধ আক্ৰমণত লোককেইজন আহত হয়। আহত লোককেইজন হৈছে ক্ৰমে হাছেন আলী (২৮), নুৰেন নেছা (৬০), হালিমা বেগম (৩০), মনছুৰা বেগম (৩৫), মমিনুল হক (২২), মঞ্জু বেগম (৪৫), আতিকা বেগম (১৭) । ইয়াৰে নুৰেন নেছা, হাছেন আলী আৰু মমিনুল হকৰ অৱস্থা সংকটজনক বুলি জানিব পৰা গৈছে । আহতসকলক গোৱালপাৰা চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে।

# ৰঙিয়া ষ্টেচনত মহিলা যাত্ৰী নিৰুদ্দেশ

**ই-সংবাদ, ৰঙিয়া, ১৭ এপ্ৰিলঃ** ওদালগুৰিৰ পৰা জলপাইগুৰি অভিমুখে ৰে'ল যাত্ৰা কৰাৰ সময়তে ৰঙিয়া ষ্টেচনৰ পৰা এগৰাকী মহিলা যাত্ৰী কালিৰে পৰা সন্ধানহীন হৈ থকা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। ৰঙিয়া ষ্টেচনৰ ৪ নং প্লেটফৰ্মৰ পৰা সন্ধানহীন হোৱা মহিলাগৰাকী পদম কুমাৰী নেউপানী। মহিলাগৰাকীৰ সন্ধানহীনৰ ঘটনা সন্দৰ্ভত চিচি টিভিৰ দৃশ্য প্ৰত্যক্ষ কৰি ৰে'লখন ৰঙিয়া ষ্টেচন পোৱা মাত্ৰকে মহিলাগৰাকী নামি যোৱা বুলি নিশ্চিত হয় পৰিয়ালৰ লোক। ইতিমধ্যে ঘটনা সন্দৰ্ভত ৰঙিয়া থানাত এজাহাৰ দাখিল কৰিছে পৰিয়ালৰ লোকে। এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে মহিলাগৰাকীৰ সন্ধানত অনুসন্ধান আৰম্ভ কৰিছে বুলি জানিব পৰা গৈছে।

# অসম প্ৰদেশ সাংবাদিক সন্থাৰ নলবাৰী জিলা সমিতি গঠন

**ই-সংবাদ, নলবাৰী, ১৭ জানুৱাৰীঃ** অসমৰ মফচলীয় অঞ্চলৰ চৰকাৰী চাকৰিবিহীন সাংবাদিক তথা সংবাদকৰ্মীৰ আৰ্থিক আৰু সামাজিক নিৰাপত্তাৰ স্বাৰ্থত গঠিত উমৈহতীয়া মঞ্চ 'অসম প্ৰদেশ সাংবাদিক সন্থা'(আপজু)ৰ নলবাৰী জিলা সমিতিখন আজি নতুনকৈ গঠন কৰা হয়। পূৰ্বৰ সমিতিখনৰ দুবছৰীয়া কাৰ্যকাল অন্ত পৰাত আজি জিলা সমিতিখন সৰ্বসন্মত সিদ্ধান্ত মৰ্মে গঠন কৰা হয়। এই উপলক্ষে আজি নলবাৰী জিলা কৰ্মচাৰী ভৱনত অনুষ্ঠিত হয় সন্থাৰ নলবাৰী জিলা সমিতিৰ দ্বি-বাৰ্ষিক সভা। সভাত পূৰ্বৰ জিলা সমিতিৰ দুবছৰীয়া কাৰ্যকালৰ ওপৰত বিষদভাৱে আলোচনা কৰা হয়। উক্ত সভাত সন্থাৰ জিলা সমিতিৰ সাধাৰণ সম্পাদক প্ৰণৱজ্যোতি কলিতাই দুবছৰীয়া কাৰ্যকালৰ খতিয়ান দাঙি ধৰে। আপজুৰ নলবাৰী জিলা সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি শশাংক শৰ্মাৰ পৌৰোহিত্যত অনুষ্ঠিত বিষয় বাছনি সভাত আলতাফ হুছেইনক সভাপতি, শশাংক শৰ্মাক উপ-সভাপতি, প্ৰণৱজ্যোতি কলিতাক সাধাৰণ সম্পাদক, ধনজিৎ দাসক সহকাৰী সম্পাদক, ৰাজকুমাৰ পাণ্ডেক কোষাধ্যক্ষ, দিগন্ত বৰ্মনক পত্ৰিকা সম্পাদক, অৰূপ ৰঞ্জন বৰ্মন, চম্পক বৈশ্য, শ্বাহ আলাউদ্দিন আহমেদক কাৰ্যনিৰ্বাহক সদস্য আৰু প্ৰদীপ কুমাৰ কলিতাক উপদেষ্টা হিচাপে লৈ আগন্তুক কাৰ্যকালৰ বাবে সন্থাৰ নলবাৰী জিলা সমিতিখন গঠন কৰা হয়।

# দুধনৈৰ দুটা কেন্দ্ৰত অনুষ্ঠিত হ'ব 'নীট' পৰীক্ষা

ই-সংবাদ, ধূপধৰা, ১৭ এপ্ৰিলঃ ৪ মে'ত দেশৰ অন্যান্য স্থানৰ লগতে গোৱালপাৰা জিলাৰ দুধনৈতো সৰ্বভাৰতীয় পৰ্যায়ৰ National Eligibility cum Entrance Test, চমুকৈ নীট ( NEET) শীৰ্ষক পৰীক্ষা অনুষ্ঠিত হ'ব। দুধনৈৰ দুটাকৈ কেন্দ্ৰত অনুষ্ঠিত হ'ব এই পৰীক্ষা। সৰ্বভাৰতীয় পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া নীট (NEET) শীৰ্ষক পৰীক্ষা এইবাৰ গোৱালপাৰা জিলাৰ পাঁচটা কেন্দ্ৰত অনুষ্ঠিত হ'ব। এই পৰীক্ষা অনুষ্ঠিত কৰা সন্দৰ্ভত আজি গোৱালপাৰাৰ জিলা আয়ুক্ত খনীন্দ্ৰ চৌধুৰীৰ সভাপতিত্বত এখন প্ৰস্তুতি সভা অনুষ্ঠিত হয়। অতিৰিক্ত জিলা আয়ুক্ত অৰুণ কুমাৰ ব্ৰহ্ম আৰু নৰজিৎ পাঠকৰ লগতে 'নীট'ৰ গোৱালপাৰা জিলাৰ পৰীক্ষা সমন্বয়ক তথা কেন্দ্ৰীয় বিদ্যালয়, গোৱালপাৰাৰ অধ্যক্ষ শিৱ প্ৰকাশ শৰ্মাই সভাখনত অংশগ্ৰহণ কৰে। এই পৰীক্ষা জিলাখনৰ গোৱালপাৰা মহাবিদ্যালয়, দুধনৈ মহাবিদ্যালয়, দুধনৈস্থিত জৱাহৰ নৱোদয় বিদ্যালয়, পৃথ্বীৰাম চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয় আৰু কেন্দ্ৰীয় বিদ্যালয়, গোৱালপাৰা এই পাঁচটা পৰীক্ষা কেন্দ্ৰত মুঠ ১,৯০৭ গৰাকী পৰীক্ষাৰ্থীৰ বাবে নীট পৰীক্ষা অনুষ্ঠিত হ'ব। গোৱালপাৰাৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাগৃহত অনুষ্ঠিত সভাখনত আটাইকেইটা পৰীক্ষা কেন্দ্ৰৰ কেন্দ্ৰ অধীক্ষক আৰু উপ-অধীক্ষকসকল উপস্থিত থকাৰ লগতে অন্যান্য দায়িত্ব থকাসকলেও অনলাইনযোগে সভাত অংশগ্ৰহণ কৰে। গোৱালপাৰা জিলাৰ আটাইকেইটা পৰীক্ষা কেন্দ্ৰতে কটকটীয়া সুৰক্ষা ব্যৱস্থা আৰু নিৰ্দেশাৱলী অনুসৰি ৰাষ্ট্ৰীয় মানদণ্ডৰ ব্যৱস্থাপনাৰে এই পৰীক্ষা অনুষ্ঠিত কৰা হ'ব বুলি আজি জিলা আয়ুক্ত খনীন্দ্ৰ চৌধুৰীয়ে অৱগত কৰে।

# ৰাইদঙীয়াত সৌৰভ শাখা সাহিত্য সভাৰ 'নিজৰ দিন' পালন

**ই-সংবাদ, বেৰেজীয়া, ১৭ এপ্ৰিলঃ** সমগ্ৰ ৰাজ্যৰ দৰে নগাঁও জিলাৰো সৰ্বত্ৰে এতিয়া অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহুৰ অপাৰ আনন্দ-উল্লাস বিয়পি পৰিছে। জিলাখনৰ প্ৰান্তে প্ৰান্তে নানা কাৰ্যসূচী ৰূপায়ণেৰে সকলোৰে ৰঙালীৰ ৰঙত নিজকে বিলীন কৰি দিছে। ইয়াৰ মাজতে মঙলবাৰে পহিলা ব'হাগৰ দিনা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰে জিলাখনৰ ৰাইদঙীয়াতো সোণাই নদী উত্তৰাঞ্চলিক সৌৰভ শাখা সাহিত্য সভাৰ উদ্যোগত বেছ ওলহ-মালহেৰে অসম সাহিত্য সভাৰ 'নিজৰ দিন' কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই মৰ্মে, ৰাইদঙীয়াৰ পাঁচআলিস্থিত সৌৰভ ভৱন প্ৰাংগণত এক উখল-মাখল পৰিৱেশৰ সৃষ্টি হয়। বৃহত্তৰ অঞ্চলটোৰ জ্যেষ্ঠ নাগৰিকসকলৰ উপস্থিতিত অনুষ্ঠিত হোৱা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিৰ পহিলাতেই অসম সাহিত্য সভাৰ 'নিজৰ দিন' উদযাপনৰ বিষয়ে সোণাই নদী উত্তৰাঞ্চলিক শাখা সাহিত্য সভাৰ সম্পাদক নাৰায়ণ চন্দ্ৰ দাসে বক্তব্য প্ৰদান কৰাৰ লগতে আদৰণি ভাষণ আগবঢ়ায় শাখাৰ সভাপতি সুৰেশ চন্দ্ৰ বৰাই। ইয়াৰ পিছতে উপস্থিত অঞ্চলৰ সকলো জ্যেষ্ঠ নাগৰিকক শাখাৰ তৰফৰ পৰা ফুলাম বিহুৱানেৰে তেওঁলোকৰ দীৰ্ঘায়ু কামনাৰে বিহুৰ ওলগ জনাই আশীষ গ্ৰহনৰ লগতে নসত্ৰৰ খগেন কলিতা, ফুলগুৰিৰ যজ্ঞচিং পাটৰ, পছুকটাৰ মুনিন্দ্ৰ বৰুৱা আৰু বৰিগাঁৱৰ পুষ্প বৰাক অসম সাহিত্য সভাৰ পৰা 'নিজৰ দিন' উপলক্ষে প্ৰেৰণ কৰা ওলগনি পত্ৰ প্ৰদান কৰা হয়। অঞ্চলটোৰ জ্যেষ্ঠ-কনিষ্ঠৰ মিলনেৰে জীপাল হৈ পৰা এই অনুষ্ঠানত সমাজকৰ্মী লাচিত বৰদলৈ, নৱ কমল ৰাজা, দিলীপ বৰা, অৰুণ শইকীয়া, প্ৰবীণ পাটৰ, নৱ কুমাৰ বৰা, ৰিণ্টু গোস্বামী, লোকনাথ শইকীয়া, বিচিত্ৰ নাৰায়ণ শইকীয়া, শিৱ প্ৰসাদ বৰা, সূৰ্য ৰাজখোৱা, জগত জ্যোতি দাস, সপোন ভুঞা, শান্তনু ভুঞাকে প্ৰমুখ্য কৰি বহুসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উক্ত অনুষ্ঠানত অগ্ৰণী সামাজিক-সাংস্কৃতিক অনুষ্ঠান 'উদয়ন'ৰ শিল্পীসকলৰ দ্বাৰা লোক সংস্কৃতিৰ মনোৰম অনুষ্ঠান পৰিৱেশনেৰে অনুষ্ঠানস্থলী উজলাই তোলা হয়।

## 'মৌ-মাত'ৰ তৃতীয় বৰ্ষপূৰ্তি অনুষ্ঠান সম্পন্ন

**ই সংবাদ, মৈৰাবাৰী, ১৭ এপ্ৰিলঃ** শিশু আলোচনী 'মৌ-মাত'ৰ তৃতীয় বৰ্ষপূৰ্তি অনুষ্ঠানটি ধিঙৰ প্ৰিম প্ৰিন্টিং প্ৰেছ এণ্ড পাব্লিকেচন আৰু 'মৌ-মাত'ৰ মুখ্য কাৰ্যালয়ত ১৬ এপ্ৰিলৰ বিয়লি ৩ বজাত অনুষ্ঠিত হয়। ধিং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান হাজৰিকাই আলোচনীখন উন্মোচন কৰি কয় যে মৌ-মাত আলোচনীখনৰ মানবৈশিষ্ট্য কিমান সেয়া হয়তো এতিয়াও মানুহে বুজি পোৱা নাই, যি এতিয়া নহয় ৪০ বছৰৰ পিছত হ'লেও গৱেষকসকলে গৱেষণা কৰিবলৈ বিচাৰিব, ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ পাঠ্যক্ৰমৰ শিক্ষা সম্পৰ্কে আলোচনীখনত মন্তব্য দাঙি ধৰিলে শিশুসকল উপকৃত হ'ব আৰু 'মৌ-মাত' এখন উৎকৃষ্ট মানৰ আলোচনী বুলি মন্তব্য কৰে। অসম সাহিত্য সভাৰ কাৰ্যবাহী সদস্য তথা নগাঁও জিলাৰ প্ৰাক্তন সভাপতি নিত্যানন্দ বৰাই আলোচনীখনৰ নামকৰণক লৈ প্ৰশংসা কৰে। তেওঁ কয় যে মৌ-মাত আমাৰ বাবে, মানুহৰ বাবে, সমাজৰ বাবে বুকুৰ কুটুম, হৃদয়ৰ আপোন। 'মৌ-মাত' শিশুসকলৰ বাবে এখন উন্নত মানৰ আলোচনী আৰু প্ৰত্যেকটো লেখা অতি সবল, ভুৰুকাত হাতী ভৰোৱা লেখীয়া বুলি মত পোষণ কৰে। ধিং জাগৰণ সাহিত্য গোষ্ঠীৰ উপ-সভাপতি লেখক আশুতোষ বিশ্বাসে কয়, 'মৌ-মাত'ৰ সম্পাদিকা বন্দনা নাথ ঠাকুৰীয়াই দুঃসাহসিক অভিযান আৰম্ভ কৰিছে আৰু আলোচনীখত সদায় সহায়-সহযোগিতা আগবঢ়াই যাব বুলি কয়। ধিং জাগৰণ সাহিত্য গোষ্ঠীৰ মুখ্য সম্পাদক প্ৰেমেশ্বৰ ঠাকুৰীয়াই ভাষণ প্ৰসংগত কয়, বৰ্তমান সময়ত বহুতো আলোচনী মৃত্যুমুখী হোৱা দেখা গৈছে, তেনে ক্ষেত্ৰত 'মৌ-মাত' আলোচনীখনে তিনি বছৰ অতিক্ৰম কৰাটো এক বৃহৎ সফলতা, আলোচনীখনে শিশুসকলক এখন মঞ্চ দিয়াত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছে আৰু 'মৌ-মাত' এখন বৰ উন্নত মানৰ আলোচনী বুলি কয়। কবি, লেখক আলিম উদ্দিনে আলোচনীখনত সদায় সহায়-সহযোগিতা আগবঢ়াই যাব বুলি জানিবলৈ দিয়ে। ধিং জাগৰণ সাহিত্য গোষ্ঠীৰ সম্পাদক ক্ষীৰধৰ নাথে অতীত আৰু বৰ্তমানৰ শিক্ষা সম্পৰ্কত এক মন্তব্য দাঙি ধৰি কয় যে সাহিত্য চৰ্চা হোৱাটো খুবেই প্ৰয়োজন। ধিঙৰ ধৰ্মপৰায়ণ মহিলা, সম্পাদিকাৰ মাতৃ মনোৰমা দেৱীয়ে বন্দনা নাথ ঠাকুৰীয়াৰ শৈশৱৰ কালৰ কিছু কথা আগবঢ়াই কয় যে মোৰ মাজু ছোৱালী বন্দনা সৰুৰে পৰা বৰ সহজ-সৰল আৰু ঘৰখনৰ সকলোৰে অতি মৰমৰ। লগতে ঠাকুৰীয়াৰ পিতৃ প্ৰয়াত ললিত চন্দ্ৰ দেৱনাথে যে ঠাকুৰীয়াক সাহিত্য জগতত আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত যথেষ্ট অনুপ্ৰাণিত কৰিছিল তাক ব্যক্ত কৰে। অনুষ্ঠানটোৰ আঁত ধৰে বন্দনা নাথ ঠাকুৰীয়াই। সম্পাদিকা ঠাকুৰীয়াই শিশুসকলৰ প্ৰতি সকলোৰে দায়বদ্ধতা থাকে আৰু সকলো শিশুকে আপোন বুলি ভাবি সকলোৰে একেলগে আলোচনীখন আগবঢ়াই নিয়াটো প্ৰয়োজন বুলি কয়। তেওঁ আৰু কয় যে এই আলোচনীখনৰ মাধ্যমেৰেই হয়তো এদিন এগৰাকী শিশুৱে নিজৰ নাম বিশ্বদৰবাৰত প্ৰতিষ্ঠিত কৰাবলৈ সক্ষম হ'ব পাৰে।

# বৰডুমচা কবি সন্মিলনৰ উদ্যোগত 'বহাগী বৰণ' অনুষ্ঠান

**ই-সংবাদ, মাৰ্ঘেৰিটা, ১৭ এপ্ৰিলঃ** সদৌ অসম কবি সন্মিলনে বিগত বছৰৰ দৰেই এইবাৰো অসমৰ সমূহ জিলাতে "ব'হাগী বৰণ" কাৰ্যসূচী অনুষ্ঠিত কৰিছে।ইয়াৰে অংশ হিচাপে অসম-অৰুণাচল সীমান্তৱৰ্তী অঞ্চল বৰডুমচা শাখা কবি সন্মিলনেও বৃহত্তৰ বৰডুমচা অঞ্চলৰ বিভিন্ন ক্ষেত্ৰত আগবঢ়োৱা বৰঙনিৰ বাবে পাঁচজন ব্যক্তিক ঘৰে ঘৰে গৈ সম্বৰ্ধনা জনায়। বৰডুমচা শাখা সন্মিলনৰ সভাপতি নৱজ্যোতি তামুলী আৰু সম্পাদক মণ্টু মৰাণ, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক মোহন মৰাণ, শাখাৰ উপদেষ্টা সুমন মৰাণ, শাখা বুঢ়ীদিহিং শাখা সাহিত্য সভাৰ সভাপতি নৰেশ্বৰ শইকীয়া, প্ৰাক্তন সম্পাদক জয়ন্ত মৰাণ, শিক্ষক বিজয় মৰাণ, জ্যেষ্ঠ ব্যক্তি মনু মৰাণ আদিৰ উপস্থিতিত মহাত্মা গান্ধী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দেৱেশ্বৰ সোণোৱাল, অৱসৰী বিষয় শিক্ষক সুশীল শৰ্মা, ১ নং মহং গাঁও আঞ্চলিক নামঘৰৰ মুখ্য পুৰোহিত খনেশ্বৰ বড়া, ১ নং মহং গাঁৱৰ সমাজকৰ্মী আৰু ধৰ্মপ্ৰাণ ব্যক্তি মনু মৰাণ, বৰডুমচাৰ সমাজসেৱক পৰশুৰাম নেওপানী চেত্ৰীক একোখন সম্বৰ্ধনা-পত্ৰ, এখনি চেলেং আৰু একোটিকৈ কিতাপৰ টোপোলা প্ৰদান কৰি তেওঁলোকৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰা হয়। শাখা কবি সন্মিলনৰ সম্পাদক মণ্টু মৰাণে আঁত ধৰা অনুষ্ঠানটোত উপস্থিত থকা সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে সম্পাদকগৰাকীয়ে সমূহ অসমবাসীলৈ অসমীয়া নৱবৰ্ষ আৰু ব'হাগ বিহুৰ শুভেচ্ছা জ্ঞাপন কৰিছে।

# কয়াকুছি শাখা সাহিত্য সভাৰ 'নিজৰ দিন' পালন

**ই-সংবাদ, জনীয়া, ১৭এপ্ৰিলঃ** অসম সাহিত্য সভাই পহিলা ব'হাগৰ দিনটো 'নিজৰ দিন' হিচাপে পালন কৰি আহিছে। অসমৰ সাহিত্য-সংস্কৃতি, শৈক্ষিক তথা সামাজিক ক্ষেত্ৰখনলৈ অৱদান আগবঢ়োৱা জ্যেষ্ঠ ব্যক্তিসকলক ওলগনি-পত্ৰ, গ্ৰন্থৰ টোপোলা আৰু বিহুৱানেৰে ওলগ জনোৱা হয়। অসম সাহিত্য সভাৰ আহ্বানমৰ্মে বৰপেটা জিলা সাহিত্য সভাৰ অন্তৰ্গত অন্যতম শতদল শাখাৰ স্বীকৃতিপ্ৰাপ্ত কয়াকুছি সাহিত্য সভাই বৃহত্তৰ অঞ্চলটোৰ পাঁচগৰাকী বিশিষ্ট জ্যেষ্ঠ ব্যক্তি তথা অৱসৰপ্ৰাপ্ত শিক্ষক ক্ৰমে নাছিৰ উদ্দিন (চকিৰভিটা), আমীৰ হুছেইন (কমলপুৰ), ছেকেন্দাৰ আলী (কমলপুৰ), আব্দুল কদ্দুছ (খাবলাৰভিঠা) আৰু আব্দুছ ছালামক (অটা) ওলগ জনায়। শাখাৰ সভাপতি নূৰ হুছেইন, প্ৰাক্তন সভাপতি ডাঃ আব্দুল কদ্দুছ শিকদাৰ, প্ৰাক্তন সম্পাদক হান্নান আলী আহমেদ, সম্পাদক আব্দুল জলিল আৰু প্ৰকাশন সচিব হামিদা বেগমসহ এটি প্ৰতিনিধি দলে উল্লেখিত বিশিষ্ট ব্যক্তিসকলৰ বাসভৱনত উপস্থিত হৈ অসম সাহিত্য সভাৰ ওলগনি-পত্ৰ আৰু বিহুৱানেৰে সম্বৰ্ধনা জ্ঞাপন কৰে। জীৱনৰ এই বিয়লি বেলাত অসম সাহিত্য সভাই আগবঢ়োৱা ৰঙালীৰ ওলগ প্ৰাপ্তি অনুষ্ঠানটিত জীৱন ধন্য হ'ল বুলি মত পোষণ কৰি সাহিত্য সভালৈ কৃতজ্ঞতা জ্ঞাপন কৰে সম্বৰ্ধিত ব্যক্তিসকলে। আনহাতে ওলগপ্ৰাপ্ত পৰিয়ালৰ লোকেও কয়াকুছি সাহিত্য সভাৰ এনে পদক্ষেপৰ ভূয়সী প্ৰশংসা কৰি শলাগ লয়।

# মান্দাকাটাত বৰনৈৰ বুকুত অচিনাক্ত মৃতদেহ উদ্ধাৰ

**ই-সংবাদ, বাইহাটা চাৰিআলি, ১৭ এপ্ৰিলঃ** বিহুৰ বতৰতে এক চাঞ্চল্যকৰ ঘটনাই জোকাৰি গৈছে বৃহত্তৰ পূব কামৰূপ অঞ্চল। আজি কামৰূপ জিলাৰ বাইহাটা চাৰিআলি থানাৰ অন্তৰ্গত মান্দাকাটাত বৰনৈৰ বুকুত উদ্ধাৰ হৈছে এটি অচিনাকি শৱদেহ। ঘটনাস্থলীত অসংখ্য লোকে ভিৰ কৰা পৰিলক্ষিত হৈছে। পিছত উপস্থিত হয় বাইহাটা চাৰিআলি আৰক্ষী। বৰনৈৰ বুকুত উপঙি থকা শৱদেহটো দেখিমানুহৰ মাজত সৃষ্টি হয় কৌতূহলৰ। প্ৰত্যক্ষদৰ্শী তথা আৰক্ষীয়ে মৃতদেহটো বাতৰি যুগুতোৱা সময়লৈ চিনাক্ত কৰিব পৰা নাই। কোনোৱে ইয়াক হত্যাকাণ্ড আৰু কোনোৱে আত্মহত্যা বুলি সন্দেহ ব্যক্ত কৰিছে যদিও আৰক্ষীৰ তদন্তৰ পিছতহে পোহৰলৈ আহিব ঘটনাৰ প্ৰকৃত ৰহস্য।


• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নম্বৰত যোগাযোগ কৰক।

# পথ সুৰক্ষা সজাগতাৰ আহ্বানেৰে বিভিন্ন বিহু মঞ্চত পৰিবহণ বিভাগৰ ব্যতিক্ৰমী অনুষ্ঠান



**ই-সংবাদ, গুৱাহাটী, ১৭ এপ্ৰিলঃ** অসমক এখন দুৰ্ঘটনামুক্ত ৰাজ্য হিচাপে গঢ়ি তোলাৰ আহ্বানেৰে ৰঙালী বিহুৰ মঞ্চত কামৰূপ মহানগৰ জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ে পথ সুৰক্ষা সজাগতাৰ ব্যতিক্ৰমী অনুষ্ঠান আৰম্ভ কৰিছে। বুধবাৰে ক্ষেত্ৰীত অনুষ্ঠিত বৃহত্তৰ ডিমৰীয়া ৰঙালী বিহু সন্মিলনী, মঙলবাৰে চন্দ্ৰপুৰ আঞ্চলিক মুকলি বিহু সন্মিলনী, নাৰেংগী যুৱক সংঘৰ সৌজন্যত অনুষ্ঠিত কেন্দুগুৰি ৰঙালী বিহু উৎসৱ, পাঞ্জাবাৰী বাঘৰবৰি বিহু সন্মিলনী, সোমবাৰে গণেশগুৰি ৰঙালী বিহু সন্মিলনী আৰু আৰম্ভণিতে হেঙেৰাবাৰী সাৰ্বজনীন ৰঙালী বিহুৰ মঞ্চত পৰিবহণ বিভাগৰ বিশেষ কতৰ্ব্যৰত বিষয়া গৌতম দাসৰ নেতৃত্বত বিহুৰ লগত সংগতি ৰাখি পথ সুৰক্ষা সজাগতাৰ বিভিন্ন অনুষ্ঠান পৰিৱেশন কৰা হয়। ৰঙালী বিহু সমিতিসমূহৰ আমন্ত্ৰণমৰ্মে পৰিবহণৰ উচ্চপদস্থ বিষয়াগৰাকীয়ে বিহুৰ সাংস্কৃতিক সন্ধিয়াসমূহৰ মঞ্চ মুকলি কৰাৰ পিছতে পৰিবহণ বিভাগৰ দ্বাৰা পথ সুৰক্ষাৰ নীতি-নিৰ্দেশনাৰ আধাৰত বিশেষভাৱে প্ৰস্তুত কৰা বিহু হুঁচৰি, বিহুগীত, সজাগতামূলক নাটক আদি পৰিৱেশন কৰি সমাজৰ সৰ্বস্তৰতে পথ সুৰক্ষা সজাগতাৰ জনসচেতনতা সৃষ্টিৰ প্ৰচেষ্টা চলোৱা হয়। অনুষ্ঠানসমূহত অংশগ্ৰহণ কৰি তেওঁ কয় যে ব'হাগ মানেই আনন্দ-উলাহৰ অন্ত নাই। সেয়ে এই ব'হাগতেই যান-বাহন চলাওঁতে অথবা পথত যাতায়াত কৰোঁতে নিজকে সুৰক্ষিত কৰি ৰখাৰ লগতে আনকো সুৰক্ষা প্ৰদানৰ বাবে দৃঢ় পণ লোৱাৰ উপযুক্ত সময়। কিয়নো বিগত সময়ছোৱাত বিহুৰ এনে আনন্দ-উলাহৰ পৰিৱেশতে জাতিক বাট দেখুৱাব পৰা বহু সংস্কৃতিৱান মানৰ সম্পদ আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে হেৰাই যাবলগীয়া হৈছিল একো একোটা ভয়ংকৰ পথ দুৰ্ঘটনাত। সেয়ে এইবাৰ ব'হাগত কোনো পথ দুৰ্ঘটনাই যাতে অসমীয়া নতুন বছৰৰ উৎসৱৰ আনন্দক বিষাদত পৰিণত কৰিব নোৱাৰে তাৰবাবে তেওঁ সকলোকে সুৰক্ষিত যাতায়াত বজাই ৰাখিহে যান-বাহন চলাবলৈ আহ্বান জনায়। তেওঁ কয় যে দুচকীয়া বাহনত চালক-আৰোহী উভয়ে হেলমেট আৰু চাৰিচকীয়া বাহনত সকলোৱে ছীট বেল্ট ব্যৱহাৰ কৰক, তীব্ৰবেগ পৰিহাৰ কৰি নিয়ন্ত্ৰিত গতিতহে বাহন চলাওক। কেতিয়াও ৰাগিয়াল দ্ৰব্য সেৱন কৰি আৰু ম'বাইলত কথা পাতি বাহন নচলাব। অনাগত সময়ছোৱাত শিল্পী-বিহুৱা, সাংস্কৃতিক দলসমূহে ব্যৱহাৰ কৰা বাহনৰ চালকে যাতে কোনো কাৰণতে ৰাগিয়াল দ্ৰব্য সেৱন কৰিব নোৱাৰে তাৰবাবে তেওঁ সাংস্কৃতিক দলৰ মুৰব্বী আৰু আয়োজক অনুষ্ঠানসমূহক চোকা দৃষ্টি ৰাখিবলৈও আহ্বান জনায়।

# ৰাইডঙীয়াত সোণাই নৈৰ উত্তৰ আঞ্চলিক কেন্দ্ৰীয় ৰঙালী বিহু

**ই-সংবাদ, বেৰেজীয়া, ১৭ এপ্ৰিলঃ** ৰাজ্যৰ ভিতৰতে এক সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হোৱা নগাঁও জিলাৰ ৰাইডঙীয়াৰ সোণাই নৈৰ উত্তৰ আঞ্চলিক কেন্দ্ৰীয় ৰঙালী বিহু উৎসৱ ১৯ আৰু ২০ এপ্ৰিলত দুদিনীয়া বিস্তৃত কাৰ্যক্ৰমণিকাৰে উদযাপনৰ দিহা কৰা হৈছে। ইতিমধ্যে এই উৎসৱ সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে নৱ কুমাৰ বৰাক সভাপতি, লোকনাথ শইকীয়াক কাৰ্যকৰী সভাপতি আৰু ৰিণ্টু গোস্বামীক সাধাৰণ সম্পাদক হিচাপে লৈ গঠিত উদযাপন সমিতিয়ে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। এইবাৰ ৩৮ সংখ্যক বৰ্ষত ভৰি দিয়া এই উৎসৱৰ কাৰ্যসূচীৰ ভিতৰত প্ৰথম দিনা পুৱা পতাকা উত্তোলন আৰু স্মৃতি তৰ্পনৰ অন্তত প্ৰীতি জলপান গ্ৰহণ আৰু অন্তৰংগ আলাপৰ অনুষ্ঠান "হাঁচতি" অনুষ্ঠিত হ'ব। আলাপৰ বিষয়সমূহ হৈছে ক্ৰমে অসমীয়া হাঁচতিখন আৰু অসমীয়া ৰোৱণী-দাৱনিৰ হাঁচতিখনৰ আলোকপাত, মঞ্চ বিহু আৰু নতুন প্ৰজন্মৰ ৰুচিবোধৰ কিছু অৱলোকন, আধ্যাত্মিক দৃষ্টিৰে বিহু, হুঁচৰিৰ যথাৰ্থতা আৰু বৰ্তমানৰ হুঁচৰি, বিৱৰ্তনত বিহুনাচ আৰু বিহুনাম। ইয়াৰ পিছতে গোপীৰাম বৰদলৈৰ সোঁৱৰণত চিত্ৰাংকণ, স্মৃতি পৰীক্ষা, হাঁহ ধৰা, কলহ ভঙা, কলগছ বগোৱা আৰু পিঠাপনা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব । বিয়লি গুৰুদেৱ দাসৰ সোঁৱৰণত জিলা ভিত্তিত জেং বিহু প্ৰতিযোগিতা, সন্ধিয়া অঞ্চলটোৰ প্ৰশিক্ষণৰত বিহুৱতীৰ দ্বাৰা দলীয় বিহু নৃত্য প্ৰদৰ্শন আৰু নিশালৈ সদৌ অসম ভিত্তিত বিহু কুঁৱৰী প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ইফালে, দ্বিতীয় দিনা পুৱা মাৰাথন দৌৰ প্ৰতিযোগিতাৰ পিছতে চকী খেল, কুকুৰা যুঁজ, পাৰ-পুখুৰী আদি পৰম্পৰাগত থলুৱা খেল-ধেমালি অনুষ্ঠিত হ'ব। সন্ধিয়া সাজপাৰ প্ৰতিযোগিতাৰ অন্তত নিশা বঁটা বিতৰণী আৰু আদৰণী অনুষ্ঠানৰ পিছতে বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। সাংস্কৃতিক অনুষ্ঠানত 'বেহাৰবাৰী আউটপ'ষ্ট' খ্যাত ৰাকেশ আৰু লুটুকণৰ হাস্যৰস আৰু 'উদয়ন' সাংস্কৃতিক গোষ্ঠীৰ আকৰ্ষণীয় লোকনৃত্য প্ৰদৰ্শনৰ লগতে জনপ্ৰিয় কণ্ঠশিল্পী 'জুবলী'য়ে গীতৰ শৰাই আগবঢ়াব বুলি উদযাপন সমিতিৰ হৈ জগতজ্যোতি দাসে জানিবলৈ দিছে।

# সৰুপথাৰত সাধনী দিৱস আৰু মুকলি বিহুৰ আয়োজন

**ই-সংবাদ, সৰুপথাৰ, ১৭ এপ্ৰিলঃ** সৰুপথাৰ সমজিলাৰ ছেৰাগুৰিৰ সতী সাধনী উদ্যানত দিনজোৰা কাৰ্যসূচীৰে ২১ এপ্ৰিলত সাধনী দিৱস আৰু মুকলি বিহুৰ আয়োজন কৰাৰ বাতৰি পোৱা গৈছে। ধনশিৰি মহকুমা চুতীয়া ছাত্ৰ সন্থাৰ উদ্যোগত আৰু চুতীয়া জনগোষ্ঠীৰ আটাইকেইটা ভাতৃ-ভগ্নী সংগঠনৰ সহযোগত ৫০১ সংখ্যক সতী সাধনী দিৱসৰ লগত সংগতি ৰাখি কেইবাটাও কাৰ্যসূচী ৰূপায়ণ কৰিব বুলি জানিব পৰা গৈছে। উক্ত দিনা পুৱা পতাকা উত্তোলন, সতী সাধনীৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ, বৃক্ষ ৰোপণ আদিৰ পিছতেই দেওকুৱেৰ শলিতা লগোৱা সকাম অনুষ্ঠিত হ'ব। অনুষ্ঠানটোৰ লগত সংগতি ৰাখি চিত্ৰাংকণ আৰু ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। উল্লেখ্য যে অনুষ্ঠানটোত আমন্ত্ৰিত শিল্পী দলসমূহৰ দ্বাৰা মুকলি বিহু আৰু জাতি-জনগোষ্ঠীয় কৃষ্টি প্ৰদৰ্শন কৰা হ'ব। বিয়লি অনুষ্ঠিত হ'বলগীয়া মুকলি সভা উদ্বোধন কৰিব চুতীয়া উন্নয়ন পৰিষদৰ সদস্য মাধুৰ্য শইকীয়াই। সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি মহেন বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকিবলগীয়া সভাখনত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব সৰুপথাৰ বিধানসভা সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকন। মুকলি সভাত সৰুপথাৰ সমজিলাৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিক "ধনশিৰি ৰত্ন" আৰু "বীৰপাল বঁটা"ৰে সন্মান জনোৱা হ'ব। বিশিষ্ট সাহিত্যিক, লোক-সংস্কৃতিৰ গৱেষক, অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ প্ৰাক্তন উপ-সঞ্চালক ধৰ্মেশ্বৰ দুৱৰালৈ "ধনশিৰি ৰত্ন বঁটা ২০২৪", কণ্ঠ শিল্পী আচুৰ্য বৰপাত্ৰগোহাঁইলৈ "ধনশিৰি ৰত্ন বঁটা ২০২৫", বৰপথাৰৰ ওজা জিতেন বিৰালৈ "বীৰপাল বঁটা ২০২৪", ভাওনা সম্ৰাট ৰত্ন বঁটা প্ৰাপক শিশুৰাম শইকীয়ালৈ "বীৰপাল বঁটা ২০২৪" আগবঢ়াব বুলি ধনশিৰি মহকুমা চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি অভিজিত শইকীয়া, সম্পাদক ৰক্তিম হাজৰিকা আৰু ছেৰাগুৰি বীৰাংগনা সতী সাধনী উদ্যানৰ সভাপতি মাধুৰ্য শইকীয়াই স্বাক্ষৰ কৰা এক বিজ্ঞপ্তি যোগে জানিবলৈ দিছে।

# অভয়াপুৰীৰ বাটনিপাৰাত মুকলি বিহু

**ই-সংবাদ, অভয়াপুৰী, ১৭ এপ্ৰিলঃ** বঙাইগাঁও জিলাৰ চক্ৰভৌম বাটনিপাৰা ৰঙালী বিহু সন্মিলনীয়ে ১৫ ব'হাগত মুকলি বিহুৰ আয়োজন কৰিছে। বাটনিপাৰা-ভাছাখুটা ভাই ভাই সংঘৰ সৌজন্যত তৃতীয়সংখ্যক ৰঙালী বিহু উদ্যাপনৰ বাবে দিগন্ত ৰায়ক সভাপতি, ভাৰ্গৱ (মৃদুল) ৰাজবংশীক কাৰ্যকৰী সভাপতি, জিন্টু ৰায়কউপ-সভাপতি আৰু প্ৰিয় ৰায়ক সম্পাদক হিচাপে লৈ এখন সমিতি গঠন কৰা হৈছে। উদ্যাপন সমিতিয়ে ইতিপূৰ্বে ৩১ চ'ত (১৪ এপ্ৰিল)ৰ পুৱা পতাকা উত্তোলন, স্মৃতি তৰ্পণ, গছপুলি ৰোপণ, বিহু হুঁচৰি প্ৰদৰ্শনৰ লগতে প্ৰতিযোগিতামূলক খেল-ধেমালি অনুষ্ঠিত কৰে।

# নগাঁৱৰ পশ্চিমাঞ্চলত পুনৰ গৰু চোৰৰ উপদ্ৰৱ

**ই-সংবাদ, বেবেজীয়া, ১৭ এপ্ৰিলঃ** নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ গ্ৰামাঞ্চলত পুনৰ আৰম্ভ হৈছে গৰু চোৰৰ উপদ্ৰৱ। যাক লৈ স্থানীয় ৰাইজৰ মাজত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। আচলতে, অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহুৰ আনন্দ-উল্লাসৰ মাজতে গৰু বিহুৰ নিশা জিলাখনৰ কুজিদাঁহ অঞ্চলত গৰু চোৰে চলাই চাফাই অভিযান। প্ৰাপ্ত খবৰ মতে, জাজৰি আৰক্ষী থানাৰ এলেকাধীন কুজিদাঁহ উলুবাৰীৰ আদৰ্শ কৃষক গোপাল মহন্তৰ ঘৰত গৰু চোৰৰ দলে চুৰিকাৰ্য সংঘটিত কৰে। চোৰে আদৰ্শ কৃষকজনৰ গোহালি উদং কৰি প্ৰায় আঢ়ৈ লক্ষাধিক টকা মূল্যৰ দুজনী গাই আৰু দুটা দমৰা গৰু চুৰি কৰি নিয়ে। ফলত পৰিয়ালটোৰ উপাৰ্জনৰ সম্বল গৰুকেইটা এনেদৰে চোৰে চুৰি কৰি লৈ যোৱাত এতিয়া পৰিয়ালটোৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। উল্লেখ্য যে বিগত সময়ছোৱাত নগাঁৱৰ পশ্চিমাঞ্চলত প্ৰায়েই গৰু চুৰিৰ ঘটনা সংঘটিত হৈ আহিছে যদিও স্থানীয় আৰক্ষীয়ে লক্ষণীয়ভাৱে এনে চুৰিকাৰ্য ৰোধ কৰিবলৈহে সক্ষম হোৱা নাই। পিছে বিহুৰ আনন্দ-উল্লাসৰ মাজতে এনেদৰে গৰু চুৰি চক্ৰই গৃহস্থৰ গোহালি উদং কৰি নিয়া ঘটনাই আৰক্ষীৰ দুৰ্বলতাকে উদঙাই দিছে বুলি এতিয়া ৰাইজৰ মাজত চৰ্চা চলিছে। সেয়ে, পুনৰ দেখা দিয়া গৰু চোৰৰ উপদ্ৰৱ ৰোধ কৰাৰ বাবে আৰক্ষীক তৎকালে কাৰ্যকৰী পদক্ষেপ গ্ৰহণৰ দাবী জনাইছে অঞ্চলটোৰ সচেতন মহলে।

# বোন্দা আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ ‘মুখপত্ৰ’ জেতুকা উন্মোচন

**ই-সংবাদ, গুৱাহাটী, ১৭ এপ্ৰিলঃ** মহানগৰীৰ নাৰেংগীৰ সমীপৰ ৪১ সংখ্যক বোন্দা আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ একচত্বাৰিংশৎ মুখপত্ৰ ‘জেতুকা’ যোৱা নিশা ৮ বজাত শুভ উন্মোচন কৰা হয়। দীপক শৰ্মাক সভাপতি আৰু শৰৎ বৰ্মণক সম্পাদক হিচাপে লৈ প্ৰকাশিত মুখপত্ৰখনি উন্মোচন কৰে বিশিষ্ট লেখক, শিক্ষক মুকুল চন্দ্ৰ গোস্বামীয়ে। উন্মোচনী ভাষণত গোস্বামীয়ে কয় যে এখন মুখপত্ৰ, স্মৃতিগ্ৰন্থ এটা অনুষ্ঠানৰ, এটা অঞ্চলৰ দাপোণ। বিহুক বৰ বিহ নকৰিবৰ বাবে নতুন প্ৰজন্মৰ প্ৰতি তেওঁ আহ্বান জনায়। দীপক শৰ্মাই আঁত ধৰা অনুষ্ঠানত বিশিষ্ট সাহিত্যিক, সমাজ সংগঠক চাণ্ডিৰাম, বোন্দা আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ সভাপতি হেমন্ত কুমাৰ তালুকদাৰ, কাৰ্যকৰী সভাপতি ৰুণুমী বড়ো ৰংপী, সাধাৰণ সম্পাদক পংকজ টাৰা, মুখ্য উপদেষ্টা কুলেন চন্দ্ৰ নাথ, গাঁওবুঢ়া ভানাৰাম লালুং, প্ৰাক্তন সাধাৰণ সম্পাদক জিতেন ৰাভা, জিতু গগৈ, বুলু দাস, ৰঞ্জিৎ শইকীয়া, মিণ্টু দাস, সঞ্জয় লালুং প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। বোন্দা বিহুতলী লোকে লোকাৰণ্য হৈ পৰে। কাইলৈ বোন্দা আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ সামৰণি পৰিব।

# অসম কৃষি বিশ্ববিদ্যালয়ৰ অঃ অধ্যাপক ড০ উমেশ কলিতাৰ মৃত্যু

**ই-সংবাদ, পশ্চিম যোৰহাট, ১৭ এপ্ৰিলঃ** অসম কৃষি বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, শিক্ষক সন্থাৰ প্ৰাক্তন সম্পাদক ড০ উমেশ কলিতাৰ যোৱা নিশা যোৰহাট মিছন হস্পিতালত মৃত্যু হয়। ১৯৬২ চনৰ পহিলা ডিচেম্বৰত পাঠশালাৰ মুগুৰীয়া গাঁৱত জন্মগ্ৰহণ কৰা ডক্টৰ উমেশ কলিতা কৰ্মসূত্ৰে যোৰহাটৰ লিচুবাৰীৰ স্থায়ী বাসিন্দা আছিল। জটিল ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন অৱস্থাতে ডক্টৰ উমেশ কলিতাৰ মৃত্যুত অসম কৃষি বিশ্ববিদ্যালয়ৰ বংশগতি আৰু প্ৰজনন বিভাগত কৰ্মৰতসকলে শেষ শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে তেওঁৰ সহকৰ্মীসকলেও শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুই পুত্ৰক এৰি থৈ যায়।

# দুৰ্ধৰ্ষ বাইক চোৰ ৰাজু কৰক আটক বৰপেটাৰোড আৰক্ষীৰ

**ই-সংবাদ, বৰপেটাৰোড, ১৭ এপ্ৰিলঃ** বৰপেটাৰোড আৰক্ষীৰ সফলতা! ৰাজ্যত চলি থকা বৃহৎ চুৰি চক্ৰৰ সৈতে জড়িত দুৰ্ধৰ্ষ চোৰ ৰাজু কৰক বৰপেটাৰোডত আটক কৰিবলৈ সক্ষম হয়। বৰপেটাৰোড আৰক্ষীৰ শ্যামল জ্যোতি শইকীয়াৰ নেতৃত্বত চলা অভিযানত বঙাইগাঁৱৰ ৰাজু কৰ নামৰ দুৰ্ধৰ্ষ চোৰটোক আটক কৰিবলৈ সক্ষম হয়। বৰপেটাৰোডৰ পাচলি বজাৰত এখন বাইক চুৰি কৰি থকাৰ অৱস্থাত স্থানীয় আৰক্ষীয়ে হাতে-লোটে কাৰায়ত্ত কৰিবলৈ সক্ষম হয় দুৰ্ধৰ্ষ বাইক চোৰ ৰাজু কৰক। তাৰ পিছতেই বৰপেটাৰোড আৰক্ষীয়ে তদন্ত চলাই পাতিলাদহাৰ হাবিৰ মাজৰ পৰা লুকাই থোৱা অৱস্থাত AS-15 Q-9923 আৰু AS-25 K-7273 নম্বৰৰ দুখন গ্লেমাৰ বাইক উদ্ধাৰ কৰাৰ লগতে এপাত মাষ্টাৰ চাবিৰ লগতে এখন শ্ৰীমদ্ভগবদ গীতা উদ্ধাৰ কৰে। ইয়াৰ পূৰ্বেও বাইক চুৰি কৰি গ্ৰেপ্তাৰ হৈছিল বঙাইগাঁৱৰ সুভাষ কৰৰ পুত্ৰ ৰাজু কৰ(৩৭)। জানিব পৰা অনুসৰি ৰাজু বৃহৎ চুৰি চক্ৰৰ সৈতে জড়িত আছিল। ৰাজু কৰৰ ঘৰ বঙাইগাঁও ৰে'লৰে কলনীত।

# শিক্ষাবিদ-শিল্পী খগেন মেধিক সম্বৰ্ধনা

**ই-সংবাদ, নলবাৰী, ১৭ এপ্ৰিলঃ** সংস্কৃতি সমন্বয়ৰ সোপান- এই বাণী শিৰোধাৰ্য কৰি সংস্কৃতিক মহাসভা অসমে সাংস্কৃতিক ক্ষেত্ৰখন চহকী কৰিছে। সাংস্কৃতিক মহাসভা অসমৰ নলবাৰী জিলা সমিতিৰ উদ্যোগত প্ৰতি বছৰে অসমীয়া নৱবৰ্ষৰ দ্বিতীয় দিনা অৰ্থাত দুই ব'হাগৰ দিনা জিলাখনৰ প্ৰতিটো শাখাৰ দুজনকৈ শিল্পীক তেওঁলোকৰ গৃহলৈ গৈ সম্বৰ্ধনা জনাই আহিছে। এইবেলিও দুই ব'হাগত প্ৰতিটো শাখাৰ দুজনকৈ শিল্পীক সম্বৰ্ধনা জনোৱা হয়। সেই অনুসৰি বৰক্ষেত্ৰী আঞ্চলিক সমিতিৰ দুজন শিল্পীক সম্বৰ্ধনা জনোৱা হয়। প্ৰথম গৰাকী হ'ল কৃষ্ণগুৰু বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক, শিল্পী, সমাজ হিতৈষী তথা যোগ সাধক খগেন মেধি। মেধিৰ গৃহত বৰক্ষেত্ৰী আঞ্চলিক সমিতিৰ সভাপতি তথা বিশিষ্ট সাংবাদিক কনক কলিতা, সাংস্কৃতিক মহাসভা অসমৰ মাণ্ডলিক (গুৱাহাটীমণ্ডল) সম্পাদক তথা সাহিত্যিক, সাংবাদিক দিলীপ বৰ্মন, বৰক্ষেত্ৰী আঞ্চলিকৰ সম্পাদক নুৰ ইছলাম উপস্থিত হৈ মেধিক ফুলাম গামোচা, মানপত্ৰ আৰু গ্ৰন্থৰ টোপোলাৰে সম্বৰ্ধনা জনায়। মেধিৰ সম্বৰ্ধনা অনুষ্ঠানত অঞ্চলটোৰ বহুকেইজন সন্মানীয় ব্যক্তিও উপস্থিত থাকে। অনুষ্ঠআনত মহাসভাৰ মাণ্ডলিক সম্পাদক দিলীপ বৰ্মনে ভাষণ প্ৰদান কৰে। বৰক্ষেত্ৰী আঞ্চলিকৰ সভাপতি কনক কলিতাইও মেধিৰ বৰ্ণিল জীৱন পৰিক্ৰমাৰ ওপৰত ভাষণ দিয়ে। আঞ্চলিক সম্পাদক নুৰ ইছলামে সভাখনৰ আঁত ধৰে। অনুষ্ঠানত সম্বৰ্ধিত ব্যক্তি মেধিয়ে নিজৰ অনুভৱ ব্যক্ত কৰি সাংস্কৃতিক মহাসভাক এনে কাৰ্যৰ বাবে ধন্যবাদ দিয়ে। ইয়াৰ পিছত আঞ্চলিকখনৰ আন এগৰাকী নাগাৰা নামৰ জনপ্ৰিয় পাঠিকা অনিমা দাসকো তেওঁৰ গৃহলৈ গৈ সম্বৰ্ধনা জনোৱা হয়।

# বৰমাৰ নিজ জুলুকীত ৫৫ সংখ্যক ৰঙালী বিহু সন্মিলন

**ই-সংবাদ, বৰমা, ১৭ এপ্ৰিলঃ** বাক্সা জিলাৰ বৰমাৰ নিজ জুলুকীত বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰাৰে আজিৰে পৰা আৰম্ভ হৈছে নিজ জুলুকী ৫৫ সংখ্যক ৰঙালী বিহু সন্মিলন। নিজ জুলুকীৰ ৫৫ সংখ্যক ৰঙালী বিহু সন্মিলনৰ সাংকৃতিক শোভাযাত্ৰা শুভ উদ্বোধন কৰে বিটিআৰৰ কাৰ্যবাহী সদস্য ৰাকেশ ব্ৰহ্ম আৰু সমাজকৰ্মী কন্দৰ্প শৰ্মাই। যোৱা গাড়ী সজাই পৰাই এক দীঘলীয়া ভিন্ন জাতি-জনগোষ্ঠীৰ কৃষ্টিৰে সাংস্কৃতিক শোভাযাত্ৰাৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। শৰণীয়া কছাৰীসকলৰ বাঁহ গোসাঁই প্ৰতীকিকো সাংস্কৃতিক শোভাযাত্ৰাত প্ৰদৰ্শন কৰা হয়। উদুলি-মুদুলি পৰিৱেশৰ সৃষ্টি হয় নিজ জুলুকীৰ বিহুতলীৰ বাকৰিত। শেষৰ দিনা গীত পৰিৱেশন কৰিব অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী বাবু বৰুৱাৰ লগতে কেইবাগৰাকী কণ্ঠশিল্পীয়ে।

# পুৰণিগুদাম কেন্দ্ৰীয় বিহু উদযাপন সমিতিৰ উদ্যোগত 'চম্পাৱতী -২০২৫'

**ই-সংবাদ, পুৰণিগুদাম, ১৭ এপ্ৰিলঃ** নগাঁও জিলাৰ ঐতিহ্যমণ্ডিত পুৰণিগুদামত বিগত বৰ্ষৰ দৰে পুৰণিগুদাম কেন্দ্ৰীয় বিহু উদযাপন সমিতিৰ উদ্যোগত পুৰণিগুদাম কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনে "চম্পাৱতী ২০২৫" শীৰ্ষক দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰিছে। সমন্বয়-সংস্কৃতি আৰু কৃষিজীৱী মানুহৰ উৰ্বৰ বিশ্বাসৰ ভেটি গঢ়ি তোলাৰ মানসেৰে ২০২৩ চনৰ পৰা "চম্পাৱতী" নামেৰে অনুষ্ঠিত কৰি ৰঙালী বিহুটি বিগত বৰ্ষৰ দৰে এইবাৰো ১৮ আৰু ১৯ এপ্ৰিলত পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰাল খেলপথাৰ প্ৰাংগণত অনুষ্ঠিত হ'ব। ১৮ এপ্ৰিলৰ পুৱা ৮.৩০ বজাত বিহুৰ পতাকা উত্তোলন কৰিব উদযাপন সমিতিৰ সভাপতি জ্যোতিৰ্ময় গোস্বামীয়ে, পুৱা ১০ বজাৰ পৰা চিত্ৰাংকণ প্ৰতিযোগিতা, ১১.৩০ বজাত কুইজ প্ৰতিযোগিতা, সন্ধিয়া ৭ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া সদৌ অসম ভিত্তিত দলীয় বিহু প্ৰতিযোগিতাৰ মঞ্চ উদ্বোধন কৰিব চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মাই। ১৯ এপ্ৰিলৰ পুৱা ৫ বজাত মাৰাথন দৌৰ প্ৰতিযোগিতা, পুৱা ১০ বজাত ৰছী টনা প্ৰতিযোগিতা, দিনৰ ১১ বজাত টেকেলি ভঙা প্ৰতিযোগিতা, সন্ধিয়া ৭ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে। সাংস্কৃতিক অনুষ্ঠানৰ উপস্থিত থাকিব কুলদীপ বৰা, মৃন্ময়প্ৰাণ বৰা। লগতে সাংস্কৃতিক সন্ধিয়াৰ মুখ্য আকৰ্ষণ হিচাপে উপস্থিত থাকিব জনপ্ৰিয় কণ্ঠশিল্পী প্ৰিয়ংকা ভৰালী।

# ১৩ বহাগত তুলসী খৰিকটাত ৰঙালী বিহু উদযাপনৰ ব্যাপক প্ৰস্তুতি

**ই-সংবাদ, বাইহাটা চাৰিআলি, ১৭ এপ্ৰিলঃ** বিগত বছৰবোৰৰ দৰে এইবেলিও কামৰূপ জিলাৰ কমলপুৰ সমষ্টিৰ তুলসী খৰিকটা শিৱ মন্দিৰ প্ৰাংগণত ১৩ ব'হাগ দেওবাৰে অনুষ্ঠিত কৰা হ'ব ১৫ সংখ্যক বাৰ্ষিক ৰঙালী বিহু। ৰঙালী বিহুৰ পৰিচালনা সমিতিৰ মুখ্য সচেতক জগদীশ ডেকা আৰু সভাপতি নূৰ ইছলাম বড়াই অৱগত কৰা মতে পুৱা স্বচ্ছ অভিযান, মন্দিৰৰ শৰাই স্থাপন, বিহু পতাকা উত্তোলন, শ্বহীদ তৰ্পণ আৰু স্মৃতি তৰ্পণ আৰু গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। ইয়াৰ পিছতে বয়োজ্যেষ্ঠ ব্যক্তিসকলক বিহুৱান আৰু জলপান প্ৰদান অনুষ্ঠান সম্পন্ন কৰা হ'ব। খেল-ধেমালি প্ৰতিযোগিতা আৰু ভেশচন প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ পিছত আবেলি অসমীয়া সাজপাৰ পৰিহিত অঞ্চলটোৰ যুৱতী-মহিলাসকলৰ মাজত সুন্দৰী প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। সন্ধিয়া কণ কণ ল'ৰা-ছোৱালীৰ মাজত বিচিত্ৰানুষ্ঠান, বন্তি প্ৰজ্বলন, সোঁৱৰণী মঞ্চ উদ্বোধন, সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হ'ব। নিশা সাংস্কৃতিক অনুষ্ঠানত অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী তন্বিৰ মাচুক আৰু চয়নিকা কাশ্যপৰ গীতৰ শৰাইৰে অনুষ্ঠানৰ সামৰণি পৰিব। উদযাপন সমিতিয়ে ইতিমধ্যে বিহু উদযাপনৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে।

# সাহিত্য নগৰ সাহিত্য সভাৰ 'নিজৰ দিন' পালন

**ই-সংবাদ, মঙলদৈ, ১৭ এপ্ৰিলঃ** কৃষ্টিৰ পথাৰত সৃষ্টিৰ পাতনি মেলিবলৈ প্ৰকৃতিয়ে সেউজীয়া পোছাক পিন্ধাৰ এই মাহেন্দ্ৰ ক্ষণত ব'হাগৰ প্ৰথমটো দিনটোত অসম সাহিত্য সভাই পালন কৰি অহা 'নিজৰ দিন'ত মঙলদৈৰ সাহিত্য নগৰ সাহিত্য সভাই চহৰখনৰ ২ নম্বৰ ৱাৰ্ডৰ পাঁচগৰাকী বিশেষ ব্যক্তিক তেওঁলোকৰ নিজ নিজ গৃহলৈ গৈ ৰঙালী বিহুৰ ওলগ যাচে। বিহুৱান আৰু অসম সাহিত্য সভাই প্ৰদান কৰা একোখনকৈ ওলগনি-পত্ৰৰে সভাৰ অনুৰক্তসকলক হিয়া-মন উজাৰি বিহুৰ শুভেচ্ছা জ্ঞাপন কৰে। অসম সাহিত্য সভাৰ নিজৰ দিনটোত ওলগনি জনোৱা বিশেষ ব্যক্তিসকল হ'ল ক্ৰমে অৱসৰী কৃতী শিক্ষক হাৰুনাৰ ৰছিদ হাজৰিকা, অৱসৰপ্ৰাপ্ত শিক্ষক হাফিজুল হক, অৱসৰপ্ৰাপ্ত অধ্যক্ষ, লেখিকা মীৰন দেৱী, অৱসৰপ্ৰাপ্ত অভিযন্তা নৃপেন ডেকা, সমাজকৰ্মী হীৰা ছেত্ৰী। মঙলদৈ ২ নম্বৰ ৱাৰ্ডৰ সাহিত্য নগৰ সাহিত্য সভাৰ সভাপতি তমজিদ আলী, উপ-সভাপতি মিছবাহুল হুদা, সম্পাদক মীৰা হাজৰিকা, সাহিত্য সংগঠক ৰাণা আলম, কবি চাজিদা বড়া, শ্বাহজাদী বেগম, আব্দুল কাদিৰ আহমেদ, চিমা চৌধুৰী, সাংবাদিক আব্দুল খালেক, গোলাপ আলী, মিনতি হাজৰিকা, প্ৰণৱ চহৰীয়া, অৱসৰী অধ্যাপিকা ড° আছমানআৰা বেগম আদিয়ে ঘৰে ঘৰে গৈ ব'হাগৰ বৈভৱেৰে, ৰঙালীৰ ৰঙেৰে সকলোৰে মন-প্ৰাণ বছৰটোলৈ উজ্জীৱিত হৈ ৰোৱাৰ কামনা কৰি ৰঙালী বিহুৰ ওলগ জনাই তেওঁলোকৰ সু-স্বাস্থ্য কামনা কৰে।

# দুধনৈ শাখা সাহিত্য সভাৰ উদ্যোগত 'নিজৰ দিন' পালন



**ই-সংবাদ, ধূপধৰা, ১৭ এপ্ৰিলঃ** অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কমিটিৰ নিৰ্দেশক্ৰমে আজি দুধনৈ শাখা সাহিত্য সভাৰ উদ্যোগত দুধনৈ অঞ্চলৰ ৫ গৰাকী বিশিষ্ট ব্যক্তি ক্ৰমে দেবেন্দ্ৰ ৰাভা, গনিল ৰাভা, মনমোহন বসুমতাৰী, চিতেন্দ্ৰ বড়া আৰু প্ৰকাশ ৰায়ক থুৰীয়া তামোল, এখনকৈ ফুলাম বিহুৱান আৰু এখনকৈ ওলগনি পত্ৰৰে সম্বৰ্ধনা জনাই 'নিজৰ দিন' পালন কৰে। দুধনৈ শাখা সাহিত্য সভাৰ সম্পাদক ভূপেশ নাথে এক প্ৰেছ বিজ্ঞপ্তি যোগে সংবাদ মাধ্যমক এই কথা জনায়। দুধনৈ শাখা সাহিত্য সভাই দুধনৈৰ পাঁচগৰাকী বিশিষ্ট ব্যক্তিক ওলগনি পত্ৰৰে সম্বৰ্ধনা জনোৱা দলটোত আছিল ক্ৰমে শাখা সমিতিৰ সভাপতি ড০ জীৱেশ্বৰ কোচ, উপদেষ্টাদ্বয় থুলেশ্বৰ কছাৰী আৰু ভকত চেৰাণ, সদস্য কৃষ্ণকান্ত সূত্ৰধৰ, প্ৰাণেশ বৰ্মন আৰু ৰিতুমণি দত্ত। অসম সাহিত্য সভাৰ নিৰ্দেশ ক্ৰমে দুধনৈ শাখা সাহিত্য সভাই এনেদৰে ওলগনি জনোৱা পদক্ষেপক দুধনৈবাসী ৰাইজে আদৰণি জনাইছে আৰু এনেদৰে অসমৰ সাতামপুৰুষীয়া ঐক্য-সংহতিৰ এনাজৰীডাল সুদৃঢ় হৈ থাকিব বুলি আশা প্ৰকাশ কৰে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# ডিব্ৰুগড়ত 'বহাগ আদৰণি সংহতি সংকল্প'

**ই-সংবাদ, ডিব্ৰুগড়, ১৭ এপ্ৰিলঃ** অসম জাতীয়তাবাদী যুৱ পৰিষদ আৰু ডিব্ৰুগড় সাহিত্য সভাৰ যৌথ উদ্যোগত জাতীয়তাবাদী মহিলা পৰিষদ আৰু সম্পৰ্ক নামৰ স্বেচ্ছাসেৱী সংগঠনৰ সহযোগত 'বহাগ আদৰণি সংহতি সংকল্প' শীৰ্ষক অনুষ্ঠান সম্পন্ন হয়। ডিব্ৰুগড় সাহিত্য সভাৰ লক্ষ্মীনাথ বেজবৰুৱা ভৱনত দুদিনীয়াকৈ অনুষ্ঠিত হোৱা অনুষ্ঠানত প্ৰথম দিনা ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁয়ে বিহুৰ পতাকা উত্তোলন কৰাৰ পাছত বন্তি প্ৰজ্বলন কৰে অসম জাতীয়তাবাদী যুৱ পৰিষদৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক উদয়ন কুমাৰ গগৈয়ে। সাহিত্য সভাৰ চৌহদত ফলমূলৰ গছ-পুলি ৰোপণ কৰে অসম জাতীয়তাবাদী যুৱ পৰিষদৰ ডিব্ৰুগড় জিলাৰ সভাপতি ৰাতুল বৰুৱাই। অনুষ্ঠানত কণীযুঁজ প্ৰতিযোগিতা আৰু টেকেলী ভঙা আদি প্ৰতিযোগিতা অনুষ্ঠিত হয়। ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁয়ে আঁত ধৰা মুকলি সভাত সভাপতিত্ব কৰে ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি জ্যোতি বৰগোহাঁয়ে। অসম জাতীয়তাবাদী যুৱ পৰিষদৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক উদয়ন কুমাৰ গগৈয়ে উদ্দেশ্য ব্যাখ্যা কৰি কয় যে, ব'হাগ মাথোঁ ৰং-ধেমালি নহয়, ব'হাগ হৈছে এক জাতীয় চেতনা, অসমীয়া জাতিৰ আৱেগ। সাত বিহুৰ পৰম্পৰাই অসমীয়া জাতিক অধিক শক্তিশালীভাৱে আগুৱাই যোৱাৰ অনুপ্ৰেৰণা যোগায়। সেই বিহুৰ পৰম্পৰা ৰক্ষা কৰি অসম জাতীয়তাবাদী যুৱ পৰিষদ আৰু ডিব্ৰুগড় সাহিত্য সভাই যৌথভাৱে বিহু উদযাপন কৰি অহা বুলি কয়। সভাত ভাৰতীয় প্ৰশাসনীয় সেৱাৰ সচিব পৰ্যায়ৰ বিষয়া তথা বৰ্তমান গুৱাহাটীত অসম ৰাজহ বোৰ্ডৰ সদস্য, বিশিষ্ট লেখিকা তথা সাংস্কৃতিক কৰ্মী স্বপ্না দত্ত ডেকা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা অসম সাহিত্য সভাৰ আন্তঃৰাজ্যিক আৰু বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক ড০ শশীকান্ত শইকীয়াই মুখ্য অতিথি হিচাপে উপস্থিত থাকি অসমীয়া জন জীৱনৰ আয়ুসৰেখা বিহুৱে অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত আজিও সম্প্ৰীতিৰ এনাজৰী বান্ধি ৰাখিছে বুলি কৈ অসমীয়া সংস্কৃতিৰ ই এক হৃদপিণ্ড বুলি কৈ এই বিহু সংস্কৃতি বিজতৰীয়া হ'লেই জাতি ধ্বংস হ'বলৈ বেছি সময় নালাগে বুলি উদ্বেগ প্ৰকাশ কৰে। ডিব্ৰুগড় সাহিত্য সভাই সাহিত্যৰ লগতে সংস্কৃতি-সামাজিক ক্ষেত্ৰখনতো আগুৱাই নিয়াৰ ক্ষেত্ৰত এনেদৰে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। সভাত ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি জ্যেষ্ঠ সাংবাদিক বিভাস দুৱৰা, ডিব্ৰুগড় সাহিত্য সভাৰ উপ-সভাপতি যাদৱ গগৈ, কৈৱৰ্ত্য যুৱ ছাত্ৰ সন্মিলনৰ সভাপতি জয়ন্ত দাস, বেংগলী যুৱ-ছাত্ৰ ফেডাৰেচনৰ কাৰ্যকৰী সভাপতি নীৰ্মল কান্তি শীল, অসম জাতীয়তাবাদী যুৱ পৰিষদৰ জিলাৰ সভাপতি ৰাতুল বৰুৱা, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক দিগন্ত কাকতি, সাংগঠনিক সম্পাদক পূৰ্বজ দাস, নৃত্য গুৰু তথা বৰবিহুৱতী ৰুবী গগৈ সন্দিকৈ, অনাতাঁৰ শিল্পী ভুৱন গগৈ, লোকবাদ্য শিল্পী জিতেন দাসসহ অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। আনহাতে, ব'হাগ আদৰণি অনুষ্ঠানতে ডিব্ৰুগড়ৰ জ্যেষ্ঠ সাংবাদিক তথা বাতাবৰণ কাকতৰ সম্পাদক, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ উপদেষ্টা ৰাজীৱ বৰগোহাঞি, ডিব্ৰুগড় বৌদ্ধ বিহাৰৰ ভীক্ষু তথা সমাজকৰ্মী ডিব্ৰুগড়ৰ সুমেধানন্দ মহাথেৰ ভীক্ষু, শাৰীৰিকভাৱে সক্ষম বিশিষ্ট সমাজ সংগঠক তথা লেখক পাঁচখন গ্ৰন্থৰ ৰচয়িতা দিলীপ দত্ত, বিশিষ্ট সমাজকৰ্মী তথা ৰে'লৱে বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী লীলা ঢেকিয়াল আৰু জ্যেষ্ঠ সমাজকৰ্মী দীপক কুমাৰ চাংমাইক এখন থুৰীয়া তামোল, এখন বিহুৱান, এটা স্মাৰক আৰু অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামী আৰু সম্পাদক দেৱজিৎ বৰা স্বাক্ষৰিত ওলগনি পত্ৰ প্ৰদান কৰি সম্বৰ্ধনা জ্ঞাপন কৰে। এই অনুষ্ঠানতে ডিবৰু চেমনীয়া হুঁচৰি দলৰ দ্বাৰা পৰিৱেশিত হুঁচৰি, নৃত্যাংগন কলা কেন্দ্ৰৰ ছাত্ৰী সকলৰ জেংবিহু আৰু মুৰ্চনা সংগীত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশিত কেইবাটাও সাংস্কৃতিক অনুষ্ঠানে ডিব্ৰুগড় সাহিত্য সভাৰ পৰিৱেশ মুখৰিত কৰি তোলে। বৰবিহুৱা লোকবাদ্য শিল্পী জিতেন দাস আৰু অনাতাঁৰ শিল্পী ভুৱন গগৈ দ্বাৰা সংগীত পৰিবেশনৰে জীপাল হৈ পৰে পৰিৱেশ। অনুষ্ঠানত ডিব্ৰুগড় সাহিত্য সভাৰ সহকাৰী সম্পাদক মীনাক্ষী দাস বৰুৱা, ৰামধেনু আহ্বায়িকা ড০ ৰুণুমা শৰ্মা, ধন ভৰালী ভুৱন জ্যোতি বৰুৱা, আকাশ আহ্বায়িকা যানী সোণোৱাল, পত্ৰিকা সম্পাদক অনিল পোদ্দাৰ, কাৰ্যালয় সম্পাদক দয়া প্ৰীতি গগৈ, প্ৰচাৰ সম্পাদক হিৰণ্য বৰা, কাৰ্যনিৰ্বাহক জ্যোতিষ পাতিৰ, ইফতিকাৰ হুছেইনকে প্ৰমুখ্যে কৰি জ্যেষ্ঠ সাংবাদিক মনোজ পাণ্ডেসহ অন্যান্যসকল উপস্থিত থাকে।

# নগাঁও জিলা সাহিত্য সভা ভৱনত প্ৰথম ব'হাগত আঠু লৈ জ্যেষ্ঠ নাগৰিকক কিতাপ, তামোল-পাণ গামোচাৰে সম্বৰ্ধনা

**ই-সংবাদ, নগাঁও, ১৭ এপ্ৰিলঃ** পহিলা ব'হাগৰ দিনা নগাঁও জিলা সাহিত্য সভা ভৱনত জিলাখনৰ বিভিন্ন প্ৰান্তৰ নিৰ্বাচিত সত্তৰগৰাকী জ্যেষ্ঠ নাগৰিকক তামোল-পাণৰ লগতে শৰাই, চেলেং, গামোচাৰ উপৰি কিতাপৰ টোপোলাৰে জিলা সাহিত্য সভাৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। অসম সাহিত্য সভাৰ আহ্বান ক্ৰমে 'নিজৰ দিন' কাৰ্যসূচীৰ অংশ হিচাপে নগাঁও জিলা সাহিত্য সভাই পালন কৰা এই কাৰ্যসূচী মুকলি কৰে প্ৰাক্তন বিধায়ক ডাঃ দুৰ্লভ চমুৱাই। প্ৰাক্তন বিধায়ক ডাঃ দুৰ্লভ চমুৱাই সাহিত্য সাধনাৰ লগতে স্বাস্থ্য ভালকৈ ৰাখিবলৈ জ্যেষ্ঠ নাগৰিকক আহ্বান জনাই কয় যে, অসমবাসীক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে তাহানিতেই সুস্থ দেহৰ বাবে কি খাব লাগে সেই বিষয়ে শিকাই থৈ গৈছে। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই জ্যেষ্ঠ নাগৰিকসকলক শ্ৰদ্ধা নিবেদন কৰে আৰু গ্ৰন্থ পঢ়াৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বিধায়ক ৰূপক শৰ্মাই অসম চৰকাৰে কিতাপৰ বৰ্ষ হিচাপে এই বছৰ হাতত লোৱা কাৰ্যসূচীৰ বিষয়ে বাখ্যা আগবঢ়ায়। ৰাজ্যৰ বিশিষ্ট সাংবাদিক পৰাগমণি আদিত্যই নিৰ্দিষ্ট বক্তা হিচাপে অশংগ্ৰহণ কৰি সকলোকে অসমীয়া লিপি ডিজিটেল মাধ্যমত ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়। ইউনিকডত এইবছৰ অসমীয়া লিপি সোমাব বুলি তেওঁ আশা প্ৰকাশ কৰে। প্ৰযুক্তি বাদ দি এতিয়া ভাষা ৰক্ষা কৰা সহজ নহয় বুলি মন্তব্য কৰি পুৰণি সাঁচিপতীয়া পুথিসমূহ ডিজিটেল কৰাৰ অতি প্ৰয়োজনীয় কাম বুলি উল্লেখ কৰি তেওঁ কয় যে, এই কাম সাহিত্য সভাই আগবঢ়াই নিব লাগিব। এই অনুষ্ঠানত জ্যেষ্ঠ অধিবক্তা আবুল হোছেইন খন্দকাৰেও সাহিত্য সভাৰ দায়িত্বৰ বিষয়ে কয় আৰু 'নিজৰ দিন' কাৰ্যসূচীৰ দৰে ব্যতিক্ৰমী কাৰ্যসূচীক প্ৰশংসা কৰে। জিলা সাহিত্য সভাৰ সভাপতি তথা বিশিষ্ট লেখক, কবি, শিক্ষাবিদ ড০ শৰৎ বৰকটকীৰ সভাপতিত্বত অনুষ্ঠিত এই অনুষ্ঠান সাধাৰণ সম্পাদক ৰাজীৱ কুমাৰ হাজৰিকাই আঁত ধৰি আগবঢ়াই নিয়ে। প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা, নগাঁও মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ মানিক কৰ, জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি থগিত মহন্ত আৰু বিশিষ্ট চিকিৎসক ডাঃ মুকুট গোস্বামীকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে ভাগ লোৱা এই অনুষ্ঠানত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয় সম্পাদক ৰেৱত হাজৰিকাই কেন্দ্ৰীয় সমিতিৰ পৰা সাহিত্যিক পেন্সনাৰ ৰতি মোহন নাথক নিজৰ দিন কাৰ্যসূচীত সম্বৰ্ধনা জনোৱাৰ কথা ঘোষণা কৰে। জিলা সাহিত্য সভাৰ উপ-সভাপতি মৃণাল কুমাৰ হাজৰিকা, সহকাৰী সম্পাদক মৃগাংক বৰা, প্ৰিয়ংকু শৰ্মা, সাংগঠনিক সম্পাদক দীপিকা নাথ, কুমুদ বৰা আৰু কাৰ্যালয় সম্পাদক অধৰ ঠাকুৰীয়াই অংশ লোৱা এই অনুষ্ঠানত আকাশৰ আহ্বায়ক দ্বিতীমনি বৰা, ৰুণুমী বৰা, শিল্পী চন্দনা বেজবৰুৱা, জেউতি হাজৰিকা, উপাসনা শাখা সাহিত্য সভাৰ সদস্যসকলে চিৰ চেনেহী মোৰ ভাষা জননী গীত পৰিৱেশন কৰি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। জিলাখনৰ বিভিন্ন প্ৰান্তৰ আশীৰ ঊৰ্ধৰ ব্যক্তিও অনুষ্ঠানত উপস্থিত থাকে আৰু সকলোৱে সাহিত্য সভাৰ গণ সংযোগৰ এনে কাৰ্যসূচীক প্ৰশংসা কৰে। একে দিনাই নগাঁও জিলাৰ অধীনৰ শাখা সাহিত্য সভাসমূহৰ কৰ্মকৰ্তাই ৫০০ গৰাকীৰো অধিক জ্যেষ্ঠ নাগৰিকক ঘৰলৈ গৈ বিহুৰ সন্মান জনায়।

# সদৌ মঙলদৈ ৰঙালী বিহুৰ প্ৰথমগৰাকী সম্পাদকৰ ওপজা দিন পালন

**ই-সংবাদ, মঙলদৈ, ১৭ এপ্ৰিলঃ** '১৯৫২ চনত লতাশিলৰ বিহু চাই আহি কেইজনমান লোকৰ লগত মঙলদৈত বিহু উদযাপনৰ কথা ১৯৫৩ চনত আলোচনা কৰিছিলো। মঙলদৈ চৰকাৰী হাইস্কুল (এতিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়)ৰ শিক্ষক আৰু কেইজনমানে এই ক্ষেত্ৰত উৎসাহিত কৰিলে। শিক্ষক ধৰ্মনাথ শৰ্মা শাস্ত্ৰী সভাপতি আৰু দশম শ্ৰেণীত পঢ়ি থকা মোক জোৰকৈ ৰাইজে সম্পাদক পাতিলে। চাৰিটা ৱাৰ্ডেৰে মঙলদৈখন একেবাৰে সৰু টাউন। টকা-পইচা ক'ৰ পৰা সংগ্ৰহ হ'ব বুলি এক শংকাবোধ কৰিছিলো যদিও ৰাইজৰ সাহস আৰু উৎসাহত মঙলদৈত আমি ১৯৫৩ চনত বিহু পাতিছিলো। তেতিয়া মঙলদৈত ঢুলীয়াৰ লগত নাচিবলৈ নাচনী নাছিল। মঙলদৈ থানাত কৰ্মৰত উজনি অসমৰ আৰক্ষী জোৱানসকলৰ ভিতৰত কেইজনমান জোৱানে মেখেলা-চাদৰ পিন্ধি নাচিছিল।' -এই ভাষ্য সদৌ মঙলদৈ ৰঙালী বিহু সন্মিলনীৰ জন্মলগ্নৰ সম্পাদক, বিশিষ্ট সাহিত্যিক, অৱসৰপ্ৰাপ্ত শিক্ষা বিষয়া, দৰং জিলা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সম্পাদক ফুলেন্দ্ৰ নাথ চহৰীয়াৰ। ১২ এপ্ৰিলৰ সন্ধিয়া মঙলদৈ বৰপুখুৰীপাৰৰ জয়ন্ত হাজৰিকা স্মৃতি উদ্যানত ৭১ সংখ্যক সদৌ মঙলদৈ বিহু সন্মিলনীয়ে ব্যতিক্ৰমী চিন্তাৰে উদযাপন কৰা প্ৰতিষ্ঠাপক সম্পাদক ফুলেন্দ্ৰ নাথ চহৰীয়াৰ ৯২ সংখ্যক ওপজা দিনত অতীত স্মৃতি ৰোমন্থন কৰি তেওঁ এইদৰে কয়। সন্ধিয়া ৬ বজাত আৰম্ভ হোৱা এই অনুষ্ঠানত ইউটিউবাৰ চক্ৰপাণি পৰাশৰৰ প্ৰশ্নৰ উত্তৰত তেওঁ লগতে কয়, 'পঞ্চাশ পইচা, এটকা, দুটকাকৈ সংগ্ৰহ হোৱা মুঠ তিনি হাজাৰ টকাৰে তিনিদিনীয়াকৈ আমি বিহু পাতিছিলো। সংগ্ৰহ হোৱা বৰঙনি খৰচ কৰি চাহ-ভাত খোৱা নাছিলো। নামী-দামী শিল্পী মতা নাছিলো। আমাৰ স্থানীয় ৰাজকুমাৰ জিতেন্দ্ৰ নাৰায়ণ দেৱ, পাৰুল দে', সাবিত্ৰী শইকীয়াই আছিল আমাৰ শিল্পী।' তেওঁ লগতে মাৰোৱাৰী, বিহাৰী, বঙালী আদিয়েও কঁকালত গামোচা মাৰি বিহুতলীত উপস্থিত হৈ সকলোৰে লগত একাত্ম হৈ পৰাৰ কথা কয়। শিল্পী প্ৰাঞ্জল শৰ্মাই আঁত ধৰা অভিনন্দন অনুষ্ঠানত ৭১ সংখ্যক সদৌ মঙলদৈ ৰঙালী বিহু সন্মিলনীৰ মুখ্য উপদেষ্টা ৰাজীৱ কুমাৰ ডেকা, সভাপতি গুৰুজ্যোতি দাস, কাৰ্যকৰী সভাপতি নিৰ্মালি দেৱী শৰ্মা, সম্পাদক মানৱপ্ৰতিম দাসে ফুলাম গামোচা, চেলেং, শৰাই, মানপত্ৰৰে ফুলেন্দ্ৰ নাথ চহৰীয়াক জন্মদিনৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰে। মঙলদৈৰ বিধায়ক বসন্ত দাস, এছ আৰ ডি গ্ৰুপ, য়ুথ ক্লাব আদিকে ধৰি শতাধিক অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিয়ে তেওঁক ওপজা দিনৰ শুভেচ্ছা জ্ঞাপন কৰে।

## কলগাছিয়াৰ ডিমাপুৰত ভয়ংকৰ দুৰ্ঘটনা

**ই-সংবাদ, কলগাছিয়া, ১৭ এপ্ৰিলঃ** বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত ডিমাপুৰ গাঁৱত বৃহস্পতিবাৰে পুৱতি নিশাত এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। বালি ভৰ্তি এখন ডাম্পাৰ ৰাস্তাৰ কাষত থকা এটা পুখুৰীত বাগৰি পৰে। ফলত অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। জানিব পৰা মতে, খৰিচালাৰ পৰা কলগাছিয়া অভিমুখে গৈ থকা অৱস্থাত AS-15 AC-0695 নম্বৰৰ মাটি কঢ়িয়াই নিয়া ডাম্পাৰখনে নিয়ন্ত্ৰণ হেৰুৱাই পুখুৰীত বাগৰি পৰে যদিও কথমপি প্ৰাণ ৰক্ষা পৰে চালকৰ।উল্লেখ্য যে, ৰাতিৰ আন্ধাৰত অবৈধভাৱে মাটি কঢ়িয়াই নিয়া ডাম্পাৰখনে কলগাছিয়া-সৰভোগ গড়কাপ্তানী পথৰ দাঁতিত থকা ডিমাপুৰ গাঁৱৰ এজন ব্যক্তিৰ পুখুৰী ভৰ্তি কৰিবলৈ মাটি কঢ়িয়াই থাকোঁতে হঠাতে নিয়ন্ত্ৰণ হেৰুৱাই উক্ত পুখুৰীতেই ডাম্পাৰখন বাগৰি পৰে। পুৱাৰ ভাগত দুৰ্ঘটনাগ্ৰস্ত ডাম্পাৰখনক চাবলৈ ৰাইজে ভিৰ কৰে। সম্প্ৰতি মাটি কঢ়িওৱা ডাম্পাৰৰ দৌৰাত্ম্য বন্ধ কৰিবলৈ ৰাইজে বিভাগীয় কৰ্তৃপক্ষক দাবী জনাইছে।

## নাজিৰা আঞ্চলিক সাহিত্য সভাৰ 'নিজৰ দিন' উদযাপন

**ই-সংবাদ, গেলেকী, ১৭ এপ্ৰিলঃ** অসম সাহিত্য সভাৰ অন্যতম সক্ৰিয় শাখা হিচাপে সুপৰিচিত নাজিৰা সমজিলাৰ অন্তৰ্গত নাজিৰা আঞ্চলিক সাহিত্য সভাই পহিলা ব'হাগৰ দিনটোত অসমৰ জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ আহ্বান মৰ্মে 'নিজৰ দিন'ৰ কাৰ্যসূচী সম্পূৰ্ণ সফলতাৰে উদযাপন কৰে। সেই অনুসৰি অসমীয়া ভাষা-সাহিত্য, কৃষ্টি-সংস্কৃতি তথা সমাজ জীৱনলৈ অৰিহণা আগবঢ়াই অহা নাজিৰা আঞ্চলিক সাহিত্য সভাৰ পাঁচগৰাকী বয়োজ্যেষ্ঠ বিশিষ্ট ব্যক্তিক ঘৰে ঘৰে গৈ সম্বৰ্ধনা জ্ঞাপন কৰে। নাজিৰা আঞ্চলিক সাহিত্য সভাৰ সভাপতি চাও ৰুহিত বৰুৱা, সম্পাদক ভাস্কৰ জ্যোতি মহন্ত, সাংগঠনিক সম্পাদক বিকাশ হাজৰিকা, কুঁহিৰ আহ্বায়ক অভিজিৎ কোঁৱৰ, সদস্য ৰাজীৱ কুৰ্মী, নাচিৰুদ্দিন আলী, দুৰ্লভ দত্ত সহিতে এটি প্ৰতিনিধি দলে নাজিৰা চানবছা গাঁৱৰ অৱসৰপ্ৰাপ্ত শিক্ষক তিলেশ্বৰ বৰুৱা, শ্ৰী শ্ৰী বুদবাৰী সত্ৰৰ ডেকা সত্ৰীয়া অনিল মহন্ত, চানবছা গাঁৱৰ ঢোলৰ ওজা ধীৰেন কোঁৱৰ,



নাজিৰা নগৰ নিবাসী একালৰ ৰংপুৰীয়া নাচনী নাচনীখ্যাত বিহু শিল্পী লেখা ফুকন, বায়ুসেনাৰ অৱসৰপ্ৰাপ্ত বিষয়া, নাজিৰা আঞ্চলিক সাহিত্য সভাৰ লগত একালত ওতঃপ্ৰোতভাৱে জড়িত, নাট্যকাৰ বিমান কোঁৱৰক বাসগৃহলৈ গৈ অসম সাহিত্য সভাই প্ৰেৰণ কৰা ওলগনি পত্ৰৰ লগতে ফুলাম গামোচাৰে 'নিজৰ দিন'ৰ সম্বৰ্ধনা জ্ঞাপন কৰে। নাজিৰা আঞ্চলিক সাহিত্য সভাৰ এনে পদক্ষেপে তেওঁলোকক উৎসাহিত কৰা বুলি উল্লেখ কৰি ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

## গেলেকী ন-পুখুৰী শাখা সাহিত্য সভাৰ 'নিজৰ দিন' পালন



**ই-সংবাদ, গেলেকী, ১৭ এপ্ৰিলঃ** অসম সাহিত্য সভা 'নিজৰ দিন' কাৰ্যসূচী উপলক্ষে শিৱসাগৰ জিলা সাহিত্য সভাৰ অন্তৰ্গত গেলেকী ন-পুখুৰী শাখা সাহিত্য সভাই পহিলা ব'হাগত ন-পুখুৰী অঞ্চলৰ তিনিগৰাকী সমাজ হিতৈষী জ্যেষ্ঠ সন্মানীয় ব্যক্তিক থুৰীয়া তামোল, অসমীয়াৰ স্বাভিমান বিহুৱান, চেলেং চাদৰ আৰু ওলগনি পত্ৰৰে বিহুৰ ওলগ জনায়। কাৰ্যসূচীত উপস্থিত থাকে ন-পুখুৰী শাখা সাহিত্য সভাৰ সভাপতি দিলীপ মহন্ত, সম্পাদক দিপালী ৰাধিকা দুৱৰা, সহঃ সম্পাদক দ্বিপেন গগৈ, উপ-সভাপতি হেমন্ত গগৈ, পত্ৰিকা সম্পাদক গুণ মৰাণ, উপদেষ্টা প্ৰিয়ৰাম শইকীয়া, উমা শৰ্মা, আকাশ উপ-সমিতিৰ উপ-সভাপতি পদ্মিনী হাটীমুৰীয়া, কুঁহি উপ-সমিতিৰ আহ্বায়ক অৱন্তী ৰাজখোৱা, সদস্য মামণি চুতীয়া, অনন্ত গগৈ আৰু সীমান্ত গগৈ। ন-পুখুৰীৰ বৃহত্তৰ অঞ্চলত শিক্ষা-দীক্ষা, সমাজৰ বিভিন্ন দিশত সমাজ হিতকৰ কৰ্ম কৰি যোৱা শ্ৰদ্ধাৰ ব্যক্তিসকল হ'ল ক্ৰমে ১নং লাহন গাঁৱৰ অৱসৰপ্ৰাপ্ত শিক্ষক, নামাচাৰ্য চুচন গগৈ, নামদাং গাঁৱৰ সাতোলা ভকত মনিৰাম হাটীমুৰীয়া, ৰামৰুক গাঁৱৰ বিহুৱা পুনিৰাম গগৈ। বিহুৰ ওলগ জনোৱা ব্যক্তিসকলে অসম সাহিত্য সভাৰ এই পদক্ষেপক প্ৰশংসা কৰে। আনহাতে, শিৱসাগৰ জিলা সাহিত্য সভা, গেলেকী ন-পুখুৰী শাখা সাহিত্য সভাৰো সম্বন্ধিত ব্যক্তিসকলে শলাগ লয়।

# কৰ্ম ব্যস্ততাৰ মাজতে চতিয়া আৰক্ষীৰ বিহু

**ই-সংবাদ, চতিয়া, ১৭ এপ্ৰিলঃ** আইন শৃংখলাৰ দায়িত্বত নিয়োজিত আৰক্ষী বিষয়া, জোৱানসকলে অসমীয়াৰ হৃদয়ৰ স্পন্দন এই ৰঙালী বিহুত পৰিয়ালৰ পৰা আঁতৰি থাকি নিজৰ দায়িত্ব পালন কৰি আহিছে। খাকী পোচাক পৰিধান কৰা সেই আৰক্ষী বিষয়া, জোৱানসকলৰো আপোনাৰ, মোৰ দৰে সুখ-দুখ, আনন্দ-অনুভূতি আছে, তেওঁলোকো মানুহ। কিন্তু সাধাৰণ মানুহৰ দৰে তেওঁলোকৰ হাতত সময় নাই আনন্দ-স্ফূৰ্তি কৰাৰ। কৰ্ম ব্যস্ততাৰ মাজতো চতিয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ত্ৰিলোচন দাসৰ নেতৃত্বত গোসাঁই বিহুৰ দিনা অকণমান সময় উলিয়াই চতিয়া আৰক্ষী থানা চৌহদত অনুষ্ঠিত কৰিলে বিহুৰ এক অনুষ্ঠান। সমাজকৰ্মী ভৱ শইকীয়াই উদ্বোধন কৰা এই অনুষ্ঠানত চতিয়াৰ কেইবাটাও বিহুদলে অংশগ্ৰহণ কৰাৰ লগতে সংগীত শিল্পী ৰূপম বৰাৰ লগতে কেইবাগৰাকীও শিল্পীয়ে গীত পৰিৱেশন কৰে। চতিয়া আৰক্ষী থানাৰ কৰ্মৰত কেইবাগৰাকীও জোৱানৰ সাংস্কৃতিক কাৰ্যসূচীয়ে ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। চতিয়া আৰক্ষী থানাত অনুষ্ঠিত হোৱা এই অনুষ্ঠানত চতিয়াৰ বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিৰ লগতে সাধাৰণ ৰাইজে অংশগ্ৰহণ কৰে।থানাৰ এই অনুষ্ঠানে আৰক্ষী আৰু সাধাৰণ ৰাইজৰ মাজত সম্পৰ্ক সুদৃঢ় কৰাতো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে।

# পদ্মাঝাৰত মুকলি বিহু প্ৰতিযোগিতা

**ই-সংবাদ, দুনী, ১৭ এপ্ৰিলঃ** পশ্চিম দৰঙৰ পদ্মাঝাৰত অনুষ্ঠিত হৈ যায় মুকলি বিহু প্ৰতিযোগিতা। বৰপথাৰ-পদ্মাঝাৰ চিলাৰায় সংঘৰ উদ্যোগত বৰপথাৰ-পদ্মাঝাৰ হৰি মন্দিৰ প্ৰাংগণত অনুষ্ঠিত হয় এই মুকলি বিহু প্ৰতিয়োগিতা। দিনৰ ভাগত সংঘৰ পতাকা উত্তোলন, স্মৃতি তৰ্পণ আদি কাৰ্যসূচী অনুষ্ঠিত কৰাৰ উপৰি সন্ধিয়া মুকলি বিহু প্ৰতিয়োগিতা অনুষ্ঠিত কৰা হয়। বিহু বাকৰিত বন্তি প্ৰজ্বলক হিচাপে উপস্থিত থাকে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ দৰং জিলা সমিতিৰ সভাপতি জয়ন্ত শৰ্মাৰ লগতে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ দৰং জিলা সমিতিৰ প্ৰাক্তন সাধাৰণ সম্পাদক উৎপল শৰ্মা। তদুপৰি বৰবড়ী শালিকাঝাৰ গাঁৱৰ গাঁও প্ৰধান শৰৎ ডেকাৰ লগতে উপস্থিত থাকে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ধৰ্মেশ্বৰ নাথ, অমিয় ডেকা, তৰুলতা ডেকা, উগ্ৰকান্ত ডেকা, যুৱ সমাজকৰ্মী বনমালী শৰ্মাৰ লগতে কেইবাগৰাকী বিশিষ্ট ব্যক্তি। বিহু বাকৰি মুকলি কৰে যুৱ সমাজকৰ্মী কুলদ্বীপ বৰুৱাই। মুকলি বিহুত কেইবাটাও বিহু দলে বিহু নৃত্য প্ৰদৰ্শন কৰি ৰাইজক আমোদ দিয়ে।

# শালিকাঝাৰত গঢ়ি উঠিছে গাড়ীৰ পুৰণি যন্ত্ৰাংশৰ বৃহৎ বজাৰ

**ই-সংবাদ, দুনী, ১৭ এপ্ৰিলঃ** পশ্চিম দৰঙৰ শালিকাঝাৰত গঢ়ি উঠিছে গাড়ীৰ পুৰণা যন্ত্ৰাংশৰ এখন বৃহৎ বজাৰ। বুঢ়া আৰক্ষী চকীৰ গাতে লাগি থকা বজাৰখনৰ পৰিসৰ দিনক দিনে বৃদ্ধি পোৱাত শালিকাঝাৰত সহজলভ্য হৈ পৰিছে গাড়ীৰ বিভিন্ন পুৰণা যন্ত্ৰাংশৰ লগতে টিউব-টায়াৰ আদি। দিনক দিনে গাড়ী ব্যৱসায়ৰ সৈতে জড়িত বিভিন্ন ব্যক্তিয়ে বিভিন্ন মডেলৰ গাড়ীৰ পুৰণা টিউব-টায়াৰ অথবা যন্ত্ৰাংশ বিচাৰি উপস্থিত হয় শালিকাঝাৰত। গাড়ীৰ পুৰণা যন্ত্ৰাংশৰ বৃহৎ বজাৰখনৰ পৰিসৰ দিনক দিনে বৃদ্ধি হোৱাৰ লগত প্ৰতিদিনে লাখ লাখ টকাৰ ব্যৱসায় হয়। অথচ চৰকাৰ-প্ৰশাসনে বজাৰখনৰ পৰা লাভ কৰা নাই কোনো ৰাজহ। মূলতঃ বিকল, পুৰণা বিভিন্ন গাড়ীক লৈ গঢ়ি উঠিছে বৃহৎ এই বজাৰখন। সম্প্ৰতি শালিকাঝাৰত স্থাপন হৈছে ডেৰ কুৰিৰ অধিক পুৰণা গাড়ীৰ যন্ত্ৰাংশৰ ব্যৱসায়। ৰাজ্যৰ বিভিন্ন ঠাইৰ পৰা পুৰণা অথবা দুৰ্ঘটনাগ্ৰস্ত গাড়ীসমূহ কিনি আনি গঢ়ি তুলিছে এই ব্যৱসায়। চকুৰ সন্মুখতে একো একোখন গাড়ী ছিন্ন-বিছিন্ন কৰি নিঃশ্চিহ্ন কৰি পেলায়। পুৰণা গাড়ীৰ যন্ত্ৰাংশৰ বৃহৎ বজাৰখনৰ সমান্তৰালভাৱে গঢ়ি উঠিছে লোৰ অবৈধ গুদাম। উল্লেখ্য যে পুৰণা বিকল একোখন গাড়ী কাটি, ভাঙি সম্পূৰ্ণ ৰূপে ধ্বংস কৰাৰ পিছত গাড়ীসমূহৰ ইঞ্জিন আৰু থেচিচ নম্বৰ নিঃশ্চিহ্ন কৰি দিব লাগে। অথচ শালিকাঝাৰৰ পুৰণা গাড়ীৰ যন্ত্ৰাংশৰ বজাৰখনত এই নিয়ম কিমান দূৰ পালন কৰা হয় সেইটো এক ডাঙৰ প্ৰশ্ন। জানিব পৰা মতে, চেল লেটাৰত গৰাকীৰ চহী লৈ গাড়ীসমূহ ক্ৰয় কৰি আনে ব্যৱসায়ীয়ে। তদুপৰি ক্ৰয় কৰি অনা বহু গাড়ী ভাল কৰি লৈ কাগজ পত্ৰহীনভাৱে চলাই থকাৰ অভিযোগ নথকা নহয়। তৎসত্বে দৰং জিলা প্ৰসাশনে শালিকাঝাৰৰ পুৰণা গাড়ীৰ যন্ত্ৰাংশৰ বজাৰখনত চকু নিদিয়াটো তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হৈছে।

## তৰমুজৰ বাবে বিখ্যাত দৰঙৰ এখন গাঁও



**ই-সংবাদ, দুনী, ১৭ এপ্ৰিলঃ** দৰঙৰ এখন বিশেষ গাঁও, যিখন গাঁও তৰমুজৰ বাবে বিখ্যাত। গাঁওখনৰ নাম চমতিয়া পাৰা। গাঁওখনৰ প্ৰতিটো পৰিয়ালে প্ৰতি বছৰে কৰি আহিছে শ শ বিঘা মাটিত তৰমুজৰ খেতি। গাঁওখনৰ প্ৰতি ঘৰ লোকে কৰি আহিছে তৰমুজৰ খেতি। প্ৰতিবছৰে উৎপাদন কৰি আহিছে বুজন পৰিমাণৰ তৰমুজ। কৃষি প্ৰধান গঞাৰ উপাৰ্জন তথা জীৱিকাৰ প্ৰধান সম্বল হৈছে কৃষি কৰ্ম। ধান, আলু, ৰঙালাওৰ উপৰি তেওঁলোকে কৰি আহিছে তৰমুজৰ খেতি। কিন্তু পৰিতাপৰ বিষয় পৰ্যাপ্ত বজাৰ আৰু উপযুক্ত জনসিঞ্চনৰ অভাৱৰ বাবে কৃষকসকল থমকি ৰ'ব লগা হৈছে। তৰমুজৰ খেতিত পৰ্যাপ্ত পানীৰ প্ৰয়োজন যদিও খেতিয়কসকলে খেতিত যোগান ধৰিব পৰা নাই পানী। পানীৰ অভাৱৰ বাবে যি পৰিমাণে উৎপাদন পাব লাগিছিল তেনেদৰে পোৱা নাই। সমান্তৰালভাৱে গাঁওবাসীয়ে উৎপাদন কৰিছে ৰঙালাও। গাঁওবাসীয়ে এতিয়ালৈ কৃষি বিভাগৰ পৰা পোৱা নাই কোনো সহায়। উপযুক্ত জনসিঞ্চনৰ অভাৱে তৰমুজ উৎপাদনৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰিছে বুলি জানিব পৰা গৈছে। এই ক্ষেত্ৰত জলসিঞ্চনৰ সুব্যৱস্থা কৰিবলৈ কৃষিমন্ত্ৰী, কৃষি বিভাগ তথা চৰকাৰক অনুৰোধ জনাইছে গাঁওবাসীয়ে।

# নগাঁৱৰ গ্ৰামাঞ্চলত ৰঙালীৰ পাৰভগা উছাহ

**ই-সংবাদ, বেবেজীয়া, ১৭ এপ্ৰিলঃ** পঞ্চায়ত নিৰ্বাচনৰ ধামখুমীয়াৰ মাজতো সমগ্ৰ ৰাজ্যৰ লগতে নগাঁও জিলাৰো চৌপাশ আৱৰি ৰাখিছে ৰঙালী বিহুৰ ৰঙীন আনন্দই। সকলো দুখ-ভাগৰ মনৰ পৰা পৰিহাৰ কৰি বাপতিসাহোন ব'হাগ বিহুৰ পৰম্পৰা অক্ষুণ্ন ৰাখি সৰ্বস্তৰৰ জনতা এতিয়া ৰঙালীৰ আনন্দত মতলীয়া হৈ পৰিছে। আনকি অত্যাৱশ্যকীয় সামগ্ৰীৰ গগনচুম্বী দামবৃদ্ধিয়েও যেন ম্লান কৰিব পৰা নাই বিহুৰ আনন্দ-উছাহত। কিয়নো অতি হেঁপাহৰ ৰঙালী বিহুৰ উৰুকাৰ দিনটোৰ পৰাই আজিকোপতি নগঞাৰ মাজত অব্যাহত আছে ৰঙালীৰ পাৰভগা উছাহ। বিহু উপলক্ষে জিলাখনৰ পশ্চিম প্ৰান্তৰ বেবেজীয়া, জাজৰি, বটদ্ৰৱা, চকলাঘাট, হাতীচোং, দক্ষিণপাট, ঘাঁহী, কাছমাৰী, ডাকৰঘাট, শেনচোৱা, জামুগুৰি, ৰাইদঙীয়া আদি গ্ৰামাঞ্চলবোৰৰ প্ৰতিটো চুকে-কোণে পৰম্পৰাগত খেল-ধেমালিৰ ধুম উঠা পৰিলক্ষিত হৈছে। দুই-তিনিখন গাঁও লগ হৈ এড়োখৰ মুকলি ঠাইত অনুষ্ঠিত কৰা এনে প্ৰতিযোগিতাত কণ কণ শিশুৰ পৰা ডেকা-বুঢ়া পৰ্যন্ত লোকে বেছ আনন্দ-স্ফূৰ্তি কৰিছে। পঞ্চায়ত নিৰ্বাচনৰ বতাহৰ সমান্তৰালভাৱে জিলাখনত ৰঙালীৰ সীমাহীন আনন্দ-উল্লাস।

# মহাপুৰুষৰ আদৰ্শৰে জাতিটোক বিশ্লেষণৰ প্ৰয়াস

# 'শংকৰ গুৰু আমাৰে'

■ প্ৰাঞ্জল এ. শৰ্মা

আমি অসমীয়াই কেতিয়াৰ পৰা "শংকৰ গুৰু আমাৰে, শংকৰ গুৰু আমাৰে..." বুলি চিঞৰি চিঞৰি গাই আহিছোঁ, তাৰ সঠিক হিচাপ দিয়াটো থাওকতে সম্ভৱ নহয়। কিন্তু আমি এটা কথা জানো যে শংকৰ গুৰু আমাৰ। এইজনা গুৰুক লৈ আমি প্ৰতিজন অসমীয়াই গৌৰৱ কৰোঁ। গুৰুজনাই দি যোৱা আদৰ্শ,সংস্কাৰ,সংস্কৃতি,জীৱনাভ্যাস ধাৰণ কৰিবলৈ ব্যৱহাৰিকভাৱে চেষ্টা নকৰিলেও কাগজে পত্ৰই ঠিকেই কৰোঁ। তাৰ পাছতেই আকৌ আমিয়েই শংকৰী আৰু বামুনীয়াই কাজিয়াও কৰোঁ। কোনো শংকৰীয়ে আন শংকৰীক লঘূ কথাতে এঘৰীয়াও কৰোঁ। সংঘও কৰোঁ, বিভেদাচৰণো কৰোঁ। আকৌ চিঞৰি চিঞৰি গাওঁ "শংকৰ গুৰু আমাৰে..."

শংকৰ গুৰু আমাৰ হ'ব কিদৰে? সংঘ কৰি? শংকৰী আৰু বামুনীয়াই কাজিয়া কৰি? এঘৰীয়া কৰি? বিভেদাচৰণ কৰি? প্ৰশ্ন অনেক। কিন্তু উত্তৰ জানো এক? শনিবাৰে সন্ধিয়া গুৱাহাটীৰ শ্ৰীমন্ত মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত গুৱাহাটীস্থিত সৰুপেটা নাগৰিক সমাজৰ প্ৰচেষ্টাত তিনি দশক গৰকা অসমৰ অগ্ৰণী নাট্য সংগঠন 'মঞ্চ সৰুপেটা'ই পৰিৱেশন কৰিলে যশস্যাধন্য নাট্যকাৰ হিল্লোল কুমাৰ পাঠকৰ ৰচনা আৰু পটু পৰিচালক ৰণহং চৌধুৰীৰ পৰিচালনাৰে এখনি বিশেষ নাটক 'শংকৰ গুৰু আমাৰে'।

ৰুদ্ৰ বায়ন নামৰ শংকৰ গুৰুৰ একনিষ্ঠ আকোৰগোজ প্ৰকৃতিৰ ভক্ত এজনৰ শংকৰনিষ্ঠা, শংকৰাচৰণ,



শংকৰচৰ্যা, শংকৰযাপনৰ মাজেৰে দেখুওৱা হৈছে আমাৰ জাতিটোৱে প্ৰকৃততে শংকৰ গুৰুক কিদৰে বুকুত ধাৰণ কৰি জীয়াই ৰখা উচিত। আধুনিকতা, ৰাজনীতি আদিক পৰিহৰি কিদৰে আমি মূলতঃ শংকৰাচৰণ কৰিব পাৰোঁ, তাকেই দেখুওৱাৰ প্ৰয়াস কৰা হৈছে নাটকখনত।

অভিনয়ৰ ক্ষেত্ৰত কাৰ্তিক কুমাৰ পাঠক, বিশ্বজিত তালুকদাৰ,অখিল কলিতা, দেৱাংগ ডেকা, মুন্না তালুকদাৰ, সৌৰভ দাস,ৰূপক তালুকদাৰ,দিলীপ কুমাৰ দাস,ৰাজু তালুকদাৰ, সীমা দাস আৰু কাকলি দাসৰ প্ৰচেষ্টা শলাগনীয়। গুৰুজনাই সৰজা গীত মাতৰ ব্যৱহাৰ নাটকখনৰ অলংকাৰ। সেই গীত মাত



ৰূপায়ণ অভিনেতাসকলৰ সফলতা। পৰিচালনাৰ ক্ষেত্ৰত সহকাৰী পৰিচালক অভিজিত চুতীয়াৰ সহযোগত ৰণহাং চৌধুৰী নিজৰ ধৰণৰ(Genre) বাহিৰলৈ ওলাই সম্পৰীক্ষাতো বহুখিনি সফল হৈছে। দৰ্শক হিচাপে ক'ব লাগিলে দৃশ্যান্তৰৰ ক্ষেত্ৰত আৰু অধিক ক্ষিপ্ৰতাৰ সহায় লোৱা হ'লে নাটকখনে গতিত যতিৰ সমুখিন কমকৈ হ'লহেঁতেন যেন অনুভৱ হ'ল। অন্যথা পৰিৱেশন অতিকৈ আন্তৰিক আৰু পৰিশ্ৰমী। নাটকখনৰ পোহৰ আৰু সংগীত ৰূপায়ণ কৰিছে ক্ৰমে হেমন্ত বুঢ়াগোহাঁই আৰু গৌতম শইকীয়াৰ। দুয়ো নিজ নিজ ক্ষেত্ৰত বহুলাংশ সফল হৈছে নাট্যকাৰৰ বক্তব্যক তুলি ধৰাত। নাটকখন চাই ভাল লাগিল। পৰৱৰ্তী পৰিৱেশনত নিশ্চয় বৰ্তমানে ৰৈ যোৱা ত্ৰুটি আৰু যতিখিনি মৰিষণ কৰি এই নাটকখন চলিত নাট্যবৰ্ষৰ এখন অনবদ্য নাটক হিচাপে বিবেচিত কৰি তুলিব বুলি আমি আশাবাদীও আৰু বিশ্বাসীও। মঞ্চ সৰুপেটালৈ শুভকামনা জনালোঁ।

---

## অহা ৯ মে'ত ছবিঘৰলৈ আহি আছে

## কেচটো নগেন!

• ইউ পি ব্ৰডকাষ্ট এণ্ড পাবলিচিটী

চিনেমাখনৰ বাবে দৰ্শকৰ মাজত উৎসুকতা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। ছবিখনত অভিনয় কৰিছে তপন দাস, হিমাংশু প্ৰসাদ দাস, প্ৰণামী বৰা, অতুল পাচনি, অতনু মহন্ত, প্ৰশান্ত কলিতা, অমৃতা গগৈ, অনামিকা শৰণীয়া, নিৰঞ্জন শৰ্মা, সিদ্ধাৰ্থ মুখাৰ্জী, সংকল্পিত হাজৰিকা, দেবাশীষ ভূঞা আদিয়ে...

কেচটো নগেন বোলা কথাষাৰ অসমীয়া জনজীৱনত অতীজৰে পৰা প্ৰচলিত হৈ আহিছে। যিকোনো কথা এটা যদি অলপ খেলিমেলি হয়, তেতিয়াই আমি কওঁ, 'কেচটো নগেন'। এইবাৰ এখন চিনেমা মুক্তিৰ বাবে সাজু হৈছে। নাম হৈছে 'কেচটো নগেন'। অহা ৯ মে'ত মুক্তি লাভ কৰিব বহু চৰ্চিত এই অসমীয়া চিনেমাখনে। 'শব্দ-নিঃশব্দ-কোলাহল', 'ব্লেক এণ্ড হোৱাইট' আদি চিনেমা পৰিচালনা কৰি নিজৰ এক সুকীয়া পৰিচয় দাঙি ধৰিবলৈ সক্ষম হোৱা যুৱ






পৰিচালক ধনজিৎ দাসে এইবাৰ পৰিচালনা কৰিছে 'কেচটো নগেন' নামৰ এই চিনেমাখন।

চিনেমাখনৰ বাবে দৰ্শকৰ মাজত উৎসুকতা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। তপন দাস, হিমাংশু প্ৰসাদ দাস, প্ৰণামী বৰা, অতুল পাচনি, অতনু মহন্ত, প্ৰশান্ত কলিতা, অমৃতা গগৈ, অনামিকা শৰণীয়া, নিৰঞ্জন শৰ্মা, সিদ্ধাৰ্থ মুখাৰ্জী, সংকল্পিত হাজৰিকা, দেবাশীষ ভূঞা আদিয়ে অভিনয় কৰা চিনেমাখনে কিছু হাস্যৰসৰ মাজেৰে সমাজ এখনৰ বিশেষ সমস্যা এটাক সম্বোধন কৰিব বুলি ধাৰণা কৰা হৈছে।

# ৰাষ্ট্ৰীয় হেণ্ডবল প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে ৰাওনা অসমৰ দল

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ১৭ এপ্ৰিলঃ** উত্তৰ প্ৰদেশৰ আকবৰপুৰত অহা ২০ এপ্ৰিলৰ পৰা ২৪ এপ্ৰিললৈকে অনুষ্ঠিত হ'বলগীয়া আগন্তুক ৪৭ সংখ্যক ৰাষ্ট্ৰীয় জুনিয়ৰ ল'ৰাৰ হেণ্ডবল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব বাবে অসমৰ দলটো ইতিমধ্যে ৰাওণা হৈছে। অসম হেণ্ডবল সন্থাৰ সাধাৰণ সম্পাদক অমল নাৰায়ণ পাটোৱাৰীয়ে জানিবলৈ দিয়ামতে, অসম দলটোৰ খেলুৱৈসকল হ'লঃ বাস্তৱ বৰা, কৰণ দৈমাৰী, জুবিন দৈমাৰী, সাগৰ হাজৰিকা, ওম প্ৰকাশ নেৱাৰ, বিশাল চৌৰাৰি, জ্যোতিষ বড়ো, ৰিংকু সেনাপতি, অভিমন্যু কাশ্যপ, দেবাঙ্গ ভুষণ নাথ, সত্যজিৎ মেচ, টিংকু বৰা, ৰাহুল বসুমতাৰী, ৰূপম স্বৰ্গীয়াৰী , অংকিত ভট্টাচাৰ্য, আৰমান চৰিফ, সুৰজ ভট্টাচাৰ্য আৰু প্ৰজ্ঞান প্ৰয়াস নাথ। অসম জুনিয়ৰ ল'ৰাৰ হেণ্ডবল দলটোৰ সৈতে প্ৰশিক্ষকৰূপে ব্ৰজেন গগৈ আৰু মেনেজাৰৰূপে মৰিগাঁৱৰ কপাহেৰাৰ পবিত্ৰ জ্যোতি বৰুৱা আছে। উল্লেখিত দলটোত থকা সাগৰ হাজৰিকা আৰু ৰাহুল বসুমতাৰী মৰিগাঁও জিলাৰ তথা ৰিংকু সেনাপতি নগাঁও জিলাৰ খেলুৱৈ।

## মুছলপুৰত টেনিছ বল ক্ৰিকেট প্ৰতিযোগিতা

**ই-সংবাদ, মুছলপুৰ, ১৭ এপ্ৰিলঃ** বাক্সা জিলাৰ সদৰ মুছলপুৰত অনুষ্ঠিত টেনিছ বল ক্ৰিকেট প্ৰতিযোগিতাৰ চূড়ান্ত খেলখনত গাৰামদেউ ক্ৰিকেট ক্লাবে এইচ কে ইলেক্টনিকছক পৰাস্ত কৰি চেম্পিয়নৰ খিতাপ দখল কৰিবলৈ সক্ষম হয়। মুঠ ১৪ টা দলে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাৰ চূড়ান্ত খেলখনত এইচ কে ইলেকট্ৰনিকছ ৰাণাৰ্ছআপ হয়। উল্লেখ্য যে, ইলেভেন ষ্টাৰ স্পোৰ্টছ ক্লাবৰ উদ্যোগত গজেন ডেকাৰ পৌৰহিত্যত বাক্সা জিলা ভিত্তিত অনুষ্ঠিত প্ৰতিযোগিতাৰ উদ্বোধন কৰিছিল মুছলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ নিৰুপমা হালৈয়ে।



আইপিএল ২০২৫: খেলৰ পূৰ্বে ৰোহিত শৰ্মাক সম্বৰ্ধনা জনালে ভাৰতীয় ক্ৰিকেট বোৰ্ডে



আইপিএল ২০২৫: হায়দৰাবাদৰ বিৰুদ্ধে বলিঙৰ সময়ত আঘাতপ্ৰাপ্ত মুম্বাইৰ অধিনায়ক হাৰ্দিক পাণ্ডিয়া

### ইংলেণ্ড ভ্ৰমণৰ পূৰ্বে প্ৰশিক্ষণ দলত বৃহৎ পৰিৱৰ্তন বিচিচিআইৰ

# ভাৰতীয় ক্ৰিকেট দলৰ পৰা বাদ পৰিল অভিষেক, দিলীপ আৰু সোহাম

**নতুন দিল্লী, ১৭ এপ্ৰিলঃ** আগন্তুক ইংলেণ্ড ভ্ৰমণৰ পূৰ্বে বৃহৎ পৰিৱৰ্তনৰ পথত আগবাঢ়িছে ভাৰতীয় ক্ৰিকেট দল। বিচিচিআইয়ে সহকাৰী প্ৰশিক্ষক অভিষেক নায়াৰ, ফিল্ডিং প্ৰশিক্ষক টি দিলীপ আৰু ফিটনেছ প্ৰশিক্ষক সোহাম দেশাইৰ চুক্তি নবীকৰণ নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ফলত এই তিনিওজন ইংলেণ্ড ভ্ৰমণৰ সময়ত ভাৰতীয় দলৰ অংশ নহ'ব। ইফালে তেওঁলোকৰ ঠাইত কোনো নতুন লোক নিযুক্তি দিয়া হোৱা নাই, মাত্ৰ দক্ষিণ আফ্ৰিকাৰ এড্ৰিয়ান লে ৰ'ক্সহে ফিটনেছ প্ৰশিক্ষক হিচাপে থাকিব। ইয়াৰ পূৰ্বেও তেওঁ ভাৰতীয় দলৰ সৈতে কাম কৰিছিল আৰু শেহতীয়াকৈ পঞ্জাব কিংছৰ সৈতে জড়িত আছিল। গৌতম গম্ভীৰ নেতৃত্বত থকা বাকী সহায়ক কৰ্মচাৰীসকল পূৰ্বৰ দৰেই থাকিব- বেটিং প্ৰশিক্ষক সীতাংশু কোটক, বলিং প্ৰশিক্ষক মৰ্ণ মৰ্কেল আৰু সহকাৰী প্ৰশিক্ষক ৰিয়ান টেন ডেশ্বাস্প। দিলীপৰ বিদায়ৰ পিছত ফিল্ডিং প্ৰশিক্ষকৰ দায়িত্বও গ্ৰহণ কৰিব টেন ডেস্কটে।গম্ভীৰ দলৰ দায়িত্ব লোৱাৰ পিছৰে পৰা প্ৰশিক্ষক কৰ্মচাৰীৰ মাজত সালসলনি হোৱাৰ লক্ষণ দেখা গৈছিল। গম্ভীৰৰ পৰামৰ্শ মতে এসময়ত দলত অন্তৰ্ভুক্ত হ'লেও বেটিং বিফলতাৰ বাবে অভিষেক নায়াৰক বাদ দিয়া হৈছে বুলি ধাৰণা কৰা হৈছে। গম্ভীৰৰ আন এটা পচন্দ সীতাংশু কোটকৰ আগমনৰ ফলত নায়াৰৰ ভূমিকা বহু পৰিমাণে সীমিত হৈ পৰিছিল। যদিও অধিনায়ক ৰোহিত শৰ্মাই নায়াৰ আৰু দিলীপৰ পক্ষত আছে, তথাপিও গম্ভীৰৰ পৰিকল্পনাৰ পৰিৱৰ্তন ঘটিছে। ইয়াৰ পূৰ্বে ৰাহুল দ্ৰাবিড়ৰ অধীনত টি দিলীপ নিৰ্বাচিত হৈছিল যদিও এইবাৰ তেওঁকো এৰি দিয়া হৈছে। ৰাজ্যিক সংস্থাই অস্বীকাৰ কৰিলেও তেওঁ অন্ধ্ৰ দলৰ প্ৰশিক্ষক হ'ব পাৰে বুলি চৰ্চা চলিছে। আনহাতে অভিষেক নায়াৰ কেকেআৰলৈ ঘূৰি আহিব পাৰে। কে কে আৰ পৰিচালনাৰ ক্ষেত্ৰত তেওঁৰ অৱদান অতি গুৰুত্বপূৰ্ণ।

# কুজাৰবড়িত প্ৰাইজমানি মাৰাথন দৌৰ প্ৰতিযোগিতাত শ্ৰেষ্ঠ মংগল সিং

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ১৭ এপ্ৰিলঃ** নগাঁও জিলাৰ ডিমৌ চাৰিআলিৰ সমীপৰ কুজাৰবড়ি যুৱক সংঘৰ সৌজন্যত বিগত বৰ্ষসমূহৰ দৰে এইবাৰো ৰঙালী বিহু উৎসৱ উদযাপনৰ সৈতে ৰজিতা খুৱাই অনুষ্ঠিত প্ৰাইজমানি মাৰাথন দৌৰ প্ৰতিযোগিতাত জামুগুৰিৰ মংগল সিঙে একেৰাহে ষষ্ঠবাৰৰ বাবে প্ৰথমস্থান অধিকাৰৰে শ্ৰেষ্ঠত্বৰ খিতাপ অক্ষুন্ন ৰাখিছে। কুজাৰবড়ি প্ৰাথমিক বিদ্যালয় প্ৰাঙ্গণত আয়োজিত ৰঙালী বিহু উৎসৱ উদযাপনৰ দ্বিতীয় দিনাৰ কাৰ্যসূচীৰ অংশস্বৰূপে আজি পুৱা অনুষ্ঠিত এই প্ৰতিযোগিতাত ম'হমৰীয়াৰ ৰিকুমণি দাসে দ্বিতীয় আৰু খুটিকটীয়াৰ ৰিতুমণি খাটনিয়াৰে তৃতীয়স্থান লাভ কৰে। আনহাতে, শেতালিৰ বিকাশ বৰদলৈয়ে চতুৰ্থ, চকলাঘাটৰ নয়নমনি শইকীয়াই পঞ্চম, টোকোৰাবাহীৰ টিকু নাথে ষষ্ঠ আৰু ফুলনিআটিৰ যীচুৰাম নাথে সপ্তমস্থান অধিকাৰ কৰাৰ বিপৰীতে স্থানীয় কুজাৰবড়িৰ ভৃগু চাংমাইয়ে অষ্টমস্থান লাভ কৰিবলৈ সক্ষম হৈছে। উদ্যোক্তাসকলৰহে ৰঞ্জনজ্যোতি বৰুৱাই জানিবলৈ দিয়ামতে, এই প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ অৰুণ বৰা সোঁৰণী নগদ ধনৰ বঁটা সহ মানপত্ৰ, দ্বিতীয় পুৰস্কাৰ ৰাধাকান্ত বৰা সোঁৰণী নগদ ধন সহ মানপত্ৰ, তৃতীয় পুৰস্কাৰ টংকেশ্বৰ শইকীয়া সোঁৰণী নগদ সহ মানপত্ৰ, চতুৰ্থ পুৰস্কাৰ মণি বৰা সোঁৰণী নগদ সহ মানপত্ৰ, পঞ্চম পুৰস্কাৰ দুৰ্গা হাজৰিকা সোঁৰণী নগদ ধনৰ বঁটা সহ মানপত্ৰ আৰু ষষ্ঠ পুৰস্কাৰ ৰিণ্টু হাজৰিকা সোঁৰণী নগদ ধন সহ মানপত্ৰ আছে। ইয়াৰোপৰি দৌৰ সম্পূৰ্ণ কৰা খেলুৱৈকেইগৰাকীকো বিশেষ পুৰস্কাৰ প্ৰদান কৰাৰ ব্যৱস্থা থকা এই প্ৰতিযোগিতা আজি পুৱা কুজাৰবড়ি যুৱক সংঘৰ উপদেষ্টা ৰঞ্জন শইকীয়াই আনুষ্ঠানিকভাৱে উদ্বোধন কৰিছিল।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি